● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



*আমি সকলোকে সহায় কৰিব নোৱাৰো; কিন্তু আমি সকলোৱে কাৰোবাক নহয় কাৰোবাক সহায় কৰিব পাৰো।*

ৰোনাল্ড ৰেগান
*আমেৰিকাৰ ৪০ সংখ্যক ৰাষ্ট্ৰপতি*

www.dainikagradoot.in
৭ ১৫ গুণ অধিক ভয়াৱহ কৰ'নাৰ অন্ধ্ৰ প্ৰজাতি
১৩ চেম্পিয়নছ লীগৰ ফাইনেলত মানচেষ্টাৰ চিটী
৪ ২০২১ৰ বিধানসভা নিৰ্বাচনৰ ফলাফলত এভুমুকি আৰু কিছু আনুষংগিক পৰ্যবেক্ষণ

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২০৫তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ২২ ব'হাগ ১৪২৮ ভাস্কৰাব্দ ৬ মে' ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 6 May 2021 মূল্য ঃ ৭.০০ টকা

■ ৰাজ্যত দৈনিক মৃত্যুৰ ক্ষেত্ৰত সৃষ্টি অভিলেখ ■ হ্ৰাস পালে ক'ভিড পৰীক্ষাৰ সংখ্যা
■ নতুনকৈ প্ৰায় পাঁচ হেজাৰ লোকৰ শৰীৰত সংক্ৰমণ ■ পুনৰ বৃদ্ধি সংক্ৰমণৰ হাৰ

# একেদিনাই ৫৫জনৰ মৃত্যুত আতংক



*কৰ'নাৰ ভয়াৱহ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত দিনৰ দুই বজাৰ পৰাই বন্ধ হ'ল দোকান-পোহাৰ, মহানগৰীত।*

## কামৰূপ মহানগৰত অব্যাহত আছে অতিমাৰীৰ সংক্ৰমণ-মৃত্যুৰ উদ্বেগজনক বৃদ্ধি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ মে'** ঃ ক'ভিডত আক্ৰান্ত হৈ এদিনতে সৰ্বাধিক মৃত্যুৰ ক্ষেত্ৰত নতুন অভিলেখ সৃষ্টি হ'ল অসমত। ক'ভিডৰ প্ৰাদুৰ্ভাৱৰ পৰা আৰম্ভ কৰি প্ৰথমবাৰলৈ ৰাজ্যত এদিনতে অৰ্ধ-শতাধিক কৰ'না ৰোগীয়ে প্ৰাণ হেৰুৱাবলগীয়া হ'ল। আজিৰ দিনটোত ৰাজ্যৰ বিভিন্ন প্ৰান্তত মুঠ ৫৫ জন



ক'ভিড ৰোগীৰ মৃত্যু হয়। ফলত কালিৰ তুলনাত আজি মৃত্যু হোৱা ৰোগীৰ সংখ্যা ১৪ জন বৃদ্ধি পালে। কালি ৪১ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। দৈনিক মৃত্যুৰ হাৰত এই উদ্বেগজনক বৃদ্ধিয়ে স্বাভাৱিকতে ৰাজ্যখনত আতংকৰ সৃষ্টি কৰিছে। স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই টুইটযোগে জনোৱা মতে, আজিও প্ৰায় *আঠ পৃষ্ঠাত চাওক*

## ক'ভিড ভেকচিনৰ লুকা-ভাকু

■ দয়ানন্দ পাঠক



ক'ভিড ভেকচিনৰ ক্ষেত্ৰত এক লুকা-ভাকু খেল আৰম্ভ হৈছে। ২০২০ৰ ২৫ মাৰ্চৰ পৰা লকডাউন, জনতা কাৰফিউ, পৰিবহণ ব্যৱস্থাৰ স্তব্ধতা, দেশৰ বিভিন্ন নগৰ-মহানগৰৰ কৰ্মৰত শ্ৰমিকসকলে নিজ নিজ ঘৰলৈ ওভোতাৰ সময়ত তেওঁলোকে ভোগ কৰা কষ্ট-কাঠিন্য আদি অনেক সমস্যাই দেশখনক ব্যতিব্যস্ত কৰি *১০ পৃষ্ঠাত চাওক*

## পুনৰ ঋণ ল'ব পাৰিব টিকা প্ৰস্তুতকাৰকে
## অৰ্থনীতিক অক্সিজেন দি ৫০ হেজাৰ কোটি টকাৰ 'লিকুইডিটি'



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৫ মে'** ঃ ক'ভিডৰ দ্বিতীয় ঢৌত প্ৰায় বিধ্বস্ত দেশৰ অৰ্থনীতিলৈ কিছু 'অক্সিজেন' যোগানৰ উদ্যোগ গ্ৰহণ কৰিলে ৰিজাৰ্ভ বেংক *১০ পৃষ্ঠাত চাওক*

■ কেন্দ্ৰীয় চৰকাৰৰ শীৰ্ষ বিজ্ঞান উপদেষ্টাই সকীয়নি দিলে ঃ আমি প্ৰস্তুত হোৱা উচিত ■ ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠানৰো আগজাননী

## দেশত কৰ'নাৰ তৃতীয় ঢৌ অনিবাৰ্য, মৃতকৰ সংখ্যাও দুগুণ হোৱাৰ শংকা

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৫ মে'** ঃ কৰ'না সংক্ৰমণৰ তৃতীয় ঢৌ অনিবাৰ্য। কেন্দ্ৰীয় চৰকাৰৰ শীৰ্ষ বিজ্ঞান উপদেষ্টাই এই অশনি সংকেত দাঙি ধৰিছে। তদুপৰি প্ৰতিষেধক অধিক উন্নত হ'ব লাগিব বুলিও সকীয়াই দিছে। কৰ'নাৰ নতুন ৰূপৰে মোকাবিলা কৰিবলৈ



প্ৰতিষেধক উন্নতৰ হ'ব লাগিব। এই সকীয়নি দিছে ড° কে বিজয় ৰাঘৱনে। আজি এক সংবাদমেলত তেওঁ কয়, 'তৃতীয় পৰ্যায়ৰ ঢৌ অৱশ্যম্ভাৱী। যি উচ্চস্তৰত সংক্ৰমণ অব্যাহত আছে তালৈ চাই এই কথা ক'ব পাৰি। অৱশ্যে কোন সময়ত তৃতীয় ঢৌ আহিব সেয়া *১০ পৃষ্ঠাত চাওক*

## ৰঞ্জিত দাস মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হ'লে কোন সভাপতি বিজেপিৰ?

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ মে'** ঃ বিজেপিৰ নেতৃত্বতে ৰাজ্যৰ পৰৱৰ্তী চৰকাৰ গঠন হ'বলৈ আগবঢ়াৰ সময়ত দলৰ ৰাজ্যিক নেতৃত্বক লৈও চৰ্চা আৰম্ভ হৈছে। *১০ পৃষ্ঠাত চাওক*

আজি বিজেপিৰ সংসদীয় পৰিষদৰ বৈঠক অনুষ্ঠিত হ'ব ■ সভাপতি দাসৰ সকীয়নিৰ পাছত বন্ধ হ'ল মুখ্যমন্ত্ৰীকেন্দ্ৰিক বক্তব্য প্ৰকাশ

## নড্ডা দিল্লীত উপস্থিত হোৱাৰ পাছততে মুখ্যমন্ত্ৰী ঘোষণাৰ সম্ভাৱনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ মে'** ঃ কাইলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ নাম ঘোষণাৰ সম্ভাৱনা প্ৰকট হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই আজি কলকাতাত এই ইংগিত দিয়ে। সম্প্ৰতি পশ্চিমবংগত বাহৰ পাতি থকা নড্ডাই



আজি নিশা অথবা কাইলৈ পুৱা দিল্লীলৈ উভতিব। সভাপতি হিচাপে তেওঁ সংসদীয় ব'ৰ্ডৰ বৈঠক আহ্বান কৰিব। এই বৈঠকতে চূড়ান্ত হ'ব অসমৰ মুখ্যমন্ত্ৰীৰ প্ৰসংগ। উল্লেখ্য যে বিজেপিৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তবোৰ সংসদীয় ব'ৰ্ডে গ্ৰহণ *১০ পৃষ্ঠাত চাওক*

## ক'ভিডত মৃত্যু দিল্লীৰ কলেজৰ অধ্যাপক ড° ৰাজৰ্ষি কলিতাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ মে'** ঃ দেশত কৰ'নাৰ সংহাৰী ৰূপত বহিঃৰাজ্যত কৰ্মৰত বহু অসমীয়াই প্ৰাণ হেৰুৱাইছে। আজি পুনৰ অকাল মৃত্যু সাবটি লয় দিল্লী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত শ্যামলাল কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক *১০ পৃষ্ঠাত চাওক*



*বদৰুদ্দিন আজমলৰ উপস্থিতিত এআইইউডিএফৰ বিধায়িনী বৈঠক।*

## কাছিমীয়েই ইউডিএফৰ পুনৰ বিধায়িনী দলপতি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ মে'** ঃ এআইইউডিএফৰ বিধায়িনী দলপতি হিচাপে পুনৰ নিৰ্বাচিত হয় দলৰ জ্যেষ্ঠ বিধায়ক হাফিজ বছিৰ আহমেদ কাছিমী। আজি দলৰ বিধায়কসকলৰ দিছপুৰত অনুষ্ঠিত এখন বৈঠকত *১০ পৃষ্ঠাত চাওক*

■ ধুবুৰী-কোকৰাঝাৰত পশ্চিমবংগৰ নিৰ্যাতিত বিজেপি কৰ্মী-সমৰ্থক ■ চাৰিগৰাকীৰ দেহত ধৰা পৰিল কৰ'নাৰ সংক্ৰমণ ■ ৰাষ্ট্ৰপতি শাসনৰ দাবী ৰাজ্যিক সভাপতি ৰঞ্জিৎ দাসৰ

## নিৰ্যাতিতক আশ্ৰয় দিব বিজেপিকৰ্মীৰ ঘৰত

**অগ্ৰদূত বাৰ্তা/বিশেষ সংবাদদাতা**
**আগমনি/বক্সিৰহাট/শ্ৰীৰামপুৰ/দোতমা/ফকিৰাগ্ৰাম/বিলাসীপাৰা/ কৃষ্ণাই/নগাঁও/লংকা, ৫ মে'** ঃ 'প্ৰয়োজন সাপেক্ষে পশ্চিমবংগৰ নিৰ্বাচনী হিংসাৰ বলি হৈ অসমলৈ পলায়ন কৰা লোকসকলক বিজেপি কৰ্মীৰ ঘৰে ঘৰে আশ্ৰয় দিয়া হ'ব। কেন্দ্ৰীয় চৰকাৰে চৰজমিন তদন্ত কৰি



পশ্চিমবংগৰ পৰিস্থিতি অনুকূল নোহোৱালৈকে ৰাষ্ট্ৰপতি শাসন বলৱৎ কৰিব লাগে।' এই ভাষ্য ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসৰ। পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতে তৃণমূল কংগ্ৰেছৰ কৰ্মী-সমৰ্থকৰ আক্ৰমণৰ বলি হৈ অসমৰ *আঠ পৃষ্ঠাত চাওক*



## তৃতীয়বাৰলৈ মুখ্যমন্ত্ৰীৰূপে শপত মমতাৰ

■ **নিউজ ব্যুৰ'**
**কলকাতা, ৫ মে'** ঃ পশ্চিমবংগৰ ৰাজনৈতিক ইতিহাসত নতুন অধ্যায়ৰ সূচনা কৰি মুখ্যমন্ত্ৰীৰূপে শপত ল'লে মমতা বেনাৰ্জীয়ে। তৃতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰীৰ দায়িত্ব পালন কৰিব তৃণমূলৰ নেত্ৰীগৰাকীয়ে। *১০ পৃষ্ঠাত চাওক*

## কৰ'না নিয়ন্ত্ৰণ ব্যৱস্থাত অসন্তুষ্ট ৬১ শতাংশ ভাৰতীয়, বিশ্বাস নাই বিশেষজ্ঞৰ মতামতত

সমীক্ষাত দেশবাসীৰ ক্ষোভ-হতাশাৰ বহিঃপ্ৰকাশ ঘটিল

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৫ মে'** ঃ কৰ'না ভাইৰাছৰ সংক্ৰমণৰ দ্বিতীয় ঢৌৰ নিয়ন্ত্ৰণত চৰকাৰে গ্ৰহণ কৰা ভূমিকাত মুঠেও সন্তুষ্ট নহয় দেশবাসী। দেশৰ ৬১ শতাংশ নাগৰিকৰ মনত কৰ'না ব্যৱস্থাপনাক লৈ তীব্ৰ ক্ষোভ, ৰাগ আৰু হতাশাৰ সৃষ্টি হৈছে। শেহতীয়াভাৱে চলোৱা এক সমীক্ষাত এই তথ্য পোহৰলৈ আহিছে। এই সমীক্ষাত লাভ কৰা তথ্য অনুসৰি ক'ভিড পৰিস্থিতিত এই মুহূৰ্তত দেশ যি অৱস্থাত উপনীত হৈছে আৰু কেন্দ্ৰীয় চৰকাৰে যিদৰে পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলাইছে, এই দিশত মুঠেও সন্তুষ্ট নহয় দেশৰ ৬১ শতাংশ নাগৰিক। সমীক্ষাত অংশ লোৱা ৪৫ শতাংশ লোকে প্ৰকাশ কৰা মতে, কৰ'নাৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশে যি কৌশল গ্ৰহণ কৰিছে সেয়া ভুল। আনহাতে, ৫১ শতাংশৰ মতে, তেওঁলোকৰ দেশৰ কৰ'নাৰ বিশেষজ্ঞৰ ওপৰত সামান্যও ভৰসা নাই। 'ল'কেল চাৰ্কলছ' নামৰ বেচৰকাৰী *১০ পৃষ্ঠাত চাওক*

■ দৈনিক ১০ হেজাৰ আক্ৰান্ত হ'লেই দিল্লীৰ দৰে পৰিৱেশ হ'ব ঃ মন্ত্ৰী শৰ্মা ■ অধিক জটিল অৱস্থালৈ গতি ৰাজ্যৰ ক'ভিড পৰিস্থিতি ■ ৰাজ্যৰ সকলো শিক্ষানুষ্ঠান অনিৰ্দিষ্টকাললৈ বন্ধৰ ঘোষণা শিক্ষামন্ত্ৰীৰ

## ৰেলৰ দবাত বিছনা পাতি-অক্সিজেন দি ক'ভিড কেন্দ্ৰ স্থাপন মহানগৰীত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ মে'** ঃ ৰাজ্যত অধিক জটিল হৈছে ক'ভিড পৰিস্থিতি। কালি আৰু আজি আক্ৰান্তৰ সংখ্যা পাঁচ হেজাৰৰ ওচৰ চপাৰ পাছতে ক'ভিডৰ এই দ্ৰুত সংক্ৰমণক লৈ উদ্বিগ্ন হৈ পৰিছে ৰাজ্য চৰকাৰ। দৈনিক যদি আক্ৰান্তৰ সংখ্যাই ১০ হেজাৰৰ ঘৰত অতিক্ৰম কৰে, তেন্তে অসমতো দিল্লীৰ দৰে পৰিৱেশৰ সূচনা হ'ব বুলি আজি মন্তব্য *১০ পৃষ্ঠাত চাওক*

## তিনিদিন পাছত আক্ৰান্ত পুনৰ বৃদ্ধি, ২৪ ঘণ্টাত দেশত সৰ্বাধিকৰ মৃত্যু

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৫ মে'** ঃ বিগত তিনিদিন ধৰি দেশত ক'ভিড আক্ৰান্তৰ সংখ্যা কিছু হ্ৰাস পাইছিল যদিও আজি পুনৰ ইয়াৰ সংক্ৰমণ উৰ্ধ্বমুখী হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত কৰ'নাত আক্ৰান্ত হয় তিনি লাখ ৮২ হেজাৰ ৩১৫ জন লোক। মঙলবাৰৰ তুলনাত আজি দেশত আক্ৰান্তৰ সংখ্যা ২৫ হেজাৰ বৃদ্ধি পায়। ইফালে, দেশত *১০ পৃষ্ঠাত চাওক*



*ৰেলৰ দবাক পৰিৱৰ্তন কৰা হ'ল ক'ভিড কেয়াৰ কেন্দ্ৰলৈ, মহানগৰীত বুধবাৰে।*

## মহানগৰীৰ তিনি ৱাৰ্ড কণ্টেইনমেণ্ট জ'ন অনুমতি বিনে ওলোৱা-সোমোৱা বন্ধ

আজি দুই বজাৰ পৰা হ'ব বলৱৎ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ মে'** ঃ গুৱাহাটী মহানগৰীত ক'ভিডৰ দ্ৰুত সংক্ৰমণ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলা প্ৰশাসনে আজি তিনিটাকৈ ৱাৰ্ডক কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰিছে। জিলা উপায়ুক্ত বিশ্বজিৎ পেগুৱে এক সংবাদমেলত এই কথা সদৰী কৰি কাইলৈ দুই বজাৰ পৰা এই নিৰ্দেশনা বলৱৎ হ'ব বুলি কয়। উল্লেখ্য যে গুৱাহাটী পৌৰ নিগমৰ অধীনৰ ২৮, ১৬ আৰু আঠ নম্বৰ ৱাৰ্ডক কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰা হৈছে। *১০ পৃষ্ঠাত চাওক*



## ক'ভিডৰ জটিল ৰূপক লৈ উদ্বিগ্ন প্ৰদেশ কংগ্ৰেছ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ মে'** ঃ ৰাজ্যত দ্ৰুত গতিত জটিল ৰূপ ধাৰণ কৰা ক'ভিড পৰিস্থিতিৰ লগতে ক'ভিডৰ বাবে অন্যান্য ৰোগত আক্ৰান্তই উপযুক্ত *১০ পৃষ্ঠাত চাওক*

হতাশগ্ৰস্ততাৰ নিৰ্মম ছবি ৰাজস্থানত

## কৰ'নাত আক্ৰান্ত হৈ মৃত পিতৃৰ জ্বলন্ত চিতাত জাঁপ দিলে কন্যাই



■ **নিউজ ব্যুৰ'**
**বাৰ্মেৰ (ৰাজস্থান), ৫ মে'** ঃ চকুৰ সন্মুখতে চিতাৰ লেলিহান শিখাৰ ক্ৰমাৎ গ্ৰাস কৰিছিল কৰ'নাত আক্ৰান্ত হৈ সদ্যপ্ৰয়াত পিতৃৰ শৱদেহ। সেই দৃশ্য দেখি অৱশেষত ধৈৰ্য ধৰিব নোৱাৰিলে মৃত লোকজনৰ যুৱতী কন্যাই। হঠাৎ দৌৰি গৈ তেওঁ জাঁপ দিলে দাউদাউকৈ জ্বলি থকা পিতৃৰ চিতাত। ঘটনাৰ আকস্মিকতাত *১০ পৃষ্ঠাত চাওক*

বুথৰ সদস্যতকৈ কম ভোট লাভ দলীয় প্ৰাৰ্থীৰ ■ অন্য দলৰ হৈ কাম কৰাৰ অভিযোগ

## সংখ্যালঘু মৰ্চাৰ সকলো সংগঠন ভংগ বিজেপিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ মে'** ঃ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত বিজেপিয়ে ধৰ্মীয় সংখ্যালঘু ভোটাৰৰ আধিপত্য থকা কে'বাটাও সমষ্টিত জয়লাভ কৰিব বুলি দাবী কৰিছিল ৰাজ্যিক নেতৃত্বই। কিন্তু নিৰ্বাচনী ফলাফলত দলে তেনে সকলো সমষ্টিতে অতি নিম্নমানৰ প্ৰদৰ্শন কৰে। দলৰ ৰাজ্যিক সাধাৰণ সম্পাদক ডাঃ ৰাজদীপ ৰায়ে জনায় যে সংখ্যালঘু ভোটাৰ অধ্যুষিত অঞ্চলসমূহত থকা দলৰ ২০ জনীয়া বুথ সমিতিতকৈ কম ভোট লাভ কৰে বিজেপিৰ প্ৰাৰ্থীসকলে। ভোট সংগ্ৰহত চূড়ান্ত ব্যৰ্থতাৰ বাবেই আজি সভাপতি ৰঞ্জিত কুমাৰ দাসে তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ দলৰ সংখ্যালঘু মৰ্চাৰ সকলো সংগঠন ভংগ কৰি দিয়ে। ইয়াৰ লগে লগে মৰ্চাৰ ৰাজ্যিক সমিতি, জিলা সমিতি আৰু মণ্ডল সমিতিসমূহ ভংগ হয়। উল্লেখ্য যে সংখ্যালঘু মৰ্চাৰ *১০ পৃষ্ঠাত চাওক*

**মাহে ৰমজান**
**ইফটাৰ**
আজি আবেলি ঃ ৫.৫৭ বজা
**ছেহেৰী**
কাইলৈ পুৱা ঃ ৩.১৭ বজা
** গুৱাহাটীৰ সময়*

## চেঙা তেল



*হাৰি গ'ল যেতিয়া আপুনিও প্ৰজাই হ'ল, গতিকে আহক একেলগে বহি অহা নিৰ্বাচনৰ কথা পাতো!*

মৰাণত আবেলিৰে পৰা নিমাওমাও পৰিৱেশ

# চৰকাৰী নিৰ্দেশনাক সন্মান জনাই আবেলিতে বন্ধ হৈ পৰিল ব্যৱসায়িক প্ৰতিষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৫ মে’ ঃ** ৰাজ্যত মহামাৰী কৰ’না (ক’ভিড-১৯) ভাইৰাছৰ দ্বিতীয়টো ঢৌৱে সংহাৰী ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে আজিৰে পৰা ঘোষণা কৰা কেতবোৰ চৰকাৰী নিৰ্দেশনাৰ ফলত চৰাইদেউ জিলাৰ মৰাণত আবেলিৰ পৰা এক নিমাওমাও পৰিৱেশে বিৰাজ কৰিছে। চৰকাৰী নিৰ্দেশনা অনুসৰি, আজিৰে পৰা দিনৰ দুই বজাৰ পৰা সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ কৰাৰ লগতে সন্ধিয়া ছয় বজাৰ পৰা সান্ধ্য আইন জাৰি কৰাত মৰাণ আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলসমূহৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ হৈ পৰে। ফলত গ্ৰামাঞ্চলৰ বহু জনসাধাৰণে অত্যাৱশ্যকী সামগ্ৰী বিচাৰি হাবাথুৰি খাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। চৰাইদেউ আৰু ডিব্ৰুগড় জিলা দুখনৰ বিভিন্ন অঞ্চলত সকলো ব্যৱসায়িক প্ৰতিষ্ঠান আবেলিৰ পৰা বন্ধ হৈ পৰাৰ লগতে সন্ধিয়া ছয় বজাৰ পৰা পথত কোনো যানবাহন চলাচল কৰা পৰিলক্ষিত নহ’ল। সমান্তৰালকৈ দৈনিক দিন হাজিৰা কৰা শ্ৰমিকসকলো আবেলিতে কাম বন্ধ কৰি ঘৰমুৱা হোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে চৰকাৰী নিৰ্দেশনাক সন্মান জনাই ক্ষুদ্ৰ ব্যৱসায়ীসকলে তেওঁলোকৰ নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ দিনৰ দুই বজাতে বন্ধ কৰিবলগীয়া পৰিস্থিতিয়ে ব্যৱসায়ীসকলে যথেষ্ট লোকচানৰ সন্মুখীন হয় বুলি উল্লেখ কৰে।

# তেজপুৰ নিৰ্বাচনী জিলাত বিজয়ী বিধায়কক লৈ সমৰ্থকৰ প্ৰত্যাশা বৃদ্ধি

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৫ মে’ ঃ** যোৱা দুই মে’ত বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতে ৰাজ্যত পুনৰ বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰ গঠন হোৱাৰ পথ প্ৰশস্ত হোৱাৰ পাছতে উৎফুল্লিত শাসক পক্ষৰ সমৰ্থকসকলৰ মাজত প্ৰত্যাশাও বৃদ্ধি পাইছে। সমষ্টিত কৰা উন্নয়নৰে ৰাজ্যবাসীৰ সন্মুখত নিজকে এগৰাকী সফল আৰু কৰ্মপটু বিধায়কৰূপে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হোৱা চতিয়া বিধানসভা সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকক এইবাৰ গঠন হ’বলগীয়া মন্ত্ৰীসভাত স্থান দিব লাগে বুলি নিজ সমষ্টিৰ ৰাইজৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানৰ লোকেই সামাজিক মাধ্যমত দাবী জনাইছে। উল্লেখ্য যে একমাত্ৰ কৰ্মৰ জৰিয়তেই আৰু সমষ্টি ৰাইজৰ কাষত থাকি একোজন মন্ত্ৰীৰ তুলনাত নিজা পাৰদৰ্শিতা প্ৰতিপন্ন কৰাৰ ক্ষেত্ৰত হাজৰিকা ৰাজ্যৰ ভিতৰতে প্ৰথম স্থানৰ বিধায়ক। যোৱাটো কাৰ্যকালতে তেওঁ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন মন্ত্ৰীসভাত স্থান লাভ কৰিব বুলি ৰাইজে আশা কৰিছিল যদিও আশ্চৰ্যকৰভাৱে তেনে নহ’ল। কিন্তু এইবাৰ হাজৰিকাই ২৪ হেজাৰ ৩৭৫ টা ভোটৰ ব্যৱধানত বিজয়ী হৈ তেওঁৰ ৰাইজৰ ওচৰত গ্ৰহণযোগ্যতা প্ৰমাণ কৰাৰ পাছত চতিয়া সমষ্টিৰ ৰাইজে এইবাৰ যাতে এইজন কৰ্মপটু বিধায়কক মন্ত্ৰীসভাত স্থান দিয়ে তাৰ বাবে বিজেপি নেতৃত্বৰ প্ৰতি আহ্বান জনোৱাৰ লগতে অতি আশাৰে বাট চাইছে। উল্লেখ্য যে তেজপুৰ নিৰ্বাচনী জিলাৰ অন্তৰ্গত পাঁচটা বিধানসভা সমষ্টিৰ পৰা এইবাৰ নিৰ্বাচিত বিধায়কসকলৰ ভিতৰত একেৰাহে বিজয়ী হোৱা অভিজ্ঞ বিধায়কজনো হৈছে হাজৰিকাই। আনহাতে, ৰাজ্যত পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ’ব সেই লৈ ব্যাপক চৰ্চা অব্যাহত থকাৰ সময়তে বিভিন্ন সমষ্টিৰ সমৰ্থকৰ মাজত তেওঁলোকৰ নৱনিৰ্বাচিত বিধায়কজনক মন্ত্ৰীসভাত স্থান দিব লাগে বুলিও মুকলি দাবী উত্থাপিত হৈছে। উল্লেখ্য যে বিজেপি মিত্ৰজোঁটৰ অন্যতম অংশীদাৰ অগপৰ এগৰাকী প্ৰাৰ্থীৰূপে নিৰ্বাচনত তেজপুৰৰ পৰা প্ৰথমবাৰলৈ নিৰ্বাচিত হোৱা কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ জ্যেষ্ঠ পুত্ৰ পৃথ্বিৰাজ ৰাভাক এইবাৰ ৰাজ্যৰ সাংস্কৃতিক আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী দিব লাগে বুলি তেজপুৰত বিভিন্ন মহলত চৰ্চিত হৈছে। উল্লেখ্য যে ১৯৮৫ত বৃন্দাৱন গোস্বামী আৰু ১৯৯১ত বিজিত শইকীয়াই ৰাজ্য চৰকাৰ মন্ত্ৰিত্ব লাভ কৰাৰ পৰৱৰ্তী সময়ত ১৯৯৬ৰ পৰাই তেজপুৰৰ পৰা নিৰ্বাচিত হোৱা কোনো এজন বিধায়কেই মন্ত্ৰিত্ব লাভ কৰা নাই। অৱশ্যে এই সময়ছোৱাত ২০১১ত প্ৰয়াত ৰাজেন বৰঠাকুৰে কংগ্ৰেছৰ পৰা নিৰ্বাচনত জয়ী হৈ তেজপুৰৰ বিধায়ক হোৱাৰ বিপৰীতে ১৯৯৬, ২০০১, ২০০৬ আৰু ২০১৬ৰ নিৰ্বাচনত তেজপুৰৰ পৰা অগপৰ বৃন্দাৱন গোস্বামীয়েই বিধায়ক হৈ আছিল। ইয়াৰ বিপৰীতে এইবাৰ বিজেপি আৰু অগপ কৰ্মীসকলৰ প্ৰবল প্ৰত্যাশাৰ মাজত তেজপুৰৰ পৰা বিভিন্ন প্ৰত্যাহ্বান নেওচি ৰাজনীতিৰ পথাৰত ভৰি দিয়েই তেজপুৰৰ পৰা বিধায়ক নিৰ্বাচিত হোৱা ৰাভা যিহেতু কলা আৰু সংস্কৃতিৰ স’তে জড়িত ব্যক্তি সেয়ে তেওঁক এইবাৰ এই বিভাগৰে দায়িত্ব অৰ্পণ কৰাটো বিচাৰিছে স্থানীয় বহুসংখ্যক লোকে। ইতিমধ্যে এই সন্দৰ্ভত সামাজিক মাধ্যমত বিভিন্নজনে আহ্বান জনোৱাৰ উপৰি একাংশই আনকি অগপ নেতৃত্বক পোনপটীয়াকৈ এনে অনুৰোধ জনোৱা বুলিও প্ৰকাশ পাইছে। স্মৰ্তব্য যে এইবাৰ তেজপুৰত ৰাভাই কংগ্ৰেছৰ প্ৰাৰ্থী অনুজ মেছক ১০,১২৩টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি নিৰ্বাচিত হোৱাৰ পাছত সংবাদ মাধ্যমৰ আগত ৰাভাক যদি উপযুক্ত বুলি মিত্ৰজোঁটৰ নেতৃত্বই মন্ত্ৰীসভাত স্থান দিবলৈ বিচাৰে তেতিয়া তেওঁ এই দায়িত্ব গ্ৰহণ কৰিব বুলি মন্তব্য কৰিছিল। কিন্তু তেজপুৰৰ নৱনিৰ্বাচিত বিধায়কজনতকৈও তেজপুৰৰ বিভিন্ন মহলৰ ৰাইজে ২৫ বছৰে সাংস্কৃতিক নগৰী মন্ত্ৰিত্বৰ পৰা বঞ্চিত হোৱাৰ আশাহত অৱস্থাৰ এইবাৰ অন্ত পৰিব বুলিয়েই গভীৰ প্ৰত্যাশাৰে অপেক্ষা কৰিছে। উল্লেখ্য যে এইবাৰ তেজপুৰ নিৰ্বাচনী জিলাৰ পাঁচটা সমষ্টিৰ পৰা দুজন নতুন মুখৰ বিধায়ক নিৰ্বাচিত হৈছে আৰু সেই দুজন হৈছে তেজপুৰৰ বিধায়ক ৰাভা আৰু ৰঙাপৰাৰ কৃষ্ণকমল তাঁতী। এনে অৱস্থাত ঢেকিয়াজুলিৰ পৰা দ্বিতীয়বাৰলৈ বিধায়ক নিৰ্বাচিত হোৱা অশোক সিংহালকো মন্ত্ৰিত্ব দিব লাগে বুলি সমৰ্থকসকলে দাবী জনাইছে। শোণিতপুৰ বিজেপিৰ প্ৰাক্তন সভাপতি মৃণাল শইকীয়াই এইবাৰ মন্ত্ৰীসভাত চতিয়াৰ বিধায়ক হাজৰিকাক আৰু ঢেকিয়াজুলিৰ বিধায়ক সিংহালক মন্ত্ৰিত্ব দিব লাগে বুলি ৰাজহুৱাভাৱে আহ্বান জনাইছে। আনহাতে, বৰছলাৰ পৰা দ্বিতীয়বাৰলৈ নিৰ্বাচিত হোৱা গণেশ কুমাৰ লিম্বুকো মন্ত্ৰিত্ব প্ৰদানৰ দাবী উত্থাপন কৰিছে তেওঁৰ সমৰ্থকসকলে। মুঠতে নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত তেজপুৰ নিৰ্বাচনী জিলাৰ সমষ্টিসমূহৰ বিজয়ী প্ৰাৰ্থীক লৈ সমৰ্থকসকলৰ মাজত নতুন প্ৰত্যাশাৰ উন্মেষ ঘটিছে।

# তামুলপুৰতো দুই বজাত তলা বন্ধ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৫ মে’ ঃ** শেহতীয়াকৈ ৰাজ্যত ভয়াৱহৰূপ ধাৰণ কৰা ক’ভিড পৰিস্থিতি নিয়ন্ত্ৰণৰ কাৰণে আজি দুই বজাৰ পৰা সমগ্ৰ ৰাজ্যজুৰি ঘোষণা কৰা হৈছে হাট-বজাৰ, দোকান-পোহাৰ বন্ধ। ক’ভিড সৃষ্ট পৰিৱেশ নিয়ন্ত্ৰণৰ বাবে ৰাজ্য চৰকাৰে ঘোষণা কৰা এনে নীতিৰ ফলত তামুলপুৰ মহকুমাতো আবেলি দুই বজাতে বন্ধ হৈ পৰিল হাট-বজাৰ, দোকান-পোহাৰ। তামুলপুৰ মহকুমা সদৰৰ লগতে তামুলপুৰ মহকুমাৰ অন্তৰ্গত ৰংগামেলা, কুমাৰীকাটা, কাউলী, গুৱাবাৰী, নাগ্ৰীজুলি, লতিবাৰী, গান্ধীবাৰী, দ্বাৰকুছি, কালাকুছিকে আদি কৰি সকলো ঠাইতে বন্ধ হৈ পৰে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ। হাট-বজাৰ, দোকান-পোহাৰ বন্ধ হৈ পৰাৰ ফলত ৰাজপথতো যানবাহনৰ চলাচল বন্ধ হৈ পৰে। ৰাজপথত সাধাৰণ লোকৰ চলাচলো বন্ধ হৈ পৰে।

# দুই বজাৰ লগে লগে বন্ধ হৈ পৰিল দোকান-পোহাৰ

কমিল গাড়ী-মটৰৰ চলাচল

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৫ মে’ ঃ** ক’ভিড-১৯ৰ ভয়াৱহ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে শেহতীয়াকৈ জাৰি কৰা নিৰ্দেশ অনুযায়ী আজি দিনৰ দুই বজাত মৰিয়নি নগৰৰ সকলো দোকান-পোহাৰ বন্ধ হৈ পৰে। ৰাজ্য চৰকাৰৰ মুখ্য সচিবৰ নিৰ্দেশ অনুযায়ী স্থানীয় প্ৰশাসন আৰু আৰক্ষীয়ে দুই বজাৰ পৰা সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধৰ নিৰ্দেশ দিয়ে। সেই অনুসৰি আজি প্ৰথম দিনা ফাৰ্মাচী বাদ দি মৰিয়নিৰ সকলো দোকান-পোহাৰ বন্ধ হৈ পৰে। একে সময়তে যান-বাহনৰ চলাচলো সীমিত হৈ পৰে। সন্ধিয়া ছয় বজাৰ পাৰ সান্ধ্য আইন আৰম্ভ হোৱাৰ লগে লগেই মৰিয়নিত সকলো যান-বাহনৰ চলাচলো বন্ধ হৈ পৰে। অৱশ্যে তাৰ মাজতে দুই-এখন অত্যাৱশ্যকীয় সামগ্ৰী কঢ়িওৱা বাহনৰ লগতে জৰুৰীকালীন সেৱাৰ দুই-এখন বাহনৰ চলাচল কৰা দেখা যায়। অৰ্থাৎ সন্ধিয়াৰে পৰা তলাবন্ধ সদৃশ পৰিৱেশ বিৰাজ কৰিছে মৰিয়নিত। মৰিয়নিৰ স্বাস্থ্য বিভাগৰ লগতে প্ৰশাসন আৰু আৰক্ষীয়ে সকলো শ্ৰেণীৰ ৰাইজক ক’ভিড-১৯ সম্পৰ্কীয় চৰকাৰী নীতি-নিৰ্দেশনা মানি চলিবলৈ আহ্বান জনাইছে।

**ASSAM ELECTRICITY GRID CORPORATION LIMITED**

**NOTICE INVITING TENDER**

1. Bid Identification No.: AEGCL/DGM (Civil)/2021-22/02
2. Name of Work : **A.** Supply, installation, testing and commissioning of VRF Air Conditioning system including MD's chamber, visitor's area and conference room at first floor (East side) of Bijulee Bhawan. **B.** Comprehensive Annual Maintenance Contract for five years beyond warranty period.
3. Cost of Bid document: Rs. 696.00
4. Tender start date and time: 05/05/2021 1400 Hrs. 00 Mins

Interested bidders may download the bidding documents from AEGCL's website: www.aegcl.co.in and/or e-tender portal **assamtenders.gov.in**

T-872/PR/2021/Camp/02 **Sd/-, CGM (PP&D), AEGCL,Bijulee Bhawan, Paltan Bazar, Ghy-1**

# সাংস্কৃতিক কৰ্মী মাধৱ গগৈৰ স্মৃতিচাৰণত মাধৱ-জ্যোতি উন্মোচন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ৫ মে’ ঃ** সাংস্কৃতিক কৰ্মী মাধৱ গগৈৰ শিৱসাগৰ মেটেকোস্থিত বাসভৱনত আজি তেওঁৰ আদ্যশ্ৰাদ্ধ উপলক্ষে এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। তেওঁৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনৰ পাছত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সম্পূৰ্ণ ক’ভিড নিয়ম ৰক্ষা কৰি আয়োজন কৰা সভাত প্ৰশান্ত বৰগোহাঁইৰ দ্বাৰা সম্পাদিত ‘মাধৱ-জ্যোতি’ শীৰ্ষক স্মৰণিকাখন উন্মোচন কৰে সমাজকৰ্মী গোলাপ গগৈয়ে। আনহাতে, সভাত লেখিকা তুলিকা চেতিয়া য়েইন, প্ৰাক্তন ছাত্ৰ নেতা নৰেন চেতিয়া, প্ৰদীপ বৰগোহাঁই, শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্ত, নাট্যকৰ্মী জিতুজ্যোতি গায়ন, সংবাদকৰ্মী প্ৰাঞ্জল পূজাৰীৰ লগতে ৰুদ্ৰ গগৈকে ধৰি বহুজনে মাধৱ গগৈৰ ব্যক্তিত্ব আৰু সামাজিক কৰ্ম সম্পৰ্কত বক্তব্য আগবঢ়ায়।

**পদ খালী**

**Direct Posting** গুৱাহাটীৰ কোম্পানীত মেনেজাৰ, ছুপাৰভাইজাৰ আৰু পেকেজিং কাম কৰাৰ বাবে বহুত যুৱকৰ প্ৰয়োজন। থকা-খোৱা **Free**। দৰমহা ৩০,০০০/- টকালৈকে।

**Perfect Jobsite**
**Dispur**
**98640 20419,**
**8011007148**

**ASTROLOGY/ জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**

# নগাঁৱত জব্দ কাঠফলা কল

**বিশেষ সংবাদদাতা**

**নগাঁও, ৫ মে’ ঃ** বন বিভাগে নগাঁও জিলাখনৰ ৰূপহীহাটৰ গেৰেকীৰ পৰা এটা অবৈধ কাঠফলা কলৰ লগতে এটা জেনেৰেটৰ জব্দ কৰে। জব্দ হোৱা অবৈধ কাঠফলা মিলটোৰ গৰাকী নুৰআমিন ইছলাম। দীৰ্ঘদিনৰ পৰা এই ব্যৱসায়ীজনে অবৈধভাৱে কাঠৰ চোৰাং ব্যৱসায় চলাই আহিছিল।

# আছুৰ বিশেষ মেধা পৰীক্ষাৰ পুৰস্কাৰ বিতৰণ কাৰ্যসূচী সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ৫ মে’ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষানীতিৰ আধাৰত আৰু সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে পূব নামবৰভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত ২০২১ৰ বিশেষ মেধা পৰীক্ষাৰ স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক যোৱা চাৰি মে’ত পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। ৰাজ্যৰ ক’ভিডসৃষ্ট পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি পূব নামবৰভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি পৰাগজ্যোতি কলিতা আৰু শিক্ষা সম্পাদক জিণ্টু বৰ্মনৰ নেতৃত্বত কে’বাগৰাকীমান বিষয়ববীয়া-সদস্যই প্ৰথম স্থানপ্ৰাপ্ত পূব নামবৰভাগ জাতীয় বিদ্যালয়ৰ ছাত্ৰী অৰ্পণা দাস, দ্বিতীয় স্থানপ্ৰাপ্ত পূব নামবৰভাগ বালিকা বিদ্যামন্দিৰ হাইস্কুলৰ ছাত্ৰী অংকিতা বৰ্মন আৰু তৃতীয় স্থানপ্ৰাপ্ত জনকল্যাণ হাইস্কুলৰ ছাত্ৰ হিমাংশু বৰ্মনৰ ঘৰলৈ গৈ কিতাপ, কলম আৰু মানপত্ৰৰে পুৰস্কাৰসমূহ প্ৰদান কৰে।

**ASSAM ELECTRICITY GRID CORPORATION LIMITED**

**NOTICE INVITING TENDER**

1. **Bid document No. :** AEGCL/MD/O&M/Rangia-Sipajhar/Loc-88/CICA/2021/BID
2. **Name of Work :** Construction of new tower replacing flood affected tower of 132 KV Rangia-Sipajhar transmission line at location 88.
3. **Tender fee :** Rs. 1,000.00 (Rupees One Thousand) Only.
4. **Tender Start Date :** 06.05.2021

Interested bidders may download the bidding documents from AEGCL's website : **www.aegcl.co.in** or e-tender portal **www.assamtenders.gov.in**

**T-872/PR/2021/Sgn/01** **Sd/-, Chief General Manager (O&M), LAR, AEGCL**

**ASSAM ELECTRICITY GRID CORPORATION LIMITED**

**NOTICE INVITING TENDER**

1. Bid Identification No.: AEGCL/DGM (Civil)/2021-22/01
2. Name of Work : Renovation of first floor (East side) of Bijulee Bhawan including workstations.
3. Cost of Bid document: Rs. 2,250.00
4. Tender start date and time: 05/05/2021 1400 Hrs. 00 Mins

Interested bidders may download the bidding documents from AEGCL's website: www.aegcl.co.in and/or e-tender portal **assamtenders.gov.in**

T-872/PR/2021/Camp/01 **Sd/-, CGM (PP&D), AEGCL,Bijulee Bhawan, Paltan Bazar, Ghy-1**

**ASSAM ELECTRICITY GRID CORPORATION LIMITED**

**NOTICE INVITING TENDER**

1. (a) BID Identification No. AEGCL/MD/O&M/SRIKONA-PANCHGRAM TL/Composite Insulated Cross Arms (Design)/2021
2. Name of work:- "Design for revival of collapse section of 132KV Srikona-Panchgram Line by introducing Composite Insulated Cross Arms technology".
3. Cost of Bid documents: **INR 1,000.00**
4. Tender start date: **08.05.2021**

Interested bidders may download the bidding documents from AEGCL's website- **www.aegcl.co.in** and / or e-tender portal **https://assamtenders.gov.in**

**Sd/- Chief General Manager (O&M), CAR**
**AEGCL, Bijulee Bhawan, Paltan Bazar, Guwahati-1**

T-872/PR/2021/APS/01

**ASSAM ELECTRICITY GRID CORPORATION LIMITED**

**NOTICE INVITING TENDER**

1. Bid Identification No.: AEGCL/DGM (Civil)/2021-22/03
2. Name of Work : Construction of Mezzanine floor at Ground floor (West side) of Bijulee Bhawan, AEGCL, Paltan Bazar, Guwahati-01.
3. Cost of Bid document: Rs. 291.00
4. Tender start date and time: 05/05/2021 1400 Hrs. 00 Mins

Interested bidders may download the bidding documents from AEGCL's website: www.aegcl.co.in and/or e-tender portal **assamtenders.gov.in**

T-872/PR/2021/Camp/03 **Sd/-, CGM (PP&D), AEGCL,Bijulee Bhawan, Paltan Bazar, Ghy-1**

**MISSING INFORMATION**



The above is photograph of Smt Babita Boro (31 Years ) W/O Sri Jitu Boro, Vill.-Nagrachara (Amguri), P.S. Dimakuchi, Dist. Udalguri who has been missing since 07/04/2021 from Nagrachara (Amguri).

This refers to Dimakuchi PS GDE No. 168 Dtd. 11/04/2021 and this office Man Missing Register Entry No. 53 Dtd. 27/04/2021.

**Descriptive Roll of the Missing Person:**

| | |
|---|---|
| 1. Complexion | - Fair |
| 2. Age | - 31 Years |
| 3. Height | - 5 Feet |
| 4. Built | - Medium |
| 5. L/known | - Assamese & Bodo |
| 6. Wearing apparel | - Langa |

All efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action : 8134852559/9859427622 (Cell phone).

Sd/-
Superintendent of Police,
Udalguri, Assam.

Janasanyog/D/245/21

# চুৰি গৰু উদ্ধাৰ দলগাঁও আৰক্ষীৰ

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ৫ মে’ ঃ** দলগাঁও থানাৰ আৰক্ষীয়ে আজি দুপৰীয়া দুটা চুৰি গৰু উদ্ধাৰ কৰে। যোৱা নিশা শিলবৰী আৰক্ষী চকীৰ অন্তৰ্গত নলবাৰী গাঁৱৰ কুচুৰ আলীৰ দুটা বলধ গৰু চুৰি হৈছিল। গৰুৰ গৰাকীয়ে এজাহাৰৰ ভিত্তিত দলগাঁও থানাৰ আৰক্ষীয়ে অভিযান চলাই আজি দুপৰীয়া দলগাঁও থানাৰ বালিচন্দা গাঁৱৰ পৰা গৰু দুটা উদ্ধাৰ কৰে। গৰু চোৰক অৱশ্যে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষীয়ে।

## আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

**২২ ব’হাগ বৃহস্পতিবাৰ ৬ মে’**

**সূৰ্যোদয় ঃ** ঘঃ ৪।৫১।৩০, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৪৭।৪৬। **তিথি ঃ** কৃষ্ণা দশমী, দং ৩০।১১।২৮ আঘঃ, ৪।৫৬।৫। **নক্ষত্ৰ ঃ** শতভিষা, দং ২১।৩০।৩৯ ঘঃ ১।২৭।৪৬। **যোগ ঃ** ইন্দ্ৰ, দং ৪২।৫০।৩১, ৰাঘঃ ৯।৫৯।৪২। **কৰণ ঃ** বনিজ। **জন্মত ঃ** কুম্ভৰাশি, বৈশ্যবৰ্ণ, মতান্তৰে শূদ্ৰবৰ্ণ, দেৱাৰিগণ, মনুষ্যগণ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী আৰু বিংশোত্তৰী ৰাহুৰ দশা, ঘঃ ১।২৭।৪৬ যোৱাত মনুষ্যগণ, বিংশোত্তৰী বৃহস্পতিবাৰ দশা। **আদ্যঋতু হ’লে ঃ** ১২ দিনীয়া দুৰ্ভগা যোগ। **মৰণত দোষ ঃ** নাই, ঘঃ১।২৭।৪৬ যোৱাত দ্বিপদ। **যোগিনীঃ** উত্তৰত, আঘঃ ৪।৫৬।৫ যোৱাত অগ্নিকোনত। **যাত্ৰাঃ** শুভ সিদ্ধিযোগ, দক্ষিণত নাই, আঘঃ ৪।৫৬।৫ যোৱাত মধ্যম। **শুভকৰ্ম ঃ** গৰ্ভধান, জাতকৰ্ম, নামকৰণ, নৱবস্ত্ৰ পৰিধান, ৰত্নাদিধাৰণ, জলাশয় প্ৰতিষ্ঠা, দোকান-নাট্যাৰম্ভ, নৌকাগঠন, নৌকাযাত্ৰা, আৰোগ্যস্নান, গ্ৰহপূজা, শান্তিস্বস্ত্যয়ন, হালযাত্ৰা, গুটিসিঁচা, গছৰোৱা, ঋণদান, ঋণগ্ৰহণ, ক্ৰয়-বিক্ৰয় শিল্পাৰম্ভ ঔষধকৰণ আৰু সেৱন। **ভক্ষাভক্ষ্য ঃ** কলমৌ শাক, আঘঃ ৪।৫৬।৫ যোৱাত উৰহী খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** প্ৰিয় লোকৰ কোনো কথাত সন্তুষ্ট নহ’ব। দুই ধৰণৰ চিন্তাই আপোনাৰ কৰ্মত আহুকালৰ সৃষ্টি কৰিব। শৰীৰৰ প্ৰতি নজৰ ৰাখক। পিছে অপেক্ষা কৰা কোনো সংবাদত সুখ। শুভ ৰং বেঙুনীয়া।

**বৃষ ঃ** আৰ্থিক আমদানিৰ লগতে খৰচৰ পথো মুক্ত থাকিব। কৰ্মৰ ওপৰত বিশ্বাস থাকিব। কোনো কাৰণে বিৰক্ত ভাব আহিব পাৰে। সন্তানৰ ভালেই। সন্তান সম্ভৱাৰ কন্যা সন্তান লাভৰ যোগ। শুভ ৰং নীলা।

**মিথুন ঃ** সাধাৰণ খংৰাগ। কিন্তু উন্নত পৰিৱেশক সিয়ে ক্ষতি নকৰিব। প্ৰেম প্ৰীতিত মধ্যম আবেগ বৃদ্ধি। দৰকাৰী কামৰ বাবে কোনোৱে কৰা চেষ্টাত সফল হ’ব। শুভ ৰং আকাশী নীলা।

**কৰ্কট ঃ** শৰীৰৰ প্ৰতি যত্ন লোৱাটো দংকাৰ বিদ্যাৰ্থীৰ মধ্যম। ক্ষীপ্ত পৰিৱেশ আৰম্ভণিৰ সম্ভাৱনা হ’লেও প্ৰকট নহ’ব। বন্ধু-বান্ধৱৰ পৰা উৎসাহ। কিন্তু তেওঁলোকৰ ওপৰত নিৰ্ভৰ নকৰাই ভাল। শুভ ৰং বগা।

**সিংহ ঃ** বিদ্যালাভত বাধা কম। ধৈৰ্যৰে প্ৰতিকূল বিষয়া নিয়ন্ত্ৰণৰ চেষ্টা কৰক। ভ্ৰমণাদিত কষ্ট হ’লেও শুভ। পিতৃৰ কথাত নিৰুৎসাহ। শৰীৰ বৰ ভালেৰে যোৱা টান। নতুন সংবাদত আনন্দ। শুভ ৰং ক্ৰীম।

**কন্যা ঃ** শাৰীৰিকত বিশেষ দুৰ্ভাৱনা নাই। আনৰ কথাত অসন্তুষ্টি প্ৰকাশ। আত্মীয়ৰ সংগ লাভ। বিদ্যাত বেয়া নহ’ব। শুভ ৰং ক’লা।

**তুলা ঃ** সদায় স্বাৱলম্বিতা আপুনি পছন্দ কৰিব, কিন্তু সময়ে তাক উৎসাহিত নকৰিব। বাধ্য হৈ আনৰ সহানুভূতিৰ কথা বিবেচনা কৰিব লাগিব। আৰ্থিকত চিন্তিত। খৰচৰ মাত্ৰা বৃদ্ধি। ব্যস্ততা। শুভ ৰং কমলা।

**বৃশ্চিক ঃ** কেতু, মংগল, শুক্ৰ, ৰবি যাৰ জীৱনত শুভ তেওঁৰ দিনটোত বেছি আহুকাল নাই। কিন্তু সামগ্ৰিক দৃষ্টিত আহুকাল সামান্য হ’লেও থাকিব। শৰীৰ মধ্যম। বিদ্যাত মধ্যম। শুভ ৰং নীলা।

**ধনু ঃ** স্বাৰ্থৰ বাহিৰত থকালৈ আপোনাৰ অহৈতুক অবিশ্বাস হ’ব। দৰিদ্ৰ নাৰায়ণৰ প্ৰতি চিন্তা থাকিলেও কিছু সন্দেহ মনত লাগি থাকিব। দাম্পত্য, সন্তান আদিৰ লগত মধ্যম প্ৰভাৱ। অৰ্থ লাভ। শুভ ৰং হালধীয়া।

**মকৰ ঃ** মধ্যম হ’লেও সাৱধানেৰে দিনটো পাৰ কৰক। খৰচ পাতিৰ লগত কোনোৰ বাবে মনত দুখ বা অযথা কৰ্মত সময় অপব্যয় হ’ব। বিদ্যাত জটিলতা নাপায়। কৰ্মাদিও অযথা মন্থৰতা। শুভ ৰং ৰঙা।

**কুম্ভ ঃ** ইচ্ছাকৃত কথাত কিবা বাধা পাব শৰীৰৰ অথন্তৰো দেখা যায়। ব্যৱসায় বাণিজ্যত বেয়া দেখা নাযায়। শুভ ৰং সেউজীয়া।

**মীন ঃ** শৰীৰৰ উত্তাপ হ’লেও ভয়ৰ বিশেষ নাই। খং-ৰাগ বৃদ্ধি পাব পাৰে। অৱশ্যে প্ৰাপ্য ধন পোৱাৰ সম্ভাৱনা থাকিব। শুভ ৰং বেঙুনীয়া।

## শব্দ-বেহু ঃ ০৬ মে ২০২১



@ সব্যসাচী

**পথালিয়ে ঃ**

১। বেলেগ,আন, পৰ (২)
২। এগৰাকী দাসীৰ গৰ্ভত জন্মলাভ কৰা ধৃতৰাষ্ট্ৰৰ কনিষ্ঠ ভ্ৰাতৃ (৩)
৪। প্ৰজনন শক্তি নোহোৱা কৰা হালোৱা মতা গৰু (৩)
৬। ভাত-আঞ্জা আদি লৰাবলৈ ব্যৱহাৰ কৰা যতন, কৰচলি (২)
৭। কালিৰ আগদিনা (৩)
১০। মাটি খোঁচৰা আদি কামত ব্যৱহাৰ কৰা এবিধ সঁজুলি, খুৰ্পি (২)
১১। কাজিয়াৰ আপোচ মীমাংসা, বুজা-বুজি (৪)
১৩। সম্ৰাট, ডাঙৰ ৰজাক দিয়া অভিধা (৪)
১৫। অৰবিন্দ, কমল (২)
১৬। যোগ্য, প্ৰয়োজনীয় দক্ষতা থকা (৩)
২০। পহৰা দিয়া, আপোন নোহোৱা, অনাত্মীয় (২)
২১। বৈৰী, অৰি (৩)
২২। ভাবমূৰ্তি, গল্প নাটক আদিৰ পাত্ৰ (৩)
২৩। নাসিকা, গোন্ধ লোৱা অংগ (২)

**থিয়কৈ ঃ**

১। অনুশোচনা, অনুচিত কাম কৰি মনলৈ অহা দুখ (৪)
২। গৰ্ভপাত, অকালতে মৃত পোৱালি প্ৰসৱ (৩ )
৩। গছৰ ৰসৰ পৰা প্ৰস্তুত কৰা এবিধ স্থিতিস্থাপক বস্তু (৩)
৫। স্বাক্ষৰ, সন্মতিৰ চিনস্বৰূপে নিজ হাতেৰে লিখা নিজৰ নাম (৩)
৮। গণনা, পৰিমাণৰ লেখ (৩)
৯। মাটি, ত্ৰিভুজৰ তিনি ডাল বাহুৰ তলৰ ডাল (২)
১২। দুই হাতেৰে চপৰিয়াই তাল সৃষ্টি কৰা এবিধ যুৰীয়া বাদ্য (৩)
১৩। নিজৰ পৰিচয় লুকুৱাই আনৰ ভাও লোৱা (৪)
১৪। চান্দ্ৰমাহৰ কোনো এটা দিন, মহাপুৰুষৰ জন্ম-মৃত্যুৰ দিৱস (২)
১৭। এটা কড়িৰ সমান মূল্যৰ ধন, নিচেই সামান্য পৰিমাণৰ ধন (৪)
১৮। মুছলমানসকলে গোটেই ৰাতি কোৰান পাঠ কৰা অনুষ্ঠান (৩)
১৯। বিভিন্নতাৰ সমাহাৰ ঘটা, বৰ্ণময় (৩)

**উত্তৰ অহা সংখ্যাত**

**০৫ মে সংখ্যাৰ উত্তৰ ঃ**

**পথালিয়ে ঃ** ২। আবিৰ ৪। বিকাৰক ৭। ছানি ৯। ৰঞ্জক ১০। লাটুম ১২। অলি ১৩। চিলা ১৬। নগ ১৮। মন্ত্ৰী ১৯। কিন্নৰ ২১। দৰদ ২২। বিপ্ৰ ২৪। দশভুজা ২৫। ৰগৰ

**থিয়কৈ ঃ** ১ । দণ্ডকাৰণ্য ৩। ৰঘুমলা ৪। বিছা ৫। কানি ৬। কথাকলি ৮। বকচিচ ১১। টুপ ১৪। বাগদত্তা ১৫। ভিন্ন ১৭। সদৰামীন ১৮। মচনদ ২০। ৰত্নাকৰ ২২। বিভু ২৩। প্ৰজা

**MISSING INFORMATION**



The above is photograph of Smti Sangita Boro (26 Years), W/O Sri Haripriya Narzary, Vill. Uttar Bezbhagawati, P.S. Khoirabari, Dist. Udalguri who has been missing since 15/03/2021 from Dhupguri.

This refers to Khoirabari PS GDE No- 409 Dtd. 18/03/2021 and this office Man Missing Register Entry No. 42 Dtd. 20/03/2021.

**Descriptive Roll of the Missing Person:**

| | |
|---|---|
| 1. Complexion | - Fair |
| 2. Age | - 26 Years |
| 3. Height | - 5 Feet |
| 4. Built | - Healthy |
| 5. L/known | - Bodo |
| 6. Wearing apparel | - Pink colour Dakhana |

All efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action: 8134852559/9859427622 (Cell phone).

Sd/-
Superintendent of Police,
Udalguri, Assam.

Janasanyog/D/212/21

**MISSING INFORMATION**



The above is photograph of Sri Ratan Nayak (70 Years), S/O Lt. Ganga Ram Nayak, Vill.- Nichilamari, P.S.: Orang, Dist. Udalguri who has been missing since 05/04/2021. from his home.

This refers to Orang PS GDE No.- 110 Dtd. 08/04./2021 and this office Man Missing Register Entry No. 52 Dtd. 27/04/2021.

**Descriptive Roll of the Missing Person:**

| | |
|---|---|
| 1. Complexion | - Swarthy |
| 2. Age | - 70 Years |
| 3. Height | - 5 Feet |
| 4. Built | - Medium |
| 5. L/known | - Assamese & Adivasi |
| 6. Wearing apparel | - Half Pant & Half Shirt |

All efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action: 8134852559/9859427622 (Cell phone).

Sd/-
Superintendent of Police,
Udalguri, Assam.

Janasanyog/D/255/21

**MISSING INFORMATION**



The above is photograph of Mrs Arpita Das (21 Years ) W/O Sri Dilip Shidha, Vill. Tangla Pujakhala (Sahapara). P.S. Tangla, Dist. Udalguri who has been missing since 18/03/2021 from her home.

This refers to Tangla PS GDE No- 382 Dtd. 18/03/2021 and this office Man Missing Register Entry No. 47 Dtd, 24/03/2021.

**Descriptive Roll of the Missing Person:**

| | |
|---|---|
| 1. Complexion | - Swarthy |
| 2. Age | - 21 Years |
| 3. Height | - 4.6 Feet |
| 4. Built | - Medium |
| 5. L/known | - Bengali |
| 6. Wearing apparel | - Red colour Saree |
| 7. I/Mark | - One cut mark on her left Arm |

All efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action: 8134852559/9859427622 (Cell phone).

Sd/-
Superintendent of Police,
Udalguri, Assam.

Janasanyog/D/237/21

**MISSING INFORMATION**



The above is photograph of Smti Hainasree Swargiary (25 Years), W/O Sri Jungdaw Swargiary, vill- Dhupguri, P.S.: Udalguri, Dist. Udalguri who has been missing since 09/03/2021 from Dhupguri.

This refers to Udalguri PS GDE No.- 431 Dtd. 17/03/2021 and this office Man Missing Register Entry No. 40 Dtd. 20/03/2021.

**Descriptive Roll of the Missing Person:**

| | |
|---|---|
| 1. Complexion | - Fair |
| 2. Age | - 25 Years |
| 3. Height | - 4.6 Feet |
| 4. Built | - Medium |
| 5. L/known | - Assamese/Hindi & Bodo |

All efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action: 8134852559/9859427622 (Cell phone).

Sd/-
Superintendent of Police,
Udalguri, Assam.

Janasanyog/D/208/21

দৈনিক অগ্ৰদূত

গুৱাহাটী, ৬ মে', ২০২১ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

### এ এছ ডিতকৈ ভাল ফলাফল লাভ কৰিলে এপিএইছএলচিয়ে

## পাহাৰত নতুন আঞ্চলিক শক্তিৰ উত্থান

**বিশেষ সংবাদদাতা**

**ডিফু, ৫ মে' ঃ** সদ্য ঘোষিত অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ ফলাফলত পাৰ্বত্য জিলাখনত এটি নতুন আঞ্চলিক দলৰ চমকপ্ৰদ উত্থানে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। আশীৰ দশকত আত্মপ্ৰকাশ কৰা স্থানীয় আঞ্চলিক দল এএছডিচিৰ জনসমৰ্থন ক্ৰমশঃ হেৰাই যোৱাৰ সময়ত এইবাৰৰ নিৰ্বাচনত উত্থান ঘটিল এপিএইছএলচি নামৰ এই নতুন আঞ্চলিক দলৰ। এইবাৰৰ নিৰ্বাচনৰ ফলাফলত কাৰ্বি আংলঙৰ চাৰিখন আসনতেই বিজেপি আৰু কংগ্ৰেছৰ পাছত তৃতীয় স্থানত আছে এই নতুন দলখন। আনকি ডিফুত দ্বিতীয় স্থানত থকা কংগ্ৰেছৰ মুঠ প্ৰাপ্ত ভোটৰ কাষ চাপি আহিছিল ছয় পৃষ্ঠাত চাওক

## নগাঁৱৰ নতুন বজাৰ, পানীগাঁও চাৰিআলি-ছয়আলি ডিমৰুগুৰিত হাহাকাৰ

# কৰ'নাৰ বাবে বিপৰ্যস্ত পদপথৰ ব্যৱসায়ী

**বিশেষ সংবাদদাতা**

**নগাঁও, ৫ মে' ঃ** বিগত বৰ্ষটোত অতিমাৰী কৰ'নাৰ ভয়াৱহ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত দেশজুৰি বলৱৎ হোৱা দীঘলীয়া তলাবন্ধৰ ফলত বিপৰ্যস্ত হৈ পৰিছিল নগাঁও চহৰৰ পথৰ ব্যৱসায়ীসকলৰ জীৱন। এমুঠি ভাত আৰু এডোখৰ কাপোৰৰ বাবে জীৱন সংগ্ৰাম চলাই থকা এই পথৰ ব্যৱসায়ীসকলৰ জীৱনলৈ পুনৰ নামি আহিছে চৰম দুৰ্যোগ। শেহতীয়াকৈ ক'ভিড-১৯ৰ ভয়ংকৰ সংক্ৰমণৰ ফলত ৰাজ্য চৰকাৰে আজিৰে পৰা ৰাজ্যখনত বিয়লি দুই বজাৰ পৰা সকলোবোৰ (ঔষধালয় বাদ দি) ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ ৰখাৰ নিৰ্দেশ দিয়াৰ লগতে সন্ধিয়া ছয় বজাৰ পৰা পুৱা পাঁচ বজা পৰ্যন্ত সান্ধ্য আইন বলৱৎ কৰিছে। চৰকাৰৰ জনহিতকৰ এই সিদ্ধান্তক নগাঁৱৰ পথৰ ব্যৱসায়ীসকলে মানি চলিছে যদিও ইয়াৰ ফলত তেওঁলোক ভীষণ সমস্যাৰো সন্মুখীন হ'বলগীয়া হৈছে। ইয়াৰ অন্যতম কাৰণ নগাঁও চহৰৰ অধিকাংশ পথৰ দোকানেই বিয়লিৰ পৰা সন্ধিয়া পৰ্যন্ত বহে। চহৰখনৰ নতুন বজাৰ, পানীগাঁও চাৰিআলি, পানীগাঁও ছয়আলি, ডিমৰুগুৰি, হয়বৰগাঁও থানাৰ সন্মুখৰ গোপীনাথ বৰদলৈ উদ্যানৰ কাষত, লক্ষীনগৰ চাৰিআলি, ধিং গেট, নেহৰুবালি আদিত পথৰ দাঁতিত পাচলিৰ অস্থায়ী বজাৰসমূহ নিতৌ বিয়লি তিনি বজাৰ পৰা সন্ধিয়া পৰ্যন্ত বহে। মাত্ৰ চাৰি-পাঁচ ঘণ্টা ছয় পৃষ্ঠাত চাওক



মুছলপুৰত বিদ্যুৎ বিভাগে অস্বাভাৱিক বিল প্ৰেৰণৰ প্ৰতিবাদ গ্ৰাহকৰ, বুধবাৰে।

## হিমন্ত বিশ্বক মুখ্যমন্ত্ৰী পদত সমৰ্থন দি অতুল বৰালৈ পত্ৰ ৰেণুপমাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৫ মে' ঃ** আজি অগপৰ জ্যেষ্ঠ নেত্ৰী তথা টীয়কৰ বিধায়িকা ৰেণুপমা ৰাজখোৱাই ৰাজ্যৰ পৰৱৰ্তী মুখ্যমন্ত্ৰীৰূপে ড° হিমন্ত বিশ্ব শৰ্মাক সমৰ্থন দিব লাগে বুলি দলৰ সভাপতি অতুল বৰালৈ এক পত্ৰ প্ৰেৰণ কৰিছে। বিজেপিৰ আভ্যন্তৰীণ বিষয় এটাক লৈ অগপৰ জ্যেষ্ঠ নেত্ৰীগৰাকীৰ এই ভূমিকাই স্বাভাৱিকতে ৰহস্যৰ সৃষ্টি কৰিছে। কোনো বিজেপিৰ নিৰ্বাচিত বিধায়কসকলৰ সিদ্ধান্তৰ ভিত্তিত দলৰ সংসদীয় পৰিষদেহে এই সিদ্ধান্ত গ্ৰহণ কৰিব বুলি দলৰ সভাপতি ৰঞ্জিত দাসে ঘোষণা কৰিছে। এই লৈ দলৰ বাহিৰে-ভিতৰে চৰ্চা অব্যাহত থকাৰ সময়তে অগপৰ জ্যেষ্ঠ নেত্ৰীগৰাকীয়ে এই পত্ৰ দলৰ সভাপতিলৈ কিয় দিবলগীয়া হ'ল তাক লৈ বিভিন্ন প্ৰশ্ন উত্থাপিত হৈছে। সততে বিতৰ্কৰ পৰা আঁতৰত থকা আৰু শাৰীৰিকভাৱে কিছু অসুস্থ হৈ থকা ৰাজখোৱাই এই পত্ৰ নিজে লিখিছে নে আন কাৰোবাৰ প্ৰৰোচনা অথবা হেঁচাত লিখিছে, সেই লৈও প্ৰশ্ন উত্থাপন হৈছে। অগপৰ ছয় পৃষ্ঠাত চাওক

### মুছলপুৰত বিদ্যুৎ বিভাগৰ আজৱ কাণ্ড

## দুমাহত বিল আহিল পাঁচ লাখ টকা

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ৫ মে' ঃ** ৰাজ্যত প্ৰায় প্ৰতিদিনে বিদ্যুতৰ সঘন লুকা-ভাকু চলি থকাৰ সময়তে পোহৰলৈ আহিছে আন এক আজৱ ঘটনা। একেখন গাঁৱৰে প্ৰায় প্ৰতিটো পৰিয়ালৰে বিদ্যুৎ মাচুল আহিল ২০-৩০ হেজাৰ পৰা চাৰি-পাঁচ লাখ টকা। এই আজৱ ঘটনা সংঘটিত হৈছে বাগ্‌সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী বন-অহোপা গাঁৱত। কৃষিজীৱী গাঁওখনৰ প্ৰায় ৯৯ শতাংশ ছয় পৃষ্ঠাত চাওক

## কেন্দ্ৰীয় চৰকাৰৰ প্ৰতাৰণাৰ বলি উত্তৰ-পূৰ্বাঞ্চলৰ আই টি ভি-ৱাটচ কৰ্মীসকল

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ৫ মে' ঃ** সমগ্ৰ অসমৰ ৩০ হেজাৰ প্ৰশিক্ষণপ্ৰাপ্ত আই টি ভি-ৱাটচ কৰ্মীয়ে কেন্দ্ৰীয় চৰকাৰৰ প্ৰৱঞ্চনাৰ বলি হৈ বিগত ৫৮ বছৰে শোষিত হৈ আছে। ১৯৬২ৰ চীন-ভাৰতৰ যুদ্ধৰ সময়ত উক্ত ৩০ হেজাৰ আই টি ভি-ৱাটচ কৰ্মীক সশস্ত্ৰ প্ৰশিক্ষণ দিছিল। তেওঁলোকক নাম দিয়া হৈছিল গাঁৱলীয়া অবিশ্ৰান্ত প্ৰশিক্ষিত দক্ষ সেনা বাহিনী। দেশৰ অখণ্ডতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে তেওঁলোকক সশস্ত্ৰ গৰিলা প্ৰশিক্ষণো দি কে'বামাহ সীমান্তত প্ৰহৰী হিচাপে ৰাখিছিল। কিন্তু পৰৱৰ্তী সময়ত কেন্দ্ৰীয় চৰকাৰে প্ৰশিক্ষণপ্ৰাপ্ত যুৱকসকলক চৰকাৰীভাৱে নিযুক্তি নিদি চৰম প্ৰতাৰণা কৰা বুলি অভিযোগ উঠিছে। অসম ৰাজ্যিক গাঁৱলীয়া অবিশ্ৰান্ত প্ৰশিক্ষিত দক্ষ সেনা বাহিনীৰ সভাপতি গুণধৰ উজিৰ আৰু সম্পাদক ৰোহিনী নাথৰ নেতৃত্বত বিগত সময়ত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছিল। পিছে বাৰ্ধক্যজনিত কাৰণত বহুকেইজন ৱাটচ কৰ্মীৰ মৃত্যু হ'ল যদিও বাকীসকলৰো বয়সো প্ৰায় ভাটি দিছে। তথাপিও ইহসংসাৰত থকাসকলে সংগ্ৰাম অব্যাহত ৰাখিছে। সংস্থাটোৰ সম্পাদক ৰোহিনী নাথে জনোৱা মতে, ভাৰত ৰাষ্ট্ৰৰ অখণ্ডতাৰ স্বাৰ্থত নিজৰ প্ৰাণ দিবলৈও প্ৰতিগৰাকী আই টিভি-ৱাটচ কৰ্মী প্ৰস্তুত আছিল। সংস্থাটোৰ প্ৰতিগৰাকী কৰ্মীৰ সশস্ত্ৰ প্ৰশিক্ষণ থকা সত্ত্বেও নিজৰ দাবী পূৰণৰ ক্ষেত্ৰত তেওঁলোকে আজিলৈ অহিংসা পথৰহে ছয় পৃষ্ঠাত চাওক

### চামগুৰিত ২৩ টা গৰুভৰ্তি ট্ৰাকসহ তিনিজনক গ্ৰেপ্তাৰ

## নৈশ সান্ধ্য আইনৰ মাজতে অব্যাহত গৰুৰ চোৰাং সৰবৰাহ

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ৫ মে' ঃ** জটিল ৰূপ ধাৰণ কৰা ক'ভিড-১৯ৰ সংক্ৰমণ ৰুধিবলৈ ৰাজ্যত নৈশ সান্ধ্য আইন বলৱৎ থকা সুযোগ গ্ৰহণ কৰি অব্যাহত আছে গৰুৰ চোৰাং সৰবৰাহ। যোৱা নিশা চামগুৰি আৰক্ষীয়ে চোৰাং গৰু কঢ়িওৱা ট্ৰাকসহ তিনিজন চোৰাং গৰু ব্যৱসায়ীক আটক কৰে। চামগুৰি আৰক্ষী ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত তালাচী চলাই এ এছ-০২ চি চি-৩৫৩৯ নম্বৰৰ ট্ৰাকখন জব্দ কৰে। তিৰপালেৰে সাধাৰণ মালবস্তু কঢ়িয়াই অনা সামগ্ৰীৰ দৰে আৱৰি অনা ট্ৰাকখনৰ পৰা আৰক্ষীয়ে ২৩ টাকৈ গৰু জব্দ কৰে। জব্দ কৰা গৰুসমূহৰ কোনো বৈধ নথিপত্ৰ নাছিল। আনহাতে, নিশা ৮-৩০ বজাত জব্দ কৰা চোৰাং গৰুসহ ট্ৰাকখনৰ লগতে তিনিজনকৈ চোৰাং গৰুৰ ব্যৱসায়ীকো আটক কৰে। ধৃত গৰু ব্যৱসায়ীকেইজন ক্ৰমে চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত ভগামুৰৰ প্ৰয়াত আব্দুল হামিদৰ পুত্ৰ হাছেন আলী (৩৬), ৰূপহীহাটৰ জিউমাৰীৰ প্ৰয়াত ইনতাজ আলীৰ পুত্ৰ মহম্মদ আলাউদ্দিন (৩৪) আৰু আব্বাছ আলীৰ পুত্ৰ আজিজুল হক (৩০)। আৰক্ষী সদৰী কৰা মতে, জব্দ কৰা গৰুসমূহ ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত কাৰৈমাৰীৰ পৰা মেঘালয়ৰ যোৱাবাটলৈ সৰবৰাহৰ চেষ্টা চলাইছিল চোৰাং গৰুৰ ব্যৱসায়ী চক্ৰটোৱে। তথ্য ছয় পৃষ্ঠাত চাওক

## বাগ্‌সাৰ টুকুৰাকুছিত ড্ৰাগছসহ ধৃত চাৰি যুৱক



**অগ্ৰদূত বাৰ্তা**

**জালাহ/শালবাৰী, ৫ মে' ঃ** বাগ্‌সা জিলাৰ শিমলা থানাৰ অন্তৰ্গত টুকুৰাকুছিত যোৱা নিশা এক উত্তেজনাপূৰ্ণ ঘটনা সংঘটিত হয়। টুকুৰাকুছিত ড্ৰাগছ আসক্ত চাৰি যুৱকক ৰাইজে উত্তম-মধ্যম দি পাছত শিমলা থানাৰ আৰক্ষীক গতাই দিয়ে। ধৃত যুৱক চাৰিজন হ'ল ক্ৰমে মৃদুল বড়ো (২৬), আঙুলীয়া (বগৰিবাৰী), উত্তৰণ জহলাও (৩০), শিলবাৰী (দংপাৰ), অনুপ দাস (২১), ফুলগুৰী আৰু নয়ন দাস (৩০), ফুলগুৰী। ৰাইজ আৰু আৰক্ষীয়ে যুৱককেইজনৰ পৰা বৃহৎ পৰিমাণৰ ড্ৰাগছ আৰু চিৰিঞ্জ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আনহাতে, আৰক্ষীয়ে যুৱককেইজনে ব্যৱহাৰ কৰা এ-এছ ০১ ডিটি-২৮৪৯ নম্বৰৰ এখন বিলাসী বাহনো জব্দ কৰে। সম্প্ৰতি শিমলা আৰক্ষীয়ে যুৱক চাৰিজনক জিম্মাত ৰাখি জেৰা অব্যাহত ৰাখিছে।

## নতুন নীতি-নিৰ্দেশনা বলৱৎ কৰিবলৈ প্ৰশাসন সষ্টম

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৫ মে' ঃ** আন ঠাইৰ লগতে যোৰহাট জিলাতো আজিৰে পৰা বলৱৎ হৈছে ক'ভিড সম্পৰ্কীয় ৰাজ্য চৰকাৰে জাৰি কৰা নতুন নীতি-নিৰ্দেশনা। দিনৰ দুই বজাৰ লগে লগে নগৰৰ দোকান-বজাৰসমূহ বন্ধ কৰিবলৈ ওলাই আহে প্ৰশাসনৰ লোক। জিলা প্ৰশাসনৰ একাধিক দল আৰক্ষীসহ বিভিন্ন স্থানত উপস্থিত হৈ দুই বজাৰ পাছতো খোলা ৰখা দোকানসমূহ বন্ধ কৰিবলৈ বাধ্য কৰায়। চৰকাৰী নিৰ্দেশনা অমান্য কৰি খোলা ৰখা দোকানসমূহৰ ওপৰত আজি প্ৰথম দিনা শাস্তিমূলক ব্যৱস্থা লোৱাৰ পৰা বিৰত থাকে যদিও কাইলৈৰ পৰা কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সকীয়াই দিয়ে অতিৰিক্ত উপায়ুক্ত দামোদৰ বৰ্মনে। দোকানসমূহ বন্ধ হৈ পৰে যদিও ব্যক্তিগত আৰু বাণিজ্যিক বাহনসমূহ চলাচল কৰি থাকে। ইপিনে, আজি পুৱাতে নগৰত অভাৱনীয় ভিৰ পৰিলক্ষিত হয়। পুৱা ১০ বজাৰ পৰা এক বজা পৰ্যন্ত নগৰত বিহু বজাৰত লগা ভিৰ সদৃশ পৰিৱেশ হয়।

### তীব্ৰ অৰ্থ সংকটৰ সন্মুখীন ক্ষুদ্ৰ ব্যৱসায়ী, ৰিক্সাচালক

## কৰ'নাই সলনি কৰিলে প্ৰাত্যহিক জীৱন ধাৰণৰ গতি

■ **কিশোৰ কুমাৰ কলিতা**

**নলবাৰী, ৫ মে' ঃ** সম্প্ৰতি কৰ'না মহামাৰীয়ে মানুহৰ জীৱন ধাৰণৰ গতি সলনি কৰিছে। কৰ'না মহামাৰী প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগৰ পৰামৰ্শ অনুসৰি অৰ্ধাংশ তলাবন্ধ আৰু নৈশ সাধ্য আইনে জনসাধাৰণৰ উপৰি ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ ওপৰত প্ৰচণ্ড মাধমাৰ শোধোৱাৰ উপক্ৰম হৈছে। মানুহে খাই জীয়াই থাকিব নে কৰ'নাত মৰিব তাক লৈ ডাঙৰ প্ৰত্যাহ্বান আহি পৰিছে। কালিৰ দিনটোলৈকে কিছু শিথিল পৰিৱেশ আছিল যদিও আজিৰে পৰা জাৰি কৰা ক'ভিড নিয়ম



আৰু নৈশ সান্ধ্য আইনৰ নিৰ্দেশনাই ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ জীৱনলৈ অশনি সংকেত কঢ়িয়াই আনিছে। লক্ষ্যণীয়ভাৱে কৰ'না মহামাৰীৰ গণসংক্ৰমণ ৰোধ কৰাৰ উদ্দেশ্যে চৰকাৰে জাৰি কৰা নিৰ্দেশনা নামানিলেও বিপদ আনফালে মানিলেও পৰিয়ালটোৰ ভৰণ-পোষণৰ তীব্ৰ প্ৰত্যাহ্বান। কি কৰিব তাকে লৈ সম্প্ৰতি ক্ষুদ্ৰ ব্যৱসায়ী, ঠেলাৱালা, ৰিক্সাৱালা, দিন মজুৰসকলৰ ছয় পৃষ্ঠাত চাওক

## নলবাৰীত ড্ৰাগছসহ দুজনক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৫ মে' ঃ** কৰ'না অতিমাৰীৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ঘোষণা কৰা সান্ধ্য আইনৰ সুযোগ লৈ একাংশ অসাধু ব্যৱসায়ীয়ে অবাধ গতিত ড্ৰাগছৰ বেহা আৰু সৰবৰাহ অব্যাহত ছয় পৃষ্ঠাত চাওক

## বৰমাত যৌন নিৰ্যাতনৰ বলি ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী

**বৰমা, ৫ মে' ঃ** বাগ্‌সা জিলাৰ বৰমাত ষষ্ঠ শ্ৰেণীৰ এগৰাকী কিশোৰী 'অন্তঃসত্ত্বা' হোৱা ঘটনাই জোঁকাৰি গৈছে অঞ্চলটো। তথ্য অনুসৰি, বৰমা আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ কালজাৰ গাঁৱৰ এগৰাকী ৫০ উৰ্ধ্বৰ পুৰুষৰ কামনাৰ বলি হয় ষষ্ঠ শ্ৰেণীৰ অতি গৰীৱ পৰিয়ালৰ কিশোৰীগৰাকী। কালজাৰ গাঁৱৰ ৰজত ৰাভা নামৰ লোকজনে ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি ভয়-ভাবুকিৰে যৌন নিৰ্যাতন চলাইছিল একে গাঁৱৰে কিশোৰীগৰাকীক। অৱশেষত সাত ছয় পৃষ্ঠাত চাওক

## কাৰ্লমাৰ্ক্সৰ ২০৩ সংখ্যক জন্মজয়ন্তী পালন

### অসম মজুৰি শ্ৰমিক ইউনিয়নৰ নতুন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**ধিং, ৫ মে' ঃ** কাৰ্লমাৰ্ক্সৰ ২০৩ সংখ্যক জন্মবাৰ্ষিকী আজি সংখ্যালঘু গণতান্ত্ৰিক যুৱ ফেডাৰেছনৰ কেন্দ্ৰীয় কাৰ্যালয় বটদ্ৰৱাৰ বাটমাৰিত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে শ্ৰমজীৱী দুখীয়া ৰাইজৰ আন্দোলনত মাৰ্ক্সবাদৰ প্ৰয়োজনীয়তা সম্পৰ্কে এক আলোচনাচক্ৰ অনুষ্ঠিত হয়। সমাজসেৱক ৰঞ্জক খন্দকাৰৰ সভাপতিত্বত অনুষ্ঠিত আলোচনাৰ মূল বিষয়বস্তুৰ ওপৰত আলোচনা আগবঢ়ায় চিপিআইএমৰ পলিটব্যুৰ' সদস্য তথা সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ ৰাজ্যিক সম্পাদক অৰূপ কুমাৰ মহন্ত, সংখ্যালঘু গণতান্ত্ৰিক যুৱ-ছাত্ৰ ফেডাৰেছনৰ সভাপতি মুস্তাফা ছালিম আহমেদ, সম্পাদক আশ্বাদুল হক চৌধুৰী, গ্ৰামীণ শ্ৰমিক সন্থাৰ মাধৱ চন্দ্ৰ বৰা, সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ নগাঁও জিলা সম্পাদিকা আয়েফা বেগমে। উক্ত আলোচনাচক্ৰত আলোচকসকলে কয় যে দেশৰ জনগণৰ ভৱিষ্যৎ মোদী চৰকাৰৰ দিনত অন্ধকাৰাচ্ছন্ন হৈ পৰিছে। ফেচীবাদৰ কৰাল গ্ৰাসৰ পৰা জনগণক মুক্ত কৰা অসমৰ নতুন চৰকাৰক মাইক্ৰ'ফাইনেন্সকে আদি কৰি নিৰ্বাচনত দুখীয়া ৰাইজৰ পক্ষে ঘোষণা কৰা আঁচনিসমূহ ৰূপায়ণৰ হেঁচা প্ৰয়োগ কৰা আৰু সাধাৰণ ৰাইজৰ ছয় পৃষ্ঠাত চাওক

## মৰিগাঁও-তেজপুৰত প্ৰচণ্ড ধুমুহাত বিস্তৰ ক্ষতিসাধন, ব্যাহত বিদ্যুৎ সেৱা



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ/মৰিগাঁও, ৫ মে' ঃ** বতৰ বিজ্ঞান কেন্দ্ৰৰ আগতীয়া সতৰ্কবাণী অনুসৰিয়েই আজি বিয়লি তেজপুৰত বলা ধুমুহাই বিভিন্ন অঞ্চলত বিস্তৰ ক্ষতি কৰিছে। ঘণ্টাত ৩০-৪০ কিলোমিটাৰ বেগত বলা ধুমুহা-বৰষুণত অঞ্চলৰ পৰিয়ালৰ বৈদ্যুতিক সামগ্ৰী বিনষ্ট হোৱাৰ উপৰি বিভিন্ন গছ-গছনি ভাঙি পৰে। তেজপুৰৰ দৰ্পবতীয়া মইনা চুবুৰিৰ লীলা বৰাৰ ঘৰৰ টিনপাত উৰুৱাই নিয়াৰ লগতে অঞ্চলটোৰ বিনয় বৰাৰ ভঁৰাল ঘৰৰ ক্ষতিসাধন কৰে। একেদৰে তুলেশ্বৰ বৰাৰ বাসগৃহও ধ্বংস হয় ধুমুহাত। তদুপৰি অঞ্চলটোত বিদ্যুৎ বিভাগৰ খুঁটা ভাঙি পৰাৰ লগতে তাঁৰ ছিঙি পৰে। আনহাতে, হেংগুলেশ্বৰ মন্দিৰৰ কাষত বিদ্যুৎ খুঁটা আৰু গছ ভাঙি পৰা এই ধুমুহাজাকৰ প্ৰভাৱ বেছেৰীয়া, ডেকাৰগাঁও, মাজগাঁও, নপাম, পৰোৱা, পাঁচমাইল, বৰগুৰি, ভালুকঝাৰণি, হলেশ্বৰ আদি অঞ্চলতো পৰে। পৰোৱাকে ধৰি বৰগুৰি, ভালুকঝাৰণি আদি অঞ্চলতো বহুসংখ্যক গছ-গছনি ভঙাৰ লগতে পৰোৱাত কে'বাটাও বাসগৃহৰ ক্ষতিসাধন হৈছে। বহুসংখ্যক তামোল গছকে ধৰি ৰবি শস্যৰ বিস্তৰ ক্ষতি কৰা এই ধুমুহাজাকৰ পাছত তেজপুৰৰ বিভিন্ন স্থানত বিদ্যুৎ সেৱা ব্যাহত হৈ আছে। আজি দিনৰ ভাগত অহা এজাক প্ৰচণ্ড ধুমুহাই জোঁকাৰি গ'ল সমগ্ৰ মৰিগাঁও জিলা। জিলাখনৰ বিভিন্ন ঘাইপথত ছয় পৃষ্ঠাত চাওক

### সোঁতৰ বিপৰীতে



## ৰাজহুৱা স্থান, যাত্ৰীবাহী যানবাহন ছেনিটাইজ কৰাৰ দাবী আছুৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৫ মে' ঃ** ক্ৰমশঃ জটিল আৰু ভয়াৱহ ৰূপ ধাৰণ কৰি অতিমাৰী ক'ভিড-১৯এ যোৰহাটত অতি শংকাপূৰ্ণ পৰিৱেশ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই জিলাখনৰ সমূহ ৰাজহুৱা স্থান, জনসমাগম হোৱা প্ৰতিটো স্থান, যাত্ৰীবাহী সমূহ ভাড়াতীয়া যানবাহন আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ ছেনিটাইজ কৰাৰ দাবীত আজি সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰে। সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি বিজয় শংকৰ বৰদলৈয়ে কয় যে জিলা প্ৰশাসনে উদ্যোগ লৈ ৰাজহুৱা স্থানকে ধৰি নসমাগম হোৱা স্থানসমূহ চিনাক্তকৰণ কৰি সঘনাই ছেনিটাইজ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তাৰ লগে লগে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ তথা যাত্ৰীবাহী ভাড়াতীয়া যানবাহনসমূহৰ গৰাকীসমূহে অতি শীঘ্ৰে যানবাহন আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ ছেনিটাইজ কৰি নিজৰ লগতে আনৰ জীৱনকো মহামাৰীৰ পৰা ৰক্ষা কৰিবলৈ ছাত্ৰ নেতাজনে আহ্বান জনাইছে। অনুৰূপ দাবী জনাইছে অসম ছয় পৃষ্ঠাত চাওক

## ভাস্কৰ্য্য শিল্পী বিশ্ববসু বৈশ্যৰ দুৰ্ঘটনাত মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ৫ মে' ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী থানাৰ অন্তৰ্গত সৰপাৰাৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত সৰপাৰাৰ প্ৰসিদ্ধ ভাস্কৰ্য শিল্পী বিশ্ববসু বৈশ্য থিতাতে নিহত হয়। দুপৰীয়া বজাৰৰ পৰা ঘৰলৈ বুলি চাইকেলেৰে গৈ থকা অৱস্থাত এ এছ-০১ জে চি-৮৮৭৯ নম্বৰৰ যাত্ৰীবাহী আল্ট্ৰা বাছখনে পিছফালৰ পৰা তীব্ৰ জোৰত খুন্দা মাৰে বৈশ্যক। ফলত থিতাতে নিহত হয় শিল্পীজন। এই শোকাৱহ ঘটনাই দক্ষিণ কামৰূপ অঞ্চলত শোকৰ ছাঁ পেলাইছে। ভাস্কৰ্য শিল্পী বৈশ্য সৰপাৰা দেউৰীয়াপাৰা ৰাইজৰ সম্পাদক, পূব সৰপাৰা লক্ষ্মী পূজা সমিতিৰ সম্পাদক, জাতীয় বিদ্যালয় সৰপাৰাৰ প্ৰতিষ্ঠাপক তথা অধ্যক্ষৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত থাকি নিষ্ঠা সহকাৰে সেৱা আগবঢ়াইছিল। মৃত্যুৰ সময়ত ছয় পৃষ্ঠাত চাওক

## পিতৃহাৰা হ'ল অভিনেত্ৰী আশা বৰদলৈ



**বিশেষ সংবাদদাতা**

**নগাঁও, ৫ মে' ঃ** কভিড-১৯ৰ এই ভয়াৱহ সময়খিনিতে আজি পিতৃহাৰা হ'ল অসমীয়া ছবিৰ বিশিষ্ট অভিনেত্ৰী আশা বৰদলৈ। নগাঁও চহৰৰ সমীপৱৰ্তী বঢ়মপুৰ নিবাসী তথা অসম চৰকাৰৰ আৰক্ষী বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া যোগেন্দ্ৰ নাথ বৰদলৈ (৮০)ৰ আজি দুপৰীয়া ১২ বজাত বাৰ্ধক্যজনিত কাৰণত নিজ গৃহত মৃত্যু হয়। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত হৈ থকা বৰদলৈৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। অসংখ্য গুণমুগ্ধই তেওঁৰ বাসগৃহত উপস্থিত হৈ অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অভিনেত্ৰী আশা বৰদলৈৰ পিতৃৰ বিয়োগত ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ দাস, মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, বিধায়ক জিতু গোস্বামীৰ উপৰি ৰাজ্যখনৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ বহু সংখ্যক গণ্যমান্য ব্যক্তি, শিল্পী, কলা-কুশলী, অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

## ৰিতুল শইকীয়াৰ মুক্তি বিচাৰি আলফা (স্বাঃ)লৈ আহ্বান অ'এন জি চি বিষয়া সংস্থাৰ



**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ৫ মে' ঃ** অ'এনজিচিৰ অসম সম্পদৰ লাকুৱা তৈলক্ষেত্ৰৰ ৰোমানিয়ান ১০০-৩ নম্বৰ ৰৰ্ক অভাৰ ৰীগত কৰ্মৰত কৰ্মচাৰী ৰিতুল শইকীয়াক অপহৰকাৰীৰ হাতৰ পৰা উদ্ধাৰ এই পৰ্যন্ত ধুঁৱলী-কুঁৱলী হৈ ৰৈছে। তিনিজনকৈ কৰ্মচাৰীক কৰ্মস্থলীৰ পৰাই হিন্দী চিনেমাৰ কায়দাৰে যোৱা ২১ এপ্ৰিলৰ পুৱতি নিশা অপহৰণ কৰি নিয়াৰ পাছতো চুবুৰীয়া ৰাজ্যৰ ঘন অৰণ্যত প্ৰৱেশ কৰোৱাৰ পাছত সেনাবাহিনীৰ সহায় লৈ অসম ৰাইফল, নগালেণ্ড আৰক্ষীয়ে আলফা (স্বা)ৰ দলৰে গুলীয়াগুলিৰ মাজত তিনি অপহৃতৰ দুজন ক্ৰমে অলকেশ শইকীয়া আৰু মোহিনী মোহন গগৈক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। নগালেণ্ডৰ মন জিলাত যোৱা ২৩ এপ্ৰিলত সংঘটিত এই ঘটনাৰ সময়ত ৰিতুল শইকীয়াও উপস্থিত থকা বুলি উদ্ধাৰ হোৱা অ'এনজিচিৰ সতীৰ্থ ছয় পৃষ্ঠাত চাওক

## ক'ভিডৰ নতুন নিৰ্দেশনাৰ কোকৰাঝাৰতো সৰ্বাত্মক প্ৰভাৱ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৫ মে' ঃ** ৰাজ্যত ভয়াৱহ ৰূপ ধাৰণ কৰা ক'ভিড-১৯ৰ দ্ৰুত সংক্ৰমণক প্ৰতিৰোধ কৰিবলৈ অসম চৰকাৰে আজিৰে পৰা অনিৰ্দিষ্ট কাললৈ প্ৰযোজ্য হ'বলগীয়া নতুন ক'ভিড নিৰ্দেশনা অনুসৰি দিনৰ দুই বজাত বিটিআৰৰ সদৰ কোকৰাঝাৰ চহৰতো দোকান-পোহাৰ, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু কাৰ্যালয় বন্ধ হৈ পৰে। ফলত দুই বজাৰ লগে লগে ৰাজ্যৰ আন জিলাৰ দৰে বিটিআৰৰ কোকৰাঝাৰতো বজাৰ, দোকান-পোহাৰ আৰু ৰেষ্টুৰেণ্ট আদি বন্ধ হৈ পৰে। প্ৰশাসনেও আজি চহৰত মাইকযোগে এনে নিয়ম কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। ইফালে, কোকৰাঝাৰ ব্যৱসায়ী সন্থাৰ উপ-সভাপতি তথা সমাজকৰ্মী ভৰত শৰ্মাই আজিৰে পৰা ৰাজ্যত ক'ভিড-১৯ৰ নতুন নীতি প্ৰযোজ্যক লৈ আদৰণি জনাই চৰকাৰে ৰাইজৰ জীৱন ৰক্ষা কৰিবলৈ লোৱা সিদ্ধান্তক সময়োপযোগী সঠিক সিদ্ধান্ত বুলি কয়। উল্লেখ্য যে কোকৰাঝাৰ চহৰত আজি সন্ধিয়া ছয় বজাত আৰম্ভ হোৱা সান্ধ্য আইনৰ ব্যাপক প্ৰভাৱ পৰাত চহৰখনত এক নিমাওমাও পৰিৱেশ পৰিলক্ষিত হয়।

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ২২ ব'হাগ ১৪২৮ভাস্কৰাব্দ ৬ মে' ২০২১

## বৈদেশিক সাহায্য

ভাৰতত কৰ'না মহামাৰীৰ দ্বিতীয় লহৰে অতি ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। প্ৰতিদিনে কৰ'নাত প্ৰায় চাৰি লাখ আক্ৰান্ত হৈছে। দৈনিক কৰ'না আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যাও প্ৰায় চাৰি হেজাৰ হৈছেগৈ। ইতিমধ্যে ভাৰতত মুঠ কৰ'না ৰোগীৰ সংখ্যা দুই কোটিৰো অধিক হৈছে। যোৱা বছৰ ১৯ ডিচেম্বৰত ভাৰতৰ কৰ'না আক্ৰান্ত ৰোগীৰ সংখ্যা এক কোটি হৈছিল; কিন্তু যোৱা ১৯ এপ্ৰিলত ভাৰতৰ কৰ'না আক্ৰান্তৰ সংখ্যা হ'ল এক কোটি ৫০ লাখ। যোৱা ১৫ দিনত ভাৰতত ৫০ লাখ নতুনকৈ কৰ'না আক্ৰান্ত হৈছে বুলি প্ৰকাশ কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে। এইদৰে অত্যধিক সংখ্যক লোক দ্ৰুতভাৱে কৰ'নাত আক্ৰান্ত হোৱাত কৰ'না ৰোগীৰ শুশ্ৰূষা তথা চিকিৎসাৰ ক্ষেত্ৰত কেইখনমান ৰাজ্যত সংকটজনক পৰিস্থিতিয়ে দেখা দিছে। হাস্পতালসমূহত বিছনাৰ অভাৱ, অক্সিজেনৰ অভাৱ, ভেণ্টিলেটৰ, আই চি ইউৰ অভাৱত ভুগিবলগীয়া হৈছে কৰ'নাত আক্ৰান্ত লোকসকল। আনকি বিভিন্ন ৰাজ্যত অক্সিজেনৰ অভাৱত বহু ৰোগীৰ মৃত্যু হোৱাৰ খবৰ প্ৰকাশ পাইছে। কৰ'না মহামাৰীৰ এনে ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হ'বলৈ ভাৰতক সহায়ৰ প্ৰয়োজন হৈছে। সৌভাগ্যৰ কথা যে এনে দুৰ্যোগৰ সময়ত ভাৰত অকলশৰীয়া হ'বলগীয়া হোৱা নাই। সংকটৰ সময়ত ভাৰতক সহায় কৰিবলৈ আগবাঢ়ি আহিছে বিশ্বৰ সৰু-বৰ বহু দেশ। ইতিমধ্যে ৪০ খন দেশৰ পৰা ভাৰতলৈ বিভিন্ন চিকিৎসা সামগ্ৰী প্ৰেৰণ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন, ৰাছিয়া, চীন, ইউৰোপীয় ইউনিয়নৰ অন্তৰ্ভুক্ত দেশসমূহ, কুৱেইট, আৰব ৰাষ্ট্ৰসমূহকে ধৰি ৪০ খন দেশে বিভিন্ন চিকিৎসা সামগ্ৰী আৰু ঔষধ বিমান আৰু জাহাজেৰে ভাৰতলৈ প্ৰেৰণ কৰিছে। বিশেষকৈ অক্সিজেনৰ চিলিণ্ডাৰ, অক্সিজেন কনচেণ্ট্ৰেটৰ্ছ, লিকুইড মেডিকেল অক্সিজেন (এল এম অ'), লিকুইড মেডিকেল অক্সিজেনৰ টেংকাৰ, ভেণ্টিলেটৰ আৰু আন আন কৰ'না ৰোগৰ চিকিৎসা সামগ্ৰী বৃহৎ পৰিমাণে ভাৰতলৈ প্ৰেৰণ কৰিছে এই দেশসমূহে। উল্লেখ্য যে চীনৰ স'তে সীমান্তত সংঘাত অব্যাহত থকাৰ সময়তে চীন চৰকাৰে ভাৰতক কৰ'নাৰ বিৰুদ্ধে যুঁজ দিবলৈ সাহায্য আগবঢ়াবলৈ আগ্ৰহ প্ৰকাশ কৰাত ভাৰতেও চীনৰ সাহায্য গ্ৰহণ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। আনহাতে, আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰথম অৱস্থাত ভাৰতলৈ সাহায্য আগবঢ়োৱাৰ ক্ষেত্ৰত আগ্ৰহ দেখুওৱা নাছিল। আমেৰিকাত প্ৰবাসী ভাৰতীয় তথা ভাৰতীয় বংশোদ্ভুত আমেৰিকানসকলে ভাৰতলৈ কৰ'না সাহায্য সামগ্ৰী প্ৰেৰণৰ বাবে দাবী উত্থাপন কৰা পৰিলক্ষিত হয়। বিশেষকৈ আমেৰিকাই কৰ'নাৰ প্ৰতিষেধক প্ৰস্তুতৰ বাবে অত্যাৱশ্যকীয় কেঁচা সামগ্ৰী ভাৰতে বিচৰা সত্বেও প্ৰেৰণ কৰা নাছিল। এই কাৰ্যই ভাৰত-আমেৰিকাৰ মাজত থকা বন্ধুত্ব তথা মিত্ৰতাক কেন্দ্ৰ কৰি সন্দেহৰ সৃষ্টি কৰিছিল। অৱশ্যে ৰাষ্ট্ৰপতি জ' বাইডেনে সোনকালে বিষয়টো উপলব্ধি কৰিলে আৰু সকলো ধৰণৰ সাহায্য প্ৰেৰণৰ বাবে তৎপৰতা দেখুওৱা পৰিলক্ষিত হ'ল। এই ক্ষেত্ৰত ৰাষ্ট্ৰপতি বাইডেনক ভাৰতীয় বংশোদ্ভূত আমেৰিকান তথা উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছেও ৰাষ্ট্ৰপতিক সমৰ্থন-সহযোগ কৰিছে। ভাৰত চৰকাৰে ইতিমধ্যে বিভিন্ন ৰাজ্যলৈ বিদেশৰ পৰা অহা চিকিৎসা সামগ্ৰীসমূহ প্ৰেৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। বিদেশৰ পৰা অহা চিকিৎসা সামগ্ৰীসমূহ ইতিমধ্যে দিল্লী, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, পঞ্জাব, ৰাজস্থান, চত্তিছগড়, তামিলনাডু, পশ্চিমবংগ, অসম, কেৰালা আৰু কৰ্ণাটকলৈ প্ৰেৰণ কৰা হৈছে বুলি প্ৰকাশ পাইছে। ৰাজ্যসমূহে কৰ'নাৰ জটিল পৰিস্থিতিৰ সন্মুখীন হোৱাৰ ক্ষেত্ৰত বিদেশৰ পৰা অহা চিকিৎসা সামগ্ৰীসমূহে বহুতো অভাৱ পূৰণ কৰিব বুলি আশা কৰা হৈছে।

বিদেশী সাহায্য কেৱল ভাৰতকেই যে প্ৰয়োজন হৈছে, তেনে নহয়। বিশ্বৰ বিভিন্ন অনগ্ৰসৰ আৰু উন্নয়নশীল ৰাষ্ট্ৰক কৰ'না মহামাৰীৰ বিৰুদ্ধে যুঁজিবলৈ সহায়ৰ প্ৰয়োজন হৈছে। বিশেষকৈ আফ্ৰিকাৰ কিছুমান দেশক এনে সাহায্যৰ প্ৰয়োজন আটাইতকৈ বেছি। ইউৰোপ আৰু চীন দেশে সাহায্যৰ ক্ষেত্ৰত আগভাগ লৈছে। ভাৰতেও যোৱা বছৰ বহু দেশলৈ চিকিৎসা সাহায্য প্ৰেৰণ কৰিছিল। ভাৰতৰ ছেৰাম ইনষ্টিটিউট আৰু ভাৰত বায়'টেকত ক'ভিশ্বিল্ড আৰু ক'ভেক্সিন নামৰ দুবিধ প্ৰতিষেধক উৎপাদন কৰি আছে। ভাৰতৰ দুয়োটা কোম্পানীয়ে ভাৰত চৰকাৰৰ অৰ্থ সাহায্যৰে দিনে-নিশাই বৃহৎ পৰিমাণৰ প্ৰতিষেধক প্ৰস্তুত কৰিছে; কিন্তু ভাৰতক যিমান প্ৰতিষেধকৰ প্ৰয়োজন, সিমান পৰিমাণৰ প্ৰতিষেধক সময়মতে প্ৰস্তুত কৰাটো সহজ নহয়। সেয়ে সময়ৰ প্ৰয়োজন হৈছে। প্ৰতিষেধকৰ বাবে ৰাজ্যসমূহে কিছুদিন অপেক্ষা কৰিবলগীয়াও হৈছে। ইতিমধ্যে ৰাছিয়াৰ স্পুটনিক ভি প্ৰতিষেধক ভাৰত আহি পাইছে। কৰ'না মহামাৰীৰ বিৰুদ্ধে সমগ্ৰ বিশ্বতে যি যুঁজ অব্যাহত আছে, সেই যুঁজত সকলো দেশে ঐক্যবদ্ধভাৱে অৱতীৰ্ণ হোৱাৰ প্ৰয়োজন। কোনো এখন দেশে অকলে এই যুদ্ধত জয়ী হ'ব নোৱাৰে। সেয়ে এই ক্ষেত্ৰত এক আন্তঃৰাষ্ট্ৰীয় সহায়-সহযোগিতাৰ প্ৰয়োজন হৈছে মানৱ জাতিক। এখন দেশতো যদি কৰ'না ভাইৰাছ সক্ৰিয় হৈ থাকি যায়, তেতিয়াও সমগ্ৰ বিশ্বৰ বাবে ভাবুকি আহিব। সেয়ে এখন দেশে আনখন দেশক সহায় অবিহনে কৰ'না যুদ্ধত জয়ী হ'ব পৰা নাযাব। এনে পৰিপ্ৰেক্ষিতত কৰ'নাই মানৱ সমাজক পৰস্পৰে পৰস্পৰক ওচৰ চপাই আনিছে বুলি ক'লেও ভুল কোৱা নহ'ব।

# ২০২১ৰ বিধানসভা নিৰ্বাচনৰ ফলাফলত এভুমুকি আৰু কিছু আনুষংগিক পৰ্যবেক্ষণ



## সোঁতৰ বিপৰীতে চিন্তা

### প্ৰবীণ চৌধুৰী

চাৰিখন ৰাজ্য ক্ৰমে অসম, পশ্চিমবংগ, তামিলনাডু, কেৰালা আৰু কেন্দ্ৰীয় শাসিত অঞ্চল পুডুচেৰীত যোৱা মাৰ্চ আৰু এপ্ৰিলত অনুষ্ঠিত হোৱা বিধানসভা নিৰ্বাচনৰ ফলাফল যোৱা দুই আৰু তিনি মে'ত নিৰ্বাচন আয়োগে ঘোষণা কৰে। অসম, পশ্চিমবংগ আৰু কেৰালাত বিদায়ী চৰকাৰকেইখনে পুনৰ চৰকাৰ গঠনৰ সুযোগ পোৱাৰ বিপৰীতে তামিলনাডু আৰু পুডুচেৰীত শাসনাধিষ্ঠিত চৰকাৰ দুখনে ক্ষমতা হেৰুৱালে।

২৯ এপ্ৰিলত ভোটগ্ৰহণ প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ লগে লগে বিভিন্ন সংস্থাই নিৰ্বাচনৰ সম্ভাব্য ফলাফল সম্পৰ্কে কৰা সমীক্ষাৰ ফলাফল প্ৰকাশ কৰে। প্ৰায় আটাইবোৰ 'এক্‌জিট প'ল'-এ অসমত এন ডি এ, কেৰালাত লেফ্‌ট ডেম'ক্ৰেটিক ফ্ৰন্ট (এল ডি এফ) আৰু তামিলনাডুত ডি এম কে নেতৃত্বাধীন ফ্ৰন্টে চৰকাৰ গঠন কৰিব বুলি পূৰ্বানুমান কৰিছিল। আনহাতে, বিভিন্ন সংস্থাই কৰা অনুমানত কোন দল পশ্চিমবংগত শাসনাধিষ্ঠিত হ'ব, সেই বিষয়ে স্পষ্ট ধাৰণা প্ৰকাশ হোৱা নাছিল। দুটা সংস্থাই তৃণমূল কংগ্ৰেছে আৰু এটা সংস্থাই বিজেপিয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰিব বুলি ভৱিষ্যদ্বাণী কৰিছিল। আন দুটা সংস্থাই তৃণমূল কংগ্ৰেছ আৰু বিজেপিৰ সমান সমান সম্ভাৱনীয়তা আছে বুলি আৰু কোনোবা এটা দলে কাণে কাণ মাৰি সংখ্যাগৰিষ্ঠতা লাভ কৰিব বুলি মতপ্ৰকাশ কৰিছিল। প্ৰতিটো সংস্থাই কংগ্ৰেছ, আই এছ এফ আৰু বাওঁপন্থী দল প্ৰায় নিশ্চিহ্ন হ'ব বুলি ভৱিষ্যদ্বাণী কৰিছিল।

এক্‌জিট প'লৰ ফলাফলে ভোটগ্ৰহণ কেন্দ্ৰৰ পৰা ওলাই অহা ভোটদাতাৰ একাংশৰ ওপৰত চলোৱা সমীক্ষাৰ ভিত্তিত নিৰ্বাচনৰ ফলাফল সম্বন্ধে পূৰ্বানুমান প্ৰকাশ কৰে। ই যিহেতু পূৰ্বানুমানহে, প্ৰকৃত ফলাফল এই অনুমানৰ লগত সম্পূৰ্ণভাৱে মিলি যাব বুলি আশা কৰিব নোৱাৰি। তথাপি ইয়াৰ পৰা নিৰ্বাচনৰ ফলাফল সম্বন্ধে কিছু হ'লেও পূৰ্বাভাস পাব পৰা যায়। এইবাৰ অসম, তামিলনাডু আৰু কেৰালা সম্বন্ধে প্ৰায় আটাইবোৰ সংস্থাৰ এক্‌জিট প'লৰ পূৰ্বানুমান প্ৰকৃত ফলাফলৰ লগত প্ৰায় মিলি গৈছে। পশ্চিমবংগ সম্বন্ধে তিনিটা সংস্থাই কৰা পূৰ্বানুমান একেবাৰেই মিলা নাই। দুটা সংস্থাৰ পূৰ্বানুমান অনুযায়ী শাসনাধিষ্ঠিত তৃণমূল কংগ্ৰেছে তৃতীয়বাৰৰ বাবে পশ্চিমবংগত চৰকাৰ গঠন কৰিবলৈ সুযোগ পাইছে যদিও দলটোৱে দেখুওৱা চমকপ্ৰদ ফলাফল সম্বন্ধে কোনেও পূৰ্বানুমান কৰিব পৰা নাছিল। নিৰ্বাচনী প্ৰচাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু তেওঁৰ সতীৰ্থ মন্ত্ৰী কে'বাগৰাকী, দলৰ ৰাষ্ট্ৰীয় সভাপতি আদিয়ে যি ব্যাপক হাৰত ৰাজ্যখনলৈ ঢাপলি মেলিছিল, তাৰ দ্বাৰা এনে পৰিৱেশৰ সৃষ্টি হৈছিল যেন তৃণমূল কংগ্ৰেছক ক্ষমতাচ্যুত কৰি বিজেপিয়ে পশ্চিমবংগত চৰকাৰ গঠন কৰিব; কিন্তু ২৯৪ আসনযুক্ত বিধানসভাৰ ২৯২ খন আসনৰ বাবে অনুষ্ঠিত হোৱা নিৰ্বাচনত বিজেপিয়ে কেৱল ৭৭ খন আসনত বিজয়ী হ'বলৈ সমৰ্থ হ'ল। আনহাতে, অনেকেই ধৰাশায়ী হ'ব বুলি ভবা তৃণমূল কংগ্ৰেছে এইবাৰৰ নিৰ্বাচনত ২১৩ খন আসনত জয়লাভ কৰি চমকপ্ৰদ ফলাফল দেখুৱালে। বিজেপিয়ে চৰকাৰ গঠন কৰিব নোৱৰা কাৰণে আৰু মাথোন ৭৭ খন আসনত জয়লাভ কৰাৰ বাবে অনেকেই বিজেপিৰ পৰাজয় বুলি মত প্ৰকাশ কৰিছে; কিন্তু ২০১৬ত মাথোন তিনিখন আসনত জয়লাভ কৰা বিজেপিয়ে এইবাৰ ৭৭ খন আসনত জয়লাভ কৰাটো কম কথা নহয়। ই ৰাজ্যখনত বিজেপিৰ উত্থানৰ ইংগিতেই বহন কৰিছে। ২০১৬ত বিধানসভাৰ তিনিখন আসনত জয়লাভ কৰা বিজেপিয়ে ২০১৯ৰ লোকসভা নিৰ্বাচনত ১৮ খন আসনত জয়লাভ কৰি যি চমকপ্ৰদ ফলাফল দেখুৱাইছিল, সেই উত্থানৰ গতি এইবাৰৰ বিধানসভা নিৰ্বাচনত দলটোৱে দেখুৱাব নোৱাৰিলে। আনহাতে, এক্‌জিট প'লৰ পূৰ্বানুমান অনুযায়ী কংগ্ৰেছ, আই এছ এফ আৰু বাওঁপন্থী দল ৰাজ্যখনত নিশ্চিহ্ন হ'ল। এসময়ৰ বাওঁপন্থী দলৰ বেষ্টনী পশ্চিমবংগত বাওঁপন্থী দল নিশ্চিহ্ন হোৱাটো অতি দুৰ্ভাগ্যৰ কথা। চাবলৈ গ'লে বিজেপিয়ে তৃণমূল কংগ্ৰেছৰ কিছু নেতাক দল এৰি বিজেপিত যোগদান কৰাবলৈ সক্ষম হৈছিল আৰু ভোটদাতাক আকৰ্ষিত কৰিবলৈ মাত্ৰাধিক প্ৰচাৰ চলাইছিল যদিও তৃণমূল কংগ্ৰেছৰ দুৰ্গত খহনীয়া ঘটাব নোৱাৰিলে। বৰঞ্চ বাওঁপন্থী দলক অপসাৰণ কৰি তাৰ ঠাই লৈহে নিজৰ স্থিতি ৰাজ্যখনত কিছু সবল কৰিলে।

কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ৰিপুন বৰাই এক্‌জিট প'লৰ ভৱিষ্যদ্বাণী নাকচ কৰিছিল। কংগ্ৰেছৰ কেন্দ্ৰীয় নেতা জিতেন্দ্ৰ সিঙে এক্‌জিট প'লৰ সমীক্ষা নাকচ কৰি কৈছিল যে মহাজোঁটে এশখনৰ ওচৰা-ওচৰি আসনত জয়লাভ কৰি চৰকাৰ গঠন কৰিব। দলটোৰ নেতৃত্বত চৰকাৰ গঠন কৰাৰ পাছতহে তেওঁ অসম এৰিব বুলিও ঘোষণা কৰিছিল। মহাজোঁটে যিহেতু চৰকাৰ গঠন কৰিব পৰাকৈ আসনত জয়লাভ কৰিব নোৱাৰিলে, গতিকে জিতেন্দ্ৰ সিং স্থায়ীভাৱে, কংগ্ৰেছ দলে চৰকাৰ গঠন কৰিব নোৱৰালৈকে, অনিৰ্দিষ্ট কাললৈ বোধহয় অসমতে থাকি যাব।

বিজেপিৰ অসম ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে ৩০ এপ্ৰিলত কৈছিল যে মিত্ৰজোঁটে ৮৩ খন আসনত জয়লাভ কৰি চৰকাৰ গঠন কৰিব। বিজেপিয়ে ৭০ খন, অগপই আঠখন আৰু ইউ পি পি এলে পাঁচখন আসনত জয়লাভ কৰিব বুলিও তেওঁ কৈছিল। তাৰ বিপৰীতে দলটোৱে ৬০ খন, অগপই নখন আৰু ইউ পি পি এল-এ ছখন, মিত্ৰজোঁটে মুঠ ৭৫ খন আসনত জয়লাভ কৰিছে। ২০১৬ত বিজেপিয়ে ৬০ খন, অগপই ১৪ খন আৰু বি পি এফে ১২ খন, মিত্ৰজোঁটে মুঠ ৮৬ খন আসনত জয়লাভ কৰিছিল। ২০১৬ৰ তুলনাত মিত্ৰজোঁটে এইবাৰ কম আসনত জয়লাভ কৰিছে। অগপৰ ফলাফলো ২০১৬ৰ তুলনাত এইবাৰ বেয়া।

নিৰ্বাচন আয়োগে নিৰ্বাচনৰ জাননী দিয়াৰ বহু আগৰে পৰা ৰাজনৈতিক দলসমূহে নিৰ্বাচনৰ প্ৰচাৰ চলোৱাৰ লগতে দাবী কৰি আহিছিল যে এইবাৰ তেওঁলোকেই অসমত চৰকাৰ গঠন কৰিব। শাসনাধিষ্ঠিত বিজেপিয়ে দুবছৰ আগতেই 'মিছন-১০০' প্ৰক্ষেপ কৰি ২০২১ৰ নিৰ্বাচনত এশৰো অধিক আসনত জয়লাভ কৰি চৰকাৰ গঠন কৰিব বুলি ঘোষণা কৰিছিল। পাছলৈ কংগ্ৰেছেও এশৰ ওপৰ আসনত জয়লাভ কৰিব বুলি কৈছিল। দলটোৱে এ আই ইউ ডি এফ, তিনিটা বাওঁপন্থী দল আৰু এটা নতুন আঞ্চলিক দলৰ সহযোগত ছয় দলীয় মহাজোঁটবন্ধন গঠন কৰাৰ পাছত (পাছলৈ বিপিএফ আৰু আৰ জে ডি দলেও তাত যোগদান কৰিছিল) মহাজোঁটৰ চৰকাৰ হ'ব বুলি দাবী কৰি আহিছিল। নতুন আঞ্চলিক দলদ্বয় অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলেও জাতীয়তাবাদী চৰকাৰ গঠন কৰিব বুলি ঘোষণা কৰিছিল। বিজেপিয়ে চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ল যদিও দলটোৰ 'মিছন-১০০'ৰ কল্পনা কল্পনা হৈয়ে থাকিল। বাকী কোনোটো দলৰে ঘোষণা কৰা অনুযায়ী ফলাফল বাস্তৱায়িত নহ'ল।

উল্লেখ্য যে এসময়ত অসমৰ আকাশ কঁপোৱা 'কা আমি নামানো' শ্ল'গান আছিল কেৱল আন্দোলনৰ বাবেহে। ভোটদান কৰাৰ সময়ত কোনেও সেই কথা নামানিলে। অৰ্থাৎ 'কা' নমনাসকলক ভোটদাতাৰ সৰহভাগেই নামানিলে। আৱেগৰ বশৱৰ্তী হৈ আন্দোলনলৈ ওলাই অহা আৰু ভোটদান কৰা একে কথা নহয়। কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু সদৌ অসম ছাত্ৰ সন্থাই তিনি বছৰ ধৰি 'কেব' আৰু 'কা'ৰ বিৰোধিতাৰে আন্দোলন কৰি 'নাগৰিকত্ব সংশোধনী বিৰোধী মঞ্চ'ই তাত সাৰ-পানী যোগাই অসমখনক অযথা অস্থিৰ-অশান্তি কৰি প্ৰগতিৰ হেঙাৰ ৰূপে থিয় হ'ল আৰু আন্দোলনকাৰী ৰাজ্য হিচাপে ভাৱমূৰ্তি সৃষ্টি কৰি অসমখনক আনৰ চকুত হেয় কৰি তুলিলে। তাৰ বাবে অসমৰ ৰাইজে এই সংগঠন তিনিটাৰ নেতৃবৃন্দক কেতিয়াও ক্ষমা নকৰে। ভৱিষ্যতে পেছাদাৰী আন্দোলনকাৰীয়ে আন্দোলনৰ বাবে কৰা আহ্বানৰ প্ৰতি সঁহাৰি দিয়াৰ আগতে 'কা' বিৰোধী আন্দোলনৰ অভিজ্ঞতাৰে পুষ্ট অসমীয়া মানুহে আৱেগৰ উৰ্ধ্বলৈ গৈ নিজৰ বিবেক-বুদ্ধি ব্যৱহাৰ কৰিব বুলি আশা কৰিব পাৰি।

দ্বিতীয়বাৰৰ বাবে অসমৰ শাসনত ক্ষমতাধিষ্ঠিত হ'বলৈ সক্ষম হৈ বিজেপি দল হৰ্ষান্বিত হোৱাটো স্বাভাৱিক কথা; কিন্তু এই সফলতা বিজেপি দলৰ 'মিছন-১০০' শ্ল'গানেৰে চলোৱা প্ৰচাৰ আৰু বিধানসভাৰ শতাধিক আসনত জয়লাভ কৰাৰ বাবে ধাৰ্য কৰা লক্ষ্যত উপনীত হোৱাৰ বাবে যোৱা দুবছৰে ক্ষেত্ৰ ভিত্তিত চলোৱা প্ৰচেষ্টাৰ আনুপাতিক নহয়। 'মিছন-১০০' মিত্ৰজোঁটৰ লক্ষ্য নাছিল, কেৱল বিজেপি দলৰহে লক্ষ্য আছিল। তেনে ক্ষেত্ৰত মাথোন ৬০ খন আসনত জয়লাভ কৰাটো দলটোৰ বাবে অভাৱনীয় সাফল্য নহয়। দলটোৱে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰি অকলে চৰকাৰ গঠন কৰিব পৰাৰ সক্ষমতা অৰ্জন কৰা হ'লেও তাত কিছু উল্লাসৰ কাৰণ থাকিলেহেঁতেন।

অৱশ্যে বিজেপিয়ে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ নকৰাটো অসমৰ কাৰণে ভালেই হৈছে। তেওঁলোকৰ সম্ভাব্য স্বেচ্ছাচাৰিতাত অগপ আৰু ইউ পি পি এল দলে কিছু লেকাম লগাব পাৰিব। আঞ্চলিক দল দুটাৰ নিজস্বতা আৰু আঞ্চলিকতাবাদী স্বকীয়তা প্ৰমাণ কৰাৰ বাবে যি সুবিধা আহিছে, তাক গ্ৰহণ কৰি ৰাইজৰ আস্থাভাজন হোৱাৰ বাবে তেওঁলোকে নিশ্চয় এই সুবিধা গ্ৰহণ কৰিব।

দুৰ্ভাগ্যজনকভাৱে অসমৰ আঞ্চলিক দলসমূহে এইবাৰো বিশেষ সফলতা লাভ কৰা নাই। অগপ দলে নখন, ইউ পি পি এল দলে ছখন, বি পি এফ দলে চাৰিখন, এ আই ইউ ডি এফ দলে ১৬ খন আৰু ৰাইজৰ দলে এখন আসনত জয়লাভ কৰিছে। লুৰীণজ্যোতি গগৈৰ অজাপ, অজিত ভূঞাৰ আঞ্চলিক গণ মৰ্চা, অৰূপ বৰবৰাৰ সংগ্ৰামী আঞ্চলিক মঞ্চ আদিয়ে এখনো আসনত বিজয়ী হোৱা নাই। আঠটা আঞ্চলিক দলে বিধানসভাৰ মুঠ ১২৬ খন আসনৰ কেৱল ৩৬ খন আসনতহে জয়লাভ কৰিছে। ইয়াৰ পৰাই অসমৰ ৰাজনীতিত আঞ্চলিক দলৰ পুতৌজনক স্থিতিৰ উমান পাব পাৰি। শোচনীয়ভাৱে পৰাস্ত হোৱাৰ পাছতো অজাপ আৰু ৰাইজৰ দলে অসমীয়া জাতীয়তাবাদী চেতনাৰে ভৱিষ্যতে ৰাজনীতি কৰাৰ কথা বীৰদৰ্পে ঘোষণা কৰিছে। এই নিৰ্বাচনৰ পৰা অসমীয়া মানুহে ল'বলগীয়া এটা শিক্ষা হৈছে অসমীয়া জাতীয়তাবাদৰ ভিত্তিত গঠন কৰা আৰু কেৱল অসমীয়া জাতীয়তাবাদকে তোষণ-পোষণ কৰা কোনো আঞ্চলিক দলে অসমত কেতিয়াও ক্ষমতাত অধিষ্ঠিত হ'ব নোৱাৰে। কে'বাটাও প্ৰৱন্ধযোগে ব্যক্ত কৰা মোৰ এই মত পুনৰ দোহাৰি কওঁ যে অসমত কোনো কালেই কেৱল অসমীয়া জাতীয়তাবাদী চেতনাৰ কথা কৈ ৰাজনীতি কৰা দলে চৰকাৰ গঠন কৰিব নোৱাৰে। বৰঞ্চ হিন্দীভাষী, বাংলাভাষী প্ৰমুখ্যে অসমত স্থায়ীভাৱে বসবাস কৰা সকলো জাতি-জনগোষ্ঠীৰ লোকক লগত লৈহে আঞ্চলিক দলে অসমত চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ব। তদুপৰি ইমানবোৰ আঞ্চলিক দল থাকিলে কোনোদিনে আঞ্চলিক দলে অসমত চৰকাৰ গঠন কৰিব নোৱাৰে। এটা বা দুটা আঞ্চলিক দল থাকিলেহে ক্ষমতা দখলৰ চিন্তা কৰিব পাৰিব; কিন্তু নিজে ৰজা হোৱাৰ বাসনাৰে পুষ্ট বহুধা বিভক্ত অসমীয়া জাতিৰ বাবে দলসমূহ একত্ৰিত হোৱাটো সম্ভৱ নহয়। গতিকে কোনোবা এটা ৰাষ্ট্ৰীয় দলৰ নেগুৰত ধৰিয়েই অসমত আঞ্চলিকতাবাদৰ ধ্বজা উৰুৱাব লাগিব। অৱশ্যে ৰাষ্ট্ৰীয় দলক অসম-অসমীয়াৰ স্বাৰ্থৰ অনুকূলে নিয়ন্ত্ৰণ কৰি ৰখাৰ বাবেই অসমত আঞ্চলিক দলৰ প্ৰয়োজনীয়তা সদায় থাকিব।

আঞ্চলিকতাবাদৰ প্ৰয়োজনীয়তাৰ ভিত্তি হৈছে, অসমীয়া মানুহৰ মনত বিৰাজ কৰা এটা ধাৰণা যে ৰাষ্ট্ৰীয় দলে অসমীয়াৰ আশা-আকাংক্ষা আৰু আৱেগ-অনুভূতিৰ প্ৰতি পিঠি দি কেৱল দিল্লীৰ শ্ৰুতলিপি লৈ ৰাজ্যখন চলায়। বিজেপি দলে অনাগত দিনত নিজ কৰ্মৰে অসমীয়া মানুহৰ এই ধাৰণা সলনি কৰিবলৈ চেষ্টা কৰাটো অতি প্ৰয়োজনীয় কথা। দলটোৱে এই বিষয়ে চিন্তা-চৰ্চা কৰিব বুলি আশা কৰি দলটোলৈ অভিনন্দন আৰু বিজেপিৰ নেতৃত্বত গঠন হ'বলগীয়া চৰকাৰখন অসমবাসীৰ আস্থাৰ চৰকাৰ হোৱাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিলো।

ফোন ঃ ৮১৩৫৮৪৮৬২৩



# বিষণ্ণ সময় ঃ অস্থিৰ মানৱ

## মৃত্যু এতিয়া সহজলভ্য, অলপ অসাৱধানতাই ক্ষণিকতে কাঢ়ি নিব পাৰে একোটা মূল্যৱান জীৱন



## অৱলোকন

### চাইৰা ইছলাম বড়া

**কৰ'না** মহামাৰীৰ দ্বিতীয় ঢৌৰ বিষাক্ত অক্টোপাছৰ হাতোৰাত বন্দী সমগ্ৰ দেশ। এতিয়া চৌদিশে চলিছে মাথোঁ মহামাৰী কৰ'নাৰ মহাসংহাৰ। অবৰ্ণনীয় পৰিৱেশত মৃত্যুৰ কিৰীলিত বিধ্বস্ত জনজীৱন। মানৱ জীৱনৰ উৰ্ধ্বত একোৱেই হ'ব নোৱাৰে, এই দুঃসময়ৰ মাজত নিজকে সুৰক্ষিত কৰি ৰখাটো সকলোতকৈ গুৰুত্বপূৰ্ণ হৈ পৰিছে। খন্তেকৰ ভিতৰতে অতিমাৰীৰ ক'লা আন্ধাৰে ছানি ধৰা ধুঁৱলী-কুঁৱলী পথত পোহৰৰ উৎস বিচাৰি দিশহাৰা জনজীৱন। বিপৰ্যস্ত সময়ত একো উৱাদিহ নাপাই অন্তৰ্দ্বন্দ্বত চটফটাইছে অসহায় মনবোৰ। মহামাৰী কৰ'নাৰ সন্মুখত যে সকলো অসাৰ! ইতিমধ্যে বহুকেইজন লোকৰ প্ৰাণ নিমিষতে হেৰুওৱাৰ জীৱন্ত ছবিবোৰে বাৰে বাৰে সকীয়াই দিছে পৰিস্থিতিৰ ভয়াৱহতা কিমান গম্ভীৰ! নিতৌ ভিন্ন ঠাইত দ্ৰুত সংক্ৰমণ বিয়পি পৰাৰ লগতে দিনক দিনে বৃদ্ধি পাইছে মৃতকৰ সংখ্যা। মৃত্যু এতিয়া সহজলভ্য, অলপ অসাৱধানতাই ক্ষণিকতে কাঢ়ি নিব পাৰে একোটা মূল্যৱান জীৱন। কেৱল মাত্ৰ ভাৰতবৰ্ষতে এটা দিনতে মৃত্যুক সাৱটি লোৱা লোকৰ সংখ্যাই পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিছে। বাস্তৱৰ ভয়াৱহ ছবিখন অনুধাৱন কৰি ক্ষণে ক্ষণে জীৱন হেৰুওৱাৰ আশংকাত দহিছে সকলো। মৃত্যুৰ বিভীষিকাত অবৰ্ণনীয় হাহাকাৰ পৰিৱেশ। এফালৰ পৰা যেন কাল অমানিশাই গ্ৰাস কৰি আহিছে মানৱ জাতিক। পূৰ্বৰ তুলনাত ক্ৰমাৎ সংহাৰী ৰূপ লৈছে অতিমাৰীয়ে। নজনাকৈয়ে দ্বিতীয় ঢৌৰ ভয়াৱহ পৰিস্থিতিৰ মাজত সোমাই পৰিছে সমগ্ৰ দেশৰ জনগণ। আন দেশৰ তুলনাত ভাৰততেই অস্বাভাৱিকভাৱে আক্ৰান্ত হৈছে বহু লোক। ক্লান্ত মনবোৰে হেজাৰ উত্তৰবিহীন প্ৰশ্ন লৈ হতাশা, উৎকণ্ঠাৰ মাজত এটি এটি পল অতিবাহিত কৰিছে। মহামাৰীৰ পৰা ৰক্ষা পাবলৈ প্ৰতিষেধক প্ৰদান চেণ্টাৰসমূহত মানুহৰ লানি-নিছিগা সোঁত বোৱাৰ বিপৰীতে প্ৰতিষেধকৰ নাটনিয়ে বিবুদ্ধিত পেলাইছে সৰ্বসাধাৰণ জনতাক। পৰিস্থিতিৰ ভয়াৱহতা অনুধাৱন কৰি ৰাইজ সজাগ হৈছে প্ৰতিষেধকৰ জৰিয়তে নিজকে বিপদমুক্ত, সুৰক্ষিত কৰি ৰাখিবলৈ। কোনো এজন লোকৰেই অকাল মৃত্যু কাম্য নহয়। জীৱন এবাৰেই আহে, কৰ'না পৰিস্থিতিৰ ভয়াৱহ অভিজ্ঞতাই বাৰুকৈয়ে উপলব্ধি কৰাইছে জীৱনৰ মূল্য। উশাহেই যদি নাথাকে সকলো অৰ্থহীন। শাৰী শাৰী চিতাৰ মাজত কম সময়তে জীৱন কাঢ়ি নিয়া মৃতদেহৰ মৰ্মস্পৰ্শী দৃশ্যবোৰ প্ৰত্যক্ষ কৰি নীৰৱে চকুলো টোকাৰ বাদে অসহায় সকলো। যোৱা বছৰৰ শিঁহৰণকাৰী অভিজ্ঞতাৰ পৰা মুক্ত হৈ জীৱনে ভালদৰে উশাহ সলাবলৈকে নাপালে, তেনে সময়তে ক্ৰমাৎ পৰিস্থিতি অধিক জটিল হৈ পৰাত কোনোৱেই উৱাদিহ পোৱা নাই ক'ৰপৰা কি হ'বলৈ গৈ আছে।

এতিয়া মাত্ৰ হাতৰ মুঠিত জীউটো লৈ এক অনিশ্চিত ভৱিষ্যতৰ দিশত ধাৱমান একবিংশ



শতিকাৰ মানৱ জাতি। জীৱনৰ কোনো নিশ্চয়তা নোহোৱা হ'ল, একোটা পৰিয়াল কৰ'নাৰ গ্ৰাসত পৰি মুহূৰ্ততে থান-বান হৈ গৈছে। চিৰদিনলৈ উদং হৈ পৰিছে হেঁপাহৰ ঘৰখন। বৰ্তমানৰ শোচনীয় অৱস্থাত ঘৰৰ বাহিৰে-ভিতৰে ক'তোৱেই কোনো নিৰাপদ নহয়, জীৱনৰ নিৰাপত্তাহীনতাত ভুগিবলগীয়া হৈছে সকলো। নিজৰ ঘৰ, কৰ্মক্ষেত্ৰ সকলোতে এতিয়া আতংক বিৰাজমান। যন্ত্ৰণাকাতৰ সময়ৰ নিৰ্মম আঁচোৰত তেজে তুমুৰলি হৃদয়ৰ কৰুণ আস্ফালনত চৌদিশে মাথোঁ মৃত্যুৰ ঘন্টা বাজিছে। হাহাকাৰ পৰিস্থিতিত দেহৰ লগতে মানসিক ভাৰসাম্য অটুট ৰখাটোও অতিশয় জৰুৰী হৈ পৰিছে। গণসংক্ৰমণৰ আশংকাত মুকলি বিচৰণত বাধাপ্ৰাপ্ত হোৱাৰ বাবে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত অতি দুখজনকভাৱে বঞ্চিত হ'বলগীয়া হৈছে উঠি অহা প্ৰজন্ম। কেৱল মাত্ৰ জীয়াই থকাৰ নিষ্ঠুৰ সংগ্ৰামৰ তাড়নাত মৌন হৈ ৰৈছে সকলো। সংক্ৰমণৰ আশংকাত বিদ্যালয়ৰ পাঠদানৰ পৰাও বিৰত থাকিবলগীয়া হৈছে ছাত্ৰ-ছাত্ৰীসকল। বিকল্প উপায় হিচাপে অনলাইন পদ্ধতিত অভ্যস্ত হৈ পৰিছে শিক্ষাগুৰুসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকল। নাজানো এই শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ দিশত কিমানদূৰ ফলপ্ৰসূ কৰি তুলিব! ভৱিষ্যৎ প্ৰজন্মৰ জীৱনৰ প্ৰতি লক্ষ্য ৰাখি সময়ৰ আহ্বানক স্বীকাৰ কৰি আগুৱাই যোৱাৰ বাদে বৰ্তমান আমাৰ হাতত বিকল্প ব্যৱস্থা নাই। এনে ধৰণৰ আচহুৱা পৰিস্থিতিৰ সন্মুখীন হৈ বিপাঙত পৰিলেও জীৱনৰ গতিশীলতা আগুৱাই নিবই লাগিব। কোনেও নাজানে কালিলৈৰ দিনটো আমাৰ বাবে ইতিহাস হৈ ৰ'ব নেকি? প্ৰাণৰ মমতা সকলোৰে আছে, জটিল সময়ৰ লগত সহবাস কৰিবলৈ নিজকে প্ৰস্তুত কৰি অৰ্থনৈতিক উন্নয়নৰ বাবেও কৰ্তব্য কৰি যাব লাগিব। যিহেতু দেহা থাকিলেহে বেহা।

বহু ক্ষেত্ৰত জীৱশ্ৰেষ্ঠ মানৱে কঠিন সংগ্ৰামৰ মাজেদি নতুনত্বৰ সৃষ্টি কৰাৰ দৰে অজ্ঞানতাবশতঃ সহজতেই ধ্বংসও কৰি আহিছে। পাহাৰ-ভৈয়ামত গছ-গছনি কাটি তহিলং কৰাৰ দৰে বহুতো অপকৰ্মৰ ফল ৰুষ্ট প্ৰকৃতিৰ পৰা ওলোটাই মানৱ জাতিয়ে ভুগিবলগীয়া হৈছে। এনেবোৰ অপকৰ্মৰ পৰিণতি হিচাপে মহামাৰীৰ আতংকৰ মাজতে ভূতৰ ওপৰত দানহ পৰাদি ভূমিকম্পৰ দৰে প্ৰাকৃতিক দুৰ্যোগেও ধন-জনৰ কিছু অনিষ্ট কৰি গ'ল। মহামাৰীৰ স'তে যুঁজ দিয়াৰ সময়তে ভূমিকম্পৰ তীব্ৰ জোঁকাৰণিত দুৰ্যোগৰ সন্মুখীন হৈ ভীতিবিহ্বল অসমবাসী থৰহৰি কম্পমান। ইয়াৰ উপৰি অভাৱনীয় ৰূপত হত্যা, হিংসা, লুণ্ঠন, অপহৰণ আদি ঘটনাই বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ সমানে ভুক্তভোগী পৰিয়ালসমূহলৈ যন্ত্ৰণাকাতৰ পৰিৱেশ নমাই অনাৰ ঘটনাৰাজিয়ে সভ্য সমাজত জোঁকাৰণি তুলিছে। অনাকাংক্ষিত ঘটনাবোৰৰ বাবে বহু পৰিমাণে মানুহৰ বিবেকহীন কৰ্ম-কাণ্ডই দায়ী। আমি আশাবাদী অচিৰেই এই অপায়-অমংগলবোৰ দূৰ হৈ শান্তিৰ বাতাবৰণ গঢ়ি উঠিব। সমজুৱা প্ৰচেষ্টা অবিহনে অপশক্তিবোৰক ৰোধ কৰাটো সম্ভৱ নহয়, সেয়ে সমগ্ৰ মানৱজাতিয়ে শান্তি-শৃংখলাৰ মাজেদি একত্ৰিত হৈ আগুৱাই যাব লাগিব আমাৰেই ভৱিষ্যৎ প্ৰজন্মৰ উজ্জ্বল ভৱিষ্যতৰ লক্ষ্য আগত ৰাখি।

আজিও একাংশ অসচেতন লোকৰ মাজত কৰ'নাক লৈ ল'ৰা ধেমালিৰো অন্ত পৰা নাই। প্ৰকৃততে নিজৰ ক্ষেত্ৰত আঘাত নোপোৱালৈকে মানুহৰ সৎবুদ্ধিৰ উদয় নহয়। ভয়াৱহ পৰিস্থিতিৰ মাজতো সাধাৰণ জনগণে সজাগতা অৱলম্বন কৰাত বেপৰোৱা মনোভাৱ পোষণ কৰিলে সমাজখনৰ বাবেই অমংগল কঢ়িয়াই অনা হ'ব। এইসকল লোকে বুজি পোৱা উচিত যে তেওঁলোকৰ কাণ্ডজ্ঞানহীন অসাৱধানতাৰ বাবে বৰ্ধিত হাৰত মহামাৰীয়ে দেশখনৰ অৰ্থনৈতিক অৱস্থা শোচনীয় কৰি মহামাৰীৰ লগতে অতি কৰুণভাৱে দুৰ্ভিক্ষও নমাই আনিব। এনে স্পৰ্শকাতৰ সময়ত সকলো সজাগ হওক, নিজৰ লগতে সমাজখনকো বচাওক। অস্থিৰ সময়ত সবল মানসিক শক্তিৰে এজন আনজনৰ সহায়ক হৈ বিপদৰ স'তে মোকাবিলা কৰাৰ সঠিক উপায় অৱলম্বন কৰক। নিজে সুৰক্ষিত হ'লেহে দেশ, সমাজক সুৰক্ষিত কৰি ৰাখিব পাৰিব। প্ৰতিষেধক লোৱাৰ উপৰি জনসাধাৰণৰ সচেতনতাই এতিয়া মূলমন্ত্ৰ। এনে ভাৱ হয় জটিল পৰিস্থিতিত মানুহৰ জীৱনৰ মূল্য যেন ক'ৰবাত হেৰাই গৈছে।

ফোন ঃ ৯১০১৫১৭৮৪৭

# অলকেশ বৰুৱালৈ শ্ৰদ্ধাঞ্জলি



**মধুৰভাষী,** বন্ধুভাৱাপন্ন অলকেশ বৰুৱাৰ স'তে যোৱা ১৯৭৩ৰ পৰা প্ৰায় চাৰে চাৰি বছৰ দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ (জে এন ইউ) কাবেৰী হোষ্টেলৰ একেটা মহলাত ওচৰা-ওচৰিকৈ আছিলো। সেইজন অলকেশ বৰুৱা কৰ'নাত আক্ৰান্ত হৈ যোৱা ২৬ এপ্ৰিলত আমাৰ মাজৰ পৰা হেৰাই যোৱা খবৰটো আজিও সহজভাৱে ল'ব পৰা নাই। তেওঁ মোৰ পৰিয়ালৰ লোক নহয়, তেজৰ সম্বন্ধও নাই; কিন্তু তেওঁ সুখ-দুখৰ সময়ত সকলো কথাতে ভাগ লয়, মাজে মাজে যত্ন লয়, ধমক দিয়ে— মুঠতে এজন সহজ উপদেশক, সহায়কাৰী ব্যক্তি। ই যে অকল মোৰ ক্ষেত্ৰতহে এনে নহয়, যি তেওঁৰ সান্নিধ্যলৈ আহিছে, সকলোৱে তেওঁৰ ব্যৱহাৰত মুগ্ধ হৈ গোটেই জীৱন তেওঁৰ প্ৰতি শ্ৰদ্ধা প্ৰকাশ কৰি থাকিব।

কটন মহাবিদ্যালয়ৰ পৰা বি এছ চি, এলাহাবাদ বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি ১৯৭৩ত জে এন ইউত স্কুল অৱ ইন্টাৰনেছনেল ষ্টাডিজত সন্মানীয় ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ স্কলাৰশ্বিপ লৈ পি এইছ ডি কৰিবলৈ আহে। হাঁহিমুখৰ, দেখনিয়াৰ মানুহজন আছিল বহুগুণৰ অধিকাৰী। তেওঁ আছিল কিতাপৰ পোক, জ্ঞানৰ ভাণ্ডাৰ। যিকোনো বিষয়ৰ ওপৰতে কোনো খোকোজা নলগাকৈ কৈ যাব পাৰে। জোনাকী যুগৰ কবিসকলৰ কবিতাসমূহ তেওঁৰ কণ্ঠস্থ। দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' কবিতাটো তেওঁ আবৃত্তি কৰা শুনিলে শুনি থাকিবৰ মন যায়। অম্বিকাগিৰী ৰায়চৌধুৰী, কমলাকান্ত ভট্টাচাৰ্য, যতীন্দ্ৰ নাথ দুৱৰা, ৰঘুনাথ চৌধাৰী, নলিনীবালা দেৱী আদিৰ কবিতাসমূহ অনৰ্গল গাই যাব পাৰে। বিষ্ণু ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, ভূপেন হাজৰিকা, ৰুদ্ৰ বৰুৱাৰ গানসমূহ তেওঁৰ কণ্ঠস্থ। তদুপৰি কীৰ্তনৰ ঘোষা পদ, নামনি অসমৰ থলুৱা নাম আমাৰ আগত খুব ধুনীয়াকৈ পৰিৱেশন কৰে আৰু বুজায়ো দিয়ে। আমি নৈশ আহাৰ গ্ৰহণ কৰাৰ শেষত তেওঁৰ ৰূমতে আড্ডা দিওঁ। দেশৰ ৰাজনৈতিক অৱস্থাৰ পৰা আৰম্ভ কৰি, অসমীয়া সাহিত্য-সংস্কৃতি আদিৰ আলোচনা হয়। সেই সময়ত আছিল জয়ন্ত গগৈ (ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যপনা কৰিছিল আৰু কিছু বছৰৰ আগতে অকাল মৃত্যু হয়), মণিৰুল হুছেইন (গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৱসৰপ্ৰাপ্ত), আদিল-উল-ইয়াচিন (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অৱসৰপ্ৰাপ্ত), হীৰা বৰপূজাৰী (দেৰগাঁও, ডি কে ডি কলেজৰ পৰা অৱসৰপ্ৰাপ্ত), বিনোদ খাদৰীয়া, মদন পাল (দুয়ো জে এন ইউৰ অধ্যাপক), বিপুল শৰ্মা (অসমত এ চি এছ হৈ অৱসৰপ্ৰাপ্ত) আদি। অলকেশ বৰুৱাৰ পাণ্ডিত্য সেই সময়তেই প্ৰকাশ পাইছিল। সেই সময়ৰ এছ এফ আই বা ফ্ৰী থিংকাৰ দুয়োপক্ষৰ ছাত্ৰ যেনে— প্ৰকাশ কাৰাট, সীতাৰাম য়েছুৰী, দেৱী প্ৰসাদ ত্ৰিপাঠী, আনন্দ কুমাৰ আদিয়ে অলকেশৰ লগত বিভিন্ন বিষয়ৰ আলোচনা কৰিছিল আৰু তেওঁক যথেষ্ট সমীহ কৰিছিল। মুঠতে তেওঁ আছিল এজন জাকত-জিলিকা বুদ্ধিজীৱী ছাত্ৰ। নিমিষতে তেওঁ কবিতা লিখিব পৰা গুণটো দেখি মই মুগ্ধ হৈছিলো। বহু সময়ত তেওঁ মোলৈ কবিতাৰে চিঠি লিখিছিল।

সেই সময়ত অসমৰ পৰা বহু লোকে দিল্লীৰ এইমছ বা চণ্ডীগড়ৰ চিকিৎসালয়লৈ উন্নত চিকিৎসাৰ বাবে আহিছিল। অলকেশে নিঃস্বাৰ্থভাৱে তেওঁলোকক নিজৰ পঢ়া-শুনা বাদ দিও সহায়ৰ হাত আগবঢ়াইছিল। কাৰোবাৰ যদি তেজৰ দৰকাৰ হয়, অলকেশ ৰক্তদানৰ বাবে আগশাৰীত।

৭০-৮০ দশকত জে এন ইউৰ চাকৰিৰ ক্ষেত্ৰত উত্তৰ ভাৰতীয়, দক্ষিণ ভাৰতীয়, বাঙালী আদি অঘোষিত লবী আছিল। এই সকলো বাধা অতিক্ৰম কৰি অলকেশ বৰুৱাই নিজৰ জ্ঞানেৰে সকলোকে পৰাভূত কৰি জে এন ইউত সহকাৰী অধ্যাপকৰূপে যোগদান কৰা প্ৰথম অসমীয়া। তাৰ পৰাই কমনৱেল্‌থ, স্কলাৰশ্বিপ (১৯৮৩), ফুলব্ৰাইট স্কলাৰশ্বিপ (১৯৯৫), ডি এফ জি স্কলাৰশ্বিপ (২০০৬) লৈ ইংলণ্ডৰ ৱাৰিক বিশ্ববিদ্যালয়, আমেৰিকাৰ মিচিগান বিশ্ববিদ্যালয়, জাৰ্মানীৰ জ'নছ গুটেনবাৰ্গ বিশ্ববিদ্যালয়ত গৱেষণা আৰু অতিথি অধ্যাপকৰূপে আমন্ত্ৰণ পাইছিল। দেশীয় আৰু আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিভিন্ন আলোচনীত তেওঁৰ প্ৰৱন্ধ প্ৰকাশ পোৱাৰ উপৰি তেওঁ এককভাৱে লিখা, 'গ্ল'বেল অৰ্ডাৰ ঃ ৰিচেন্ট ছেইঞ্জ এণ্ড ৰিচেপছন', যুটীয়াভাৱে লিখা 'দ্য ডব্লিউ টি অ' এণ্ড ইণ্ডিয়া' আৰু সম্পাদনা কৰা 'ডেভেলপমেন্ট ইছ্যু ইন এ হিষ্টৰিকেল পাৰচ্‌পেকটিভ' আদিয়ে শৈক্ষিক আৰু বৌদ্ধিক জগতত বিশেষ সমাদৰ লাভ কৰিছে।

### উৎপল বৰুৱা

কিছুদিনৰ আগতে তেওঁ মোৰ স'তে কথা-বতৰা হওঁতে দিল্লীত তেওঁ নিগাজিকৈ থকা সত্বেও অসমলৈ ঘূৰি অহাৰ ইচ্ছা প্ৰকাশ কৰিছিল। এনে এজন মহান ব্যক্তি কৰ'নাত আক্ৰান্ত হৈ অসমবাসীয়ে হেৰুৱাব লগা হোৱাত অসম তথা ভাৰতবাসীৰ বাবে এটা অপূৰণীয় ক্ষতি। আজি আদ্যশ্ৰাদ্ধৰ দিনা ভগৱানৰ ওচৰত প্ৰাৰ্থনা, তেওঁৰ আত্মাই যেন সদ্‌গতি লাভ কৰে আৰু আকাশত জিলিকি থকা নক্ষত্ৰ হৈ আমাক পোহৰ বিলাই থাকে।

ফোন ঃ ৯৪৩৫৩৫৭৭৪৭

## শুধৰণি

কালি (চাৰি মে')ৰ 'দৈনিক অগ্ৰদূত'ৰ সম্পাদকীয় পৃষ্ঠাত প্ৰকাশিত মোৰ নিৰন্ধটোৰ শিৰোনামত অসাৱধানবশতঃ 'চাৰি ৰাজ্য' বুলি লিখা হ'ল। হ'ব লাগিছিল 'পাঁচ ৰাজ্যৰ।' সেইদৰে নিৰন্ধটোৰ আৰম্ভণিতে 'তামিলনাডুৰ বাদে বাকী চাৰিখন ৰাজ্যত' বুলি লিখা হ'ল। হ'ব লাগিছিল তামিলনাডু আৰু পুডুচেৰীৰ বাদে 'বাকী তিনিখন ৰাজ্য।' একেদৰে প্ৰথম অনুচ্ছেদৰ এটা শাৰীত ডি এম কেৰ স্থানত এ আই ডি এম কে আৰু এ আই ডি এম কেৰ স্থানত ডি এম কে হ'ল। হ'ব লাগিছিল 'এ আই ডি এম কে-বিজেপি জোঁট' আৰু ডি এম কেৰ সংখ্যাগৰিষ্ঠতা লাভ। এনে অসাৱধানতাৰ বাবে মই দুঃখিত আৰু ক্ষমাপ্ৰাৰ্থী।

— হীৰেন গগৈ

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৬ মে' বৃহস্পতিবাৰ, ২০২১ পৃষ্ঠা ৫



# শ্ৰীলংকাত সৰ্বোদয় আন্দোলন

## শ্ৰীলংকাৰ গৃহযুদ্ধতো গান্ধী-বিনোৱাৰ সৰ্বোদয় আন্দোলনে শান্তি স্থাপনত প্ৰভাৱ পেলাইছিল



অৱলোকন

অহল্যা গগৈ

**দ্বিতীয়** বিশ্বযুদ্ধৰ পাছৰ পৰা বৌদ্ধ ধৰ্মত এক নতুন ভাবধাৰা গঢ় লৈ উঠা দেখা গৈছে। অতীজৰ বৌদ্ধ বিহাৰবোৰৰ পৰম্পৰাগত নৈতিক আৰু শিক্ষামূলক দীক্ষাৰ পৰিৱৰ্তে বৰ্তমান কালত সামাজিক আৰু সাংস্কৃতিক বিষয়টোৱে জীৱন যাপন কলাৰ ওপৰত আলোড়ন তুলিছে। এই শিক্ষানুষ্ঠানবোৰত মানৱীয় দিশত জীৱন ধাৰাৰ উন্নতিকৰণৰ চৰ্চা কৰাৰ ফলস্বৰূপে অতীতৰ গুৰুসকলৰ প্ৰাধান্যতাক নস্যাৎ কৰিবলৈ লোৱা হৈছে। বৌদ্ধ নৈতিক আৰু শিক্ষামূলক দীক্ষাৰ পৰিৱৰ্তে মানৱীয়তাৰ ওপৰত গুৰুত্ব দিয়াৰ সজাগতা গঢ়ি তোলা হৈছে। গৌতম বুদ্ধই অতীজতে বৌদ্ধ সন্ন্যাসী আৰু সমাজৰ সাধাৰণ শ্ৰেণীৰ মানুহখিনিৰ লগত এক সামাজিক সংস্পৰ্শৰে বৌদ্ধ সংঘবোৰ পৰিচালনা কৰিছিল কাৰণ বৌদ্ধ সন্ন্যাসীসকলে তেওঁলোকৰ দৈনন্দিন আহাৰ, বস্ত্ৰ আদি জীয়াই থকাৰ সামগ্ৰীখিনি সাধাৰণ শ্ৰেণীৰ ওপৰত নিৰ্ভৰ কৰি চলিছিল। এওঁলোকৰ পৰাই বৌদ্ধ সন্ন্যাসীসকলে দৈনন্দিন ব্যৱহাৰ কৰা সামগ্ৰীবোৰৰে ভিক্ষাৰ পাত্ৰ পূৰণ কৰিছিল। জনসাধাৰণে বৌদ্ধ ধৰ্মক সন্মান জনাই নিজহাতে তেওঁলোকৰ খাদ্য ৰান্ধি আগবঢ়াইছিল আৰু সন্ন্যাসীসকলেও সেই আহাৰ গ্ৰহণ কৰি ভোক নিবাৰণ কৰিছিল। শেহতীয়াকৈ জাপানৰ ধৰ্মীয় নেতা ডাই-চাকু-ইকেডা'ৰ নেতৃত্বত গঠিত হোৱা SGI (SOKA-GOKKAI-INTERNATIONAL) বৌদ্ধ অনুষ্ঠানটোৰ নৱ-সজাগতাৰ আলোড়ন বিশেষভাৱে উল্লেখনীয়। তেওঁলোকেও পুৰাতন বৌদ্ধ দীক্ষাৰ পৰিৱৰ্তে বৰ্তমান বিশ্বৰ মানৱ ধৰ্মৰ উন্নতিকৰণত গুৰুত্ব দিয়াৰ উদ্দেশ্যে শিক্ষা অনুষ্ঠান গঢ়ি তোলাত আগবাঢ়িছে। সমগ্ৰ বিশ্বতে এই অনুষ্ঠানে ব্যাপকতা লাভ কৰিবলৈ সক্ষম হৈছে।

শ্ৰীলংকাত গান্ধী-বিনোৱাৰ সৰ্বোদয় আন্দোলন প্ৰচলন হোৱাৰ বিষয়ে জনা যায় যে গান্ধীজীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ শ্ৰীলংকাত ১৯৫৮ৰ পৰা শ্ৰমদান আন্দোলন আৰম্ভ কৰা হৈছিল। অৰিয়াৰত্নে (Ariaratne) নামৰ এজন শিক্ষাগুৰুৱে কলম্বোত অৱস্থিত নালন্দা কলেজত নগৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ ছাত্ৰসকলক শ্ৰমদান আদৰ্শৰে অনুপ্ৰাণিত কৰি দৰিদ্ৰ গাঁও অঞ্চলত স্বাস্থ্যসেৱা আৰু খোৱাপানীৰ বাবে কুঁৱা খান্দিবলৈ উদ্‌গনি দিছিল। এই দিশত গান্ধী-বিনোৱাৰ সৰ্বোদয় (সৰ্বজনৰ জাগৰণ) আন্দোলনৰ আদৰ্শৰে জনসাধাৰণক সজাগ কৰি গাঁও উন্নয়ন, ব্যক্তিগত কল্যাণ আৰু সামাজিক দিশতো অনুপ্ৰাণিত কৰা হৈছিল। উন্নয়নৰ কামত গ্ৰাম্য জীৱনৰ সকলো বিষয়ে গাঁওবাসীসকলৰ স'তে আলোচনা কৰি উন্নয়নৰ সিদ্ধান্তত উপনীত হৈছিল। এইদৰে তেওঁলোকে কাৰ্য আঁচনিত ২৪ হেজাৰ গাঁও সামৰি লৈছিল। তদুপৰি শ্ৰীলংকাৰ অন্তৰ্বৰ্তীকালীন গৃহযুদ্ধতো তেওঁলোকে সৰ্বোদয় আন্দোলনৰ ভাবধাৰাৰে দুই শত্ৰুপক্ষৰ মাজত শান্তি বাতাবৰণ আনিবলৈও সক্ষম হৈছিল।

ওপৰোক্ত কথাৰ আঁত ধৰি ভাৰতত যুদ্ধকালীন অৱস্থাত গান্ধীজীৰ সৰ্বোদয় আন্দোলনৰ বিষয়ে জানিলেহে লেখাটো পৰিষ্কাৰ হ'ব। ১৯৩৯তে আৰম্ভ হোৱা দ্বিতীয় বিশ্বযুদ্ধই দেশত যি অচলাৱস্থাৰ সৃষ্টি কৰিছিল, সেই অৱস্থাত ভাৰতত চলি থকা স্বাধীনতা আন্দোলন কিদৰে আগুৱাই নিয়া হ'ব, তাকেই মহাত্মা গান্ধীয়ে চিন্তা কৰিলে। বিশ্বযুদ্ধৰ সময়ত গণ-আন্দোলন কৰিলে দেশত দমন, নিৰ্যাতনৰ পুনৰাবৃত্তি হ'ব বুলি তেওঁ ভাবি উলিয়ালে, এক শৃংখলাবদ্ধ অসহযোগ বা সীমিত সত্যাগ্ৰহ কৰাই হ'ব একমাত্ৰ বিৰোধৰ উপায়। এই কাৰ্যপন্থামতে মাত্ৰ এজন সত্যাগ্ৰহীয়ে ৰাজপথত ওলাই ব্ৰিটিছক যুদ্ধত সহায় নকৰিবলৈ শ্ৰোতাসকলক জাগ্ৰত কৰিব। পুলিচে সেইজন সত্যাগ্ৰহীক গ্ৰেপ্তাৰ কৰাৰ লগে লগে অন্য এজন সত্যাগ্ৰহীয়ে সেই স্থান ল'ব। ইয়াৰ বাবে গান্ধীজীয়ে প্ৰথমজন সত্যাগ্ৰহী তেওঁৰ কনিষ্ঠ শিষ্য বিনোৱা ভাৱেক দায়িত্ব দিলে। এইগৰাকী সতীৰ্থৰ লগত তিনি দশকজোৰা সান্নিধ্যত বিনোৱাক আত্মসংযম আৰু জ্ঞানৰ দিশত উত্তম পুৰুষ বুলি গান্ধীজীয়ে বিবেচনা কৰিছিল।

গান্ধীজীৰ দেহাৱসানৰ পাছত স্বৰাজোত্তৰ পৰিৱেশত মহাত্মাজনৰ আধৰুৱা কৰ্ম আঁচনি আগবঢ়াই নিয়াৰ অৰ্থে ১৯৪৮ত সহযোগীসকলে সেৱাগ্ৰামত এখন সন্মিলন অনুষ্ঠিত কৰে। মহাত্মাজনে কল্পনা কৰা মতে সদ্য স্বাধীনতাপ্ৰাপ্ত ভাৰতবাসীৰ মংগলৰ অৰ্থে 'সৰ্বোদয় সমাজ' ৰচনা কৰাৰ তেওঁৰ যি আঁচনি আছিল, সেই বিষয়ে আলোচনা কৰা হৈছিল। কোনো আনুষ্ঠানিক নিয়ম নাৰাখি সত্য, প্ৰেম আৰু অহিংসাৰ আদৰ্শৰে মানুহক সেৱা কৰাই হ'ব সৰ্বোদয় সমাজৰ প্ৰধান লক্ষ্য আৰু স্বেচ্ছাসেৱকসকলেই সৰ্বোদয় সমাজ গঢ়াত অৰিহণা যোগাব। এই উদ্দেশ্যে প্ৰতি বছৰে কৰ্মীসকলে সৰ্বোদয় সন্মিলন অনুষ্ঠিত কৰি নিজ নিজ কৰ্ম অভিজ্ঞতাৰে ভৱিষ্যত কৰ্মপন্থা নিৰ্ধাৰণ কৰিব। ইতিমধ্যে ৱাৰ্ধাৰ ওচৰৰ পৱনাৰ আশ্ৰমত আচাৰ্য্য বিনোৱাভাৱেই সৰ্বোদয় সমাজৰ বাবে এখন ক্ৰান্তিকাৰী আঁচনি তৈয়াৰ কৰি গাঁৱে গাঁৱে পদযাত্ৰা কৰিবলৈ লৈছিল। গ্ৰাম্য অঞ্চলত বিনোৱাজীয়ে পদযাত্ৰা কৰাৰ উদ্দেশ্য আছিল, গাঁওবাসীৰ প্ৰকৃত অভাৱ-অভিযোগবোৰৰ বুজ লৈ ৰাইজৰ সহযোগিতাৰেই সমাধান কৰাৰ উপায় অৱলম্বন। ক্ষমতাধৰ্মী ৰাজনীতিক সেৱাধৰ্মী কৰি তোলাই গান্ধীজীৰ পৰিকল্পনা আছিল। ওপৰত উল্লেখ কৰা সন্মিলন এখনত অসমৰ গান্ধী-বিনোৱাৰ একান্ত শিষ্যা চিৰকুমাৰী অমল প্ৰভা দাস উপস্থিত আছিল। এইগৰাকী মহীয়সী নাৰী মুক্তিযুঁজাৰু ডাঃ হৰিকৃষ্ণ দাস আৰু হেমপ্ৰভা দাসৰ সুযোগ্য কন্যা। স্বাধীনতা সংগ্ৰামী আৰু গান্ধী বিনোৱাৰ প্ৰিয় শিষ্যা অমল প্ৰভাই সৰুৱে পৰা গান্ধীজীৰ আন্দোলনত উদ্বুদ্ধ হৈ সূত্ৰযজ্ঞত যোগদান কৰি গাইছিল—গান্ধী সূতা কাটে, গান্ধী সূতা কাটে। যঁতৰত আউল লাগিলে ভলণ্টিয়াৰ মাতে। খদ্দৰ পৰিহিত গোটেই পৰিয়ালটোৱেই দেশপ্ৰেমী গীতেৰে অসমৰ মুক্তি সংগ্ৰামত জীৱন উছৰ্গা কৰিছিল। ওপৰোক্ত সন্মিলনখনৰ সিদ্ধান্তই অমল প্ৰভা দাসক বাৰুকৈয়ে অনুপ্ৰাণিত কৰিলে। সৰ্বোদয় আন্দোলনৰ বাবে প্ৰাণ ঢালি জীৱন উছৰ্গা কৰি অসমত তেওঁ সৰ্বোদয় আন্দোলনৰ নেতৃত্ব দিলে।

আনহাতে, বিনোৱাজীয়ে অহিংস উপায়েৰে দেশৰ সকলো সমস্যা সমাধান কৰাৰ অৰ্থে 'ভূদান যজ্ঞ' নামেৰে এক নতুন আন্দোলন উদ্ভাৱন কৰিছিল এই 'ভূ-দান যজ্ঞ' হায়দৰাবাদত ঘটা এটা ঘটনাৰ পৰাই এক সামাজিক বিপ্লৱৰ সূচনা হৈছিল। ১৯৫১ত তেলেংগানা অঞ্চলত জমিদাৰ আৰু বনুৱা কৃষকসকলৰ মাজত অধিকৃত ভূমিক লৈ এক তীব্ৰ হিংসাত্মক সংঘৰ্ষ হৈছিল। বিনোৱাজীয়ে সেই ঘটনাৰ কথা শুনি সেই ঠাইত উপস্থিত হ'লগৈ। সংঘৰ্ষৰ সকলো বুজ লৈ তেওঁ কৃষকসকলক প্ৰশ্ন কৰিলে, 'কিমান মাটি পালে তেওঁলোক সন্তুষ্ট হ'ব?' কৃষকসকলে উত্তৰ দিলে, পেট প্ৰৱৰ্তোৱাৰ উদ্দেশ্যে কেৱল গাইপতি ৮০ একৰ মাটি পালেই তেওঁলোকৰ অভাৱ দূৰ হ'ব আৰু সংঘৰ্ষৰো ওৰ পৰিব। বিনোৱাই তেতিয়া অন্তৰ্দৰ্শী উদাত্ত কণ্ঠেৰে সমবেত জনতাক প্ৰশ্ন কৰিলে, এই বনুৱা কৃষকসকলক কিছু মাটি এৰি দিবলৈ আপোনালোকক মাজত কোনোৱেই নাইনে?' তেওঁৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰামচন্দ্ৰ ৰেড্ডী নামৰ এজন উদাৰ লোকে পৈতৃক সম্পত্তিৰ পৰা এশ একৰ মাটি দান দিবলৈ আগবাঢ়ি আহিল। ১৯৫১ৰ সেই শুভ দিনটোৰ পৰাই বিনোৱাই আৰম্ভ কৰিলে 'ভূদা-যজ্ঞ' আন্দোলন। কৃষিপ্ৰধান দেশখনত মাটিৰ সমস্যা শান্তিপূৰ্ণভাৱে সমাধান কৰিব পৰা এই মহৎ 'ভূদান যজ্ঞ' জনসাধাৰণে আদৰি ল'লে। অভূতপূৰ্বভাৱে কেৱল উত্তৰ প্ৰদেশতে বিনোৱাজীয়ে ছয়মাহৰ ভিতৰত পদযাত্ৰা কৰি ৰাইজৰ পৰা এক লাখ একৰ ভূমিদান সংগ্ৰহ কৰিলে। উল্লেখনীয় যে গান্ধী-বিনোৱাৰ ভূমিদান প্ৰথা ভাৰতত অতীজৰ পৰা প্ৰচলিত আছিল। এই ভাবধাৰাই গ্ৰাম্য সমাজক ঐক্য আৰু সংহতি বৰ্তাই ৰখাত সহায় কৰিছিল, যি প্ৰথা ইংৰাজ চৰকাৰেও প্ৰশংসা কৰিছিল। অসমতো অমল প্ৰভা দাসে এই আন্দোলনৰ নেতৃত্ব দি হেজাৰ হেজাৰ ভূমি সংগ্ৰহ কৰিলে।

গান্ধীজীয়ে জীৱিত কালত সদায় অহিংসাৰ দ্বাৰা সমাজত শান্তি স্থাপন কৰিবলৈ স্ত্ৰীশক্তিক আহ্বান জনাইছিল। তেওঁৰ মতে এগৰাকী মাতৃৰ গাত সৰ্বকালে যি প্ৰেম ত্যাগ আৰু ক্ষমা গুণ থাকে সেই স্নেহৰ শক্তিয়েই মানুহৰ আধ্যাত্মিক শক্তি। গান্ধীজীৰ এই ভাৱনাক বিনোৱাজীয়ে আদৰণি জনাই এটা ১২ বছৰীয়া অখিল ভাৰত মহিলা লোক যাত্ৰাৰ কথা চিন্তা কৰি উলিয়ায়। ভাৰত মহিলা লোক যাত্ৰাৰ এই কাৰ্যক্ৰম সমগ্ৰ ভাৰতত বিয়পি পৰিব আৰু ইয়াৰ মূলমন্ত্ৰ হ'ব সত্য, প্ৰেম আৰু কৰুণাৰ আধাৰত এখন মংগলময় ভাবৰ সমাজ গঢ়াৰ। বিনোৱাজীয়ে এই উদ্দেশ্যে বিহাৰৰ পদযাত্ৰা বাহৰত এখন সন্মিলন অনুষ্ঠিত কৰি তেওঁৰ শিষ্যা অমল প্ৰভা আৰু সংগ্ৰামী আৰু সাহসী সেৱিকা হেম ভৰালীক নিমন্ত্ৰণ জনালে। বিনোৱাজীয়ে হেম ভৰালীৰ সাহসিকতাৰ গুণৰ কথা গম পাই হেম ভৰালীকে উক্ত ১২ বছৰীয়া লোকযাত্ৰাৰ নেতৃত্বৰ ভাৰ দিলে। এই উদ্দেশ্যে বিনোৱাৰ তিনিগৰাকী একান্ত শিষ্যাৰে স'তে হেম ভৰালীয়ে ১৯৭৯ত ১২ বছৰীয়া অখিল ভাৰত মহিলা লোকযাত্ৰাৰ নেতৃত্ব দিলে। লোকযাত্ৰা উদ্বোধন কৰিছিল অমল প্ৰভা দাসে। লোকযাত্ৰাৰ দলটোৱে ভাৰতৰ বিভিন্ন অঞ্চলৰ উপৰি নেপাল আৰু শ্ৰীলংকাতো পদযাত্ৰা কৰিলে। ইয়াৰ পাছত পত্তনাৰত উপস্থিত হৈ লোকযাত্ৰাৰ সামৰণি মাৰে। উল্লেখ্য যে তেওঁলোকে যেতিয়া শ্ৰীলংকাত পদযাত্ৰা কৰিছিল সেই সময়ত দ্বীপ ৰাষ্ট্ৰখনত সৰ্বোদয় আন্দোলন ভালেখিনি আগবাঢ়ি গৈছিল। শ্ৰীলংকাত নেতৃবৰ্গই সৰ্বোদয়ৰ শ্ৰমদান ভাব ধাৰাৰ আগুৱাই গৈ ১৯২০ত শ্ৰমদান আন্দোলনৰ দ্বাৰা ২৪ হেজাৰ গাঁও সামৰি ল'বলৈ সক্ষম হৈছিল। এই আন্দোলনৰ দ্বাৰাই দৰিদ্ৰ কৃষকসকলকো উন্নয়নৰ দিশত সমভাৱে সিদ্ধান্তত ভাগ লোৱাৰ অধিকাৰ দিয়া হৈছিল।

১২ বছৰীয়া পদযাত্ৰাৰ নেতৃত্ব দি যিগৰাকী সাহসী নাৰী হেম ভৰালীয়ে অসমৰ গৌৰৱ আগবঢ়াইছিল, তেওঁ জন্মগ্ৰহণ কৰিছিল লখিমপুৰৰ ঢকুৱাখনা গাঁৱত। স্কুলীয়া দিনৰে পৰা স্বাধীনতা আন্দোলনত ভাগ লৈ অবিবাহিত জীৱন কটাই ১০৯ বছৰ বয়সত ২০২০ৰ ৩০ এপ্ৰিলৰ দিনা এইগৰাকী মহান নাৰীয়ে ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ আগে আগে তেওঁ জনতাৰ কল্যাণৰ অৰ্থে নিজৰ পাৰ্থিৱ শৰীৰ দান কৰি গৈছিল।

যাহওক বৰ্তমান কালত দিল্লীৰ চৌপাশে যি কৃষক আন্দোলনে পৃথিৱী কঁপাবলৈ সক্ষম হৈছে আৰু সহস্ৰজনৰ হৃদয় আলোড়িত কৰিছে সেই অভুতপূৰ্ব আন্দোলনৰ সমস্যা সমাধানৰ বাবে বৰ্তমানৰ দিল্লীৰ চৰকাৰখনে যাতে গান্ধী-বিনোৱাৰ আদৰ্শৰে অনুপ্ৰাণিত হ'ব পাৰে, তাকেই দেশবাসীয়ে কামনা কৰিছে।

*ফোন ঃ ৯৯৫৪০৩৮৭০৪*

---

চতুৰ্থ খণ্ড

# পাকিস্তান ঘূৰি আহিলো

**মই পানীত জঁপিয়াই পৰিলো। ৰাতিৰ অন্ধকাৰত পানীত ভাহিছো আৰু ডুবিছো। অসহ্য যন্ত্ৰণা-অৱসন্ন। আৰু কিমান দেৰি পাৰিম নাজানো। সেই সময়তে এখন নাও যোৱা দেখি মোৰ সমস্ত শক্তিৰে চিঞৰি উঠিলো— 'বচোৱা।' নাৱৰীয়াই কৈ উঠিল— 'ই দেখোন হিন্দু, ব'ঠামাৰিৰে শেষ কৰি দিম নেকি**

মূল বাংলা ঃ শকুন্তল সেন

অসমীয়া অনুবাদ ঃ ড° সুনীল পবন বৰুৱা

### কবৰ ক'ত দিয়া হৈছে

হেজাৰ হেজাৰ মৃতদেহ কবৰ দিয়া হৈছে। ১) ময়লা ডিপো, ২) কাটলাৰ পুল, ৩) মীৰপূৰ, ৪) পুঞ্চ গোলাৰ উত্তৰ দিশৰ পথাৰত। গাঁও অথবা চহৰত আহত অৱস্থাত বহুলোক বিনা চিকিৎসাত মৰে আৰু দুৰ্গন্ধ ওলালে তেওঁলোকৰ বিকৃত মৃতদেহ বস্তাত ভৰাই নদীত উটুৱাই দিয়া হয়। মই এবটল দামী বিলাতী মদ উপহাৰ দি ময়লা ডিপোত দুটা বিৰাট কবৰ চাই আহিছো। নাৰায়ণগঞ্জত এজনক কথা প্ৰসংগত কৈছিলো— 'তোমালোকে কেৱল হিন্দু মৰা বুলি গল্প কৰা, কেৱল বাজে কথা।' তেওঁ ভীষণ খঙেৰে উত্তৰ দিলে— 'মাৰিছোনে নাই কবৰ চাব খোজা নেকি?' মই প্ৰথমে থতমত খাই তাৰ পাছত ক'লো— 'বাজে কথা বাদ দিয়া।' তাৰ পাছত যি দেখিলো সেইটো নেদেখা হ'লেই ভাল আছিল।

### হিন্দুসকলে কিয় বাধা দিয়া নাই

বহু মুছলমানে এই অভিযোগ কৰিছে যে কোনো ক্ষেত্ৰতে দুষ্কৃতিকাৰীয়ে আক্ৰান্ত হিন্দুসকলৰ পৰা সামান্যতম বাধাও পোৱা নাই। তেওঁলোকে দুখ কৰি কৈছে যে হিন্দুবিলাকে যেতিয়া জানিব পাৰিছে যে বচাৰ কোনো উপায় নাই তেতিয়া মৰ কামোৰটোও দিব পাৰিলেহেঁতেন! অস্ত্ৰ নাথাকক— মৈদা, দা-কুঠাৰ আদিৰেতো আক্ৰমণ প্ৰতিহত কৰিব পাৰিলেহেঁতেন। তেতিয়াহ'লে দুষ্কৃতিকাৰীবোৰৰ মনোবল অন্ততঃ কিছু পৰিমাণে নষ্ট হ'লহেঁতেন। অন্যহাতেদি তেওঁ কলিকতাৰ মুছলমানসকলৰ কথা ক'লে যে তেওঁলোকে দুষ্কৃতিকাৰীবোৰক বাধা দিবৰ চেষ্টা কৰাৰ বাবেই বাচি গৈছে। এজন সাংবাদিকে ক'লে যে বন্দৰ গাঁৱলৈ গৈ তেওঁ দেখিলে এটা কোঠাত ছটা মৃতদেহ পুৰি বীভৎস হৈ আছে। ঘৰত জুই লগা সত্ত্বেও বাহিৰলৈ ওলাই নাহিল। ঘৰৰ ভিতৰতে পুৰি মৰিছে— এনেকুৱা আৰু ঘটনা আছে। সাহস আৰু প্ৰতিৰোধ ক্ষমতাৰ অভাৱেই পূৰ্ববংগত হিন্দুসকলৰ চৰম সৰ্বনাশৰ কাৰণ— অন্য এজনে এই অভিমত প্ৰকাশ কৰিছে।

### গাঁৱৰ মুছলমানৰ ভূমিকা

এই কথা ঠিক নহয় যে গাঁৱৰ প্ৰত্যেকজন মুছলমান হিন্দুসকলৰ সাহায্যৰ বাবে আগুৱাই আহিছে। পুনৰ এই কথাও অস্বীকাৰ কৰিব নোৱাৰি যে গাঁৱৰ মুছলমানসকল যদি সাধাৰণভাৱে সাহায্যৰ বাবে আগুৱাই নাহিলহেঁতেন তেনেহ'লে মৃত্যুৰ পৰিমাণ আৰু বৃদ্ধি হ'লহেঁতেন। এই বিষয়ে ক্ষতিগ্ৰস্ত গাঁওবোৰৰ হিন্দুসকলৰ পৰা যিবোৰ তথ্য পাইছো তাৰ পৰা এই কথা প্ৰমাণিত হয় যে মুছলমানৰ মিশ্ৰিত ভূমিকা আছিল। তৎসত্বেও শতকৰা ৪৫ ভাগ মুছলমানে হিন্দুসকলক সাহায্য কৰিছে, ২০ ভাগে দুৰ্বৃত্তৰ লগত যোগ দিছে— আনসকলে নিৰপেক্ষ হৈ আছে। মই এখন গাঁৱৰ কথা কৈছো। গাঁওখনৰ নাম গুইটা অন্দৰ। ১৪ জানুৱাৰীত ভয়ংকৰ এটা খবৰ গোটেই গাঁওখনতে জুইৰ দৰে বিয়পি পৰিল— 'সিহঁত আহিছে।' ইতিপূৰ্বে ঢাকা আৰু নাৰায়ণগঞ্জৰ খবৰ শুনি ভয়ত হিন্দুবোৰৰ জীৱ শুকাই গৈছিল। সেই গাঁৱৰ মুছলমানসকলে কেৱল হিন্দুবোৰক লৈ অনাই নহয়, যিমানদূৰ সম্ভৱ বয়বস্তু আনিও প্ৰত্যেক মুছলমানৰ ঘৰে ঘৰে ৰাখিছিল। দোভাগ নিশা আক্ৰমণ চলিল। 'কাফেৰ ক'লৈ গ'ল?' মুছলমানসকলে ক'লে— 'সকলো পলাই গৈছে।' তেতিয়া সিহঁতে হিন্দুবোৰৰ খালী চুবুৰিত জুই লগাই মুছলমানৰ ঘৰত আক্ৰমণ আৰম্ভ কৰিলে। গাঁৱৰ মুছলমানেও প্ৰতি আক্ৰমণ আৰম্ভ কৰিলে। সাহায্যৰ বাবে আন কেইখনমান গাঁৱৰ মুছলমানো আগুৱাই আহিল। দুৰ্বৃত্তবোৰ বাধ্য হৈ পিছুৱালে। সকলোতকৈ লক্ষ্যণীয় বিষয় হ'ল এই যে গাঁৱৰ সক্ষম হিন্দু যুৱকবোৰে তিৰোতাৰ স'তে লুকাই থাকি প্ৰাণ বচোৱাৰ চেষ্টা কৰিছে; কিন্তু বাচিব নোৱাৰিলে। আমি পাহৰি যাওঁ যে দুৰ্বৃত্তবোৰৰো প্ৰাণৰ মায়া আছে, সিহঁত বীৰ নহয়, কাপুৰুষ। সেয়েহে প্ৰতিৰোধ কৰিব পাৰিলে নিশ্চয় সুফল লাভ কৰিব পাৰিলেহেঁতেন।

### সংবাদপত্ৰৰ ভূমিকা

১২ জানুৱাৰীৰ পৰা কটা-মৰা আৰম্ভ হৈ ১৩ জানুৱাৰীত ব্যাপক ৰূপ লয়। এক জানুৱাৰীৰ পৰা পূৰ্ব বাংলাৰ কেইখনমান কাকত যেনে— ইত্তেফাক, সংবাদ, পাকিস্তান অৱজাৰভাৰ ইয়াৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিলে। সেইবোৰ কাকতে লিখিলে— পূৰ্ববংগ দাংগাৰ বিৰুদ্ধে থিয় দিয়া।



কায়েদ আজম জিন্না, চুৰাবৰ্দ্দীৰ বাণীৰ উদ্ধৃতি দি শান্তিৰ বাবে আবেদন জনালে। দাবী কৰিলে চৰকাৰৰ পদত্যাগ, নিৰপেক্ষ তদন্ত আৰু দুৰ্বৃত্তবোৰৰ কঠোৰ শাস্তি। আৰু কটা-মৰাৰ মাজতে বাহিৰ হ'ল সেই স্মৰণীয় শান্তি-সমদল। প্ৰাণ আহুতি দিলে আমীৰ হুছেইন, কাজী ৰউফ, এমদাদ খাঁ আৰু বহুতে। চৰকাৰ সংবাদ পত্ৰসমূহৰ ওপৰত ৰুষ্ট হৈ পৰিল, শান্তি কমিটী অবৈধ ঘোষণা কৰিলে, ধৰপাকৰ আৰম্ভ হ'ল— আৰম্ভ হ'ল পুলিচৰ অত্যাচাৰ। সংবাদ পত্ৰৰ প্ৰকাশ বন্ধ হৈ পৰিল। অথচ এই সংবাদ পত্ৰসমূহেই ছাত্ৰ আৰু যুৱকসকলক লৈ শান্তি কমিটী গঠন কৰে। আনকি আজাদ আলোচনীয়েও কটা-মৰাৰ বিৰুদ্ধে লিখিছে। এখন বিখ্যাত সংবাদ পত্ৰৰ চীফ ৰিপ'ৰ্টাৰে মোক কৈছিল যে বাঙালীৰ লগত বাঙালীৰ বিৰোধ ঘটাই সিহঁতে মজা লৈছে আৰু ভাবিছে— ক্ৰমশঃ আমাৰ শক্তি ক্ষয় হ'ব আৰু আমাক শোষণ কৰিব। হিন্দুবিলাক হয়তো নাথাকিব, কিন্তু আমি এই অবাঙালী মুছলমানবোৰৰ লগত শেষ বুজা-পৰা কৰিম। ভদ্ৰলোকৰ চকু-মুখ খঙত ৰঙা পৰিছিল। 'আমাৰ সকলোতকৈ ডাঙৰ অসুবিধা কি জানে, এতিয়াও ইছলাম বিপন্ন বুলিলে যি ইচ্ছা, তাকে কৰিব পাৰি।



আৰু স্বাৰ্থজড়িত মহলে এই সুযোগ কামত খটুৱায়। অৱশ্যে আমাৰ মনোভাৱৰো পৰিৱৰ্তন হৈছে আৰু সিহঁতে তাৰ বাবেই ভয় কৰিছে।'

### প্ৰব্ৰজনৰ সমস্যা

ভাৰত চৰকাৰে ঘোষণা কৰিছে যে মাইগ্ৰেছন (প্ৰব্ৰজন) চাৰ্টিফিকেট নহ'লেও চলিব; কিন্তু সমস্যা সেইটো নহয়। পাকিস্তান চৰকাৰে ঘোষণা কৰিছে যে কেৱল তেওঁলোকককহে সীমান্ত পাৰ হ'বলৈ দিয়া হ'ব, যাৰ হাতত (১) ইনকমটেক্স ক্লিয়েৰেঞ্চ, (২) পাকিস্তানৰ অধিবাসী— এই দুখন চাৰ্টিফিকেট থাকিব। যিসকলে গাঁৱত বাস কৰে, খেতি কৰে, মাছ ধৰে অথবা নাও বায় তেওঁলোকৰ বাবে ইনকমটেক্স চাৰ্টিফিকেট সংগ্ৰহ কৰাটো কেনেকৈ সম্ভৱ আৰু গাঁৱত পাকিস্তানী নেছনেলিষ্টৰ চাৰ্টিফিকেট দিব ইউনিয়ন কাউন্সিলৰ চেয়াৰমেনে। সেইটো সংগ্ৰহ কৰিবলৈ হ'লে মাটি, গৰু-জৰু আৰু ধন দি চেয়াৰমেনক সন্তুষ্ট কৰিব লাগিব। আৰু এটা প্ৰধান অসুবিধা হল যে মৈমনসিং, চাঁদপুৰ, চৌমুহনি য'তেই নাথাকক মাইগ্ৰেচন অথবা ভিছাৰ বাবে ঢাকালৈ আহিব লাগিব। প্ৰত্যেক মহকুমাৰ চহৰত যদি এইবোৰ দিয়াৰ ব্যৱস্থা থাকিলহেঁতেন তেনেহ'লে মানুহৰ অনেক কষ্ট লাঘৱ হ'লহেঁতেন।

### ভাৰতীয় হাইকমিছনৰ অফিচ অপদাৰ্থ

যিদৰে অক্ষম আৰু অযোগ্য ভাৰত চৰকাৰ তেনেই ইয়াৰ বৈদেশিক প্ৰতিনিধি। ভাৰতীয় হাইকমিছনৰ অফিচত সপ্তাহত দুদিন মাইগ্ৰেচন চাৰ্টিফিকেট বিতৰণ কৰা হয়। হেজাৰ হেজাৰ মানুহে ভিৰ কৰে। ৰাজপথৰ ওপৰত লাইন দিব লাগে। ১৫-২০ হেজাৰ মানুহ যদি একেলগ হয় তেনেহ'লে ঠেলা-ঠেলি হ'বই; কিন্তু মই দেখিছো এই নিৰপৰাধ মানুহবোৰৰ কি অসহায় কৰুণ অৱস্থা! বেছিভাগেই অতি দৰিদ্ৰ। আহিছে দূৰ-দূৰণিৰ গাঁৱৰ পৰা; কিন্তু পুলিচে তেওঁলোকৰ ওপৰত যি নিৰ্মম অত্যাচাৰ কৰে, তাক নেদেখিলে সেইটো বুজাব নোৱাৰি। মই স্পষ্টভাৱে ক'ব খুজিছো যে ১১ জানুৱাৰীত পুলিচে তিনিবাৰ লাঠি চাৰ্জ কৰে আৰু অসহায় মানুহখিনিয়ে থিয় হৈ থাকি মাৰ খাইছে— কিজানি পলাই গ'লে লাইন ভাঙি যায়। অৱস্থাটো এবাৰ ভাবি চাওক; কিন্তু ভাৰতীয় হাইকমিছনৰ অফিচে সামান্যভাৱেও ইয়াৰ প্ৰতিবাদ কৰা নাই। ওচৰে-পাঁজৰে ক'তো পানীৰ ব্যৱস্থা নাই আৰু এটা অসুবিধা হ'ল যে এজন মানুহক এখনতকৈ বেছি ফৰ্ম নিদিয়ে। মৈমনসিং, ফুলবাৰী থানাৰ এজন ভদ্ৰলোক মোৰ কাষলৈ আহিল, দেখিলো এখন বিৰাট আবেদন পত্ৰত প্ৰায় এশজন নাৰী-পুৰুষে টিপচহী অথবা চহী কৰিছে। হাইকমিছনক সম্বোধন কৰা হৈছে— 'ভাৰতবৰ্ষৰ পাকিস্তানী হাইকমিছনৰ মন্ত্ৰী মহোদয়ৰ সমীপেষু।' অনুৰোধ কৰা হৈছে যে অমুক চন্দ্ৰ অমুককে তেওঁলোকৰ ফৰ্মবোৰ যেন দিয়া হয়। আৰু এই ফৰ্ম দিয়া বিষয়ক লৈ হাইকমিছনৰ কৰ্মচাৰীৰ লগত মোৰ কাজিয়াৰ সূত্ৰপাত। মোৰ বক্তব্য আছিল যে প্ৰতিনিধি স্থানীয় এজন আহিলেই প্ৰয়োজন অনুসৰি ফৰ্ম দিয়া উচিত।

ফোন ঃ ৯৪০১৩৬৯৪৬৯/ ৮৩৯৯৯৬৭৩৩০

*লেখাটো প্ৰতি বৃহস্পতিবাৰে প্ৰকাশ পাব*

---

# চুবুৰীয়াক ভোকত ৰখাজন মুছলমান নহয়

চাহাবুদ্দিন আহমেদ

**ভালৰ** পৰিণাম ভাল আৰু বেয়াৰ পৰিণাম সদায় বেয়াই হয়। সকলো ধৰ্মতে এই নীতিবচন আছে। ইছলাম ধৰ্মতো একেই নিৰ্দেশনা দিয়া আছে। কোনোবাই ইয়াক বিকৃত ৰূপত উপস্থাপন কৰিব পাৰে; কিন্তু আল্লাই ইয়াক স্পষ্ট ৰূপত পৱিত্ৰ কোৰান শ্বৰীফত উল্লেখ কৰিছে। 'অশান্তি-বিপৰ্যয় সৃষ্টি কৰা হত্যাতকৈয়ো ডাঙৰ অপৰাধ।' (আল-বাকাৰাহ-২ঃ২১৭)

ইয়াৰ দ্বাৰা স্পষ্ট হয় যে নৰহত্যা ইছলামৰ দৃষ্টিত এটা মহা অপৰাধ; কিন্তু অশান্তি আৰু বিশৃংখলা সৃষ্টি কৰা নৰহত্যাতকৈও ডাঙৰ অপৰাধ বুলি কোৱা হৈছে। যিহেতু সমাজত বিশৃংখলতা বা বিপৰ্যয়ৰ দ্বাৰা মানুহ বেছি আক্ৰান্ত হয়। ক্ষয়-ক্ষতিৰ পৰিণাম যথেষ্ট হয়। সেয়েহে আল্লাহে পুনৰ বাৰে বাৰে কৈছে—

১) 'আল্লাহে বিপৰ্যয় সৃষ্টিকাৰীক পছন্দ নকৰে।' (আল-কাছাছ-৫ঃ৬৪)

২) 'যেনেদৰে আল্লাহে তোমাৰ প্ৰতি অনুগ্ৰহ কৰিছে (তেনেদৰে তুমিও আত্মাৰ প্ৰতি অনুগ্ৰহ কৰা) আৰু বিপৰ্যয় সৃষ্টি কৰিবলৈ প্ৰয়াস নকৰিবা। আল্লাহে পৃথিৱীত বিপৰ্যয় সৃষ্টিকাৰীক মুঠেই ভাল নাপায়।' (আল-কাছাছ-২৮ঃ৭৭)।

মহান আল্লাহে এক মহান উদ্দেশ্য আগত ৰাখি পৃথিৱীখন সৃষ্টি কৰি মানুহ আৰু আন প্ৰাণীকুলৰ বসবাসৰ বাবে উপযুক্ত কৰি দিছে। ইয়াৰ বাবে জীৱশ্ৰেষ্ঠ মানুহক নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰিবলৈ দিহা-পৰামৰ্শ দিছে। আনকি কেতবোৰ কঠোৰ নিৰ্দেশো দিছে, যাতে সুস্থিৰ বাতাবৰণৰে সমাজত শৃংখলতা বজাই থাকে। সৃষ্টিকৰ্তাই জীৱশ্ৰেষ্ঠক ধ্বংসমূলক কাম কৰাটো পছন্দ নকৰে। এনে কামৰ পৰা আঁতৰত থাকিবলৈ নিৰ্দেশ দিছে। বহুতে ভবাৰ দৰে ইছলাম ধৰ্মত আন ধৰ্মৰ প্ৰতি বিদ্বেষভাৱ পোষণ কৰিবলৈও দিয়া হোৱা নাই। আল্লাহে স্পষ্টকৈ মুছলমানসকলক ক'বলৈ কৈছে— 'মই যাৰ উপাসনা নকৰো, তোমালোকে যাৰ উপাসনা কৰা। তোমালোকৰ বাবে তোমালোকৰ কৰ্মফল আৰু মোৰ বাবে মোৰ কৰ্মফল।' (ছুৰা ক্বাফিৰূপ)

মানুহৰ মাজত ভিন্নতা থাকিব পাৰে। সেই বুলি তেওঁলোকৰ প্ৰতি ঘৃণা-বিদ্বেষভাৱ পোষণ কৰিবলৈ কোৱা হোৱা নাই। কোনোবাই যদি কৰে সেয়া পৱিত্ৰ কোৰান-হাদিছক অৱমাননা কৰা হ'ব। চুবুৰীয়া লোকৰ প্ৰতি



আল্লাহৰ নবী হজৰত মহম্মদ (ছঃ)এ কৈছে—

'যাৰ অত্যাচাৰৰ পৰা প্ৰতিবেশীসকল নিৰাপদ নহয়, তেওঁ কেতিয়াও বেহেস্তত নাযাব।' (শচায়খান/বৰ্ণনা আবু লুঠাইৰাহ (ৰাঃ)।

মাথোঁ সেয়াই নহয়, এই ক্ষেত্ৰত পয়গম্বৰ হজৰত মহম্মদ (ছঃ)এ কৈছে—

'তেওঁ জান্নাতত প্ৰৱেশ নকৰে, যাৰ দুষ্কৃতিৰ পৰা তেওঁ চুবুৰীয়া নিৰাপদ নহয়। (মুছলিম)

ইছলাম ধৰ্মই ওচৰ চুবুৰীয়াৰ প্ৰতি মনোযোগ দিবলৈ, তেওঁলোকৰ অসুবিধাৰ প্ৰতি আৰু অসহায় অৱস্থাত সহায়ৰ হাত আগবঢ়াবলৈ মুছলমানসকলক বিশেষভাৱে আহ্বান জনাইছে। এই ক্ষেত্ৰত চুবুৰীয়া বুলি মুছলমানসকলৰ কথা কোৱা নাই। চুবুৰীয়া যিকোনো সম্প্ৰদায়ৰ হ'ব পাৰে, যিকোনো ভাষা বা ধৰ্মৰ হ'ব পাৰে। ভাষা, ধৰ্ম, সম্প্ৰদায় যিয়েই নহওক— সকলো চুবুৰীয়াৰ প্ৰতি আন্তৰিকতা থকাটো আৰু সহযোগিতা আগবঢ়োৱাটো ইছলাম ধৰ্মৰ নীতি। কাৰণ আল্লাহৰ ৰছুলে কৈছে—

'যি ব্যক্তিয়ে তেওঁৰ প্ৰতিবেশীক ক্ষতিগ্ৰস্ত কৰিব আল্লাহে তেওঁক ক্ষতিগ্ৰস্ত কৰিব আৰু যিয়ে তেওঁক কষ্ট দিব আল্লাহে তেওঁক কষ্ট দিব।' (আবুদাউদ)

আনহাতে, ওচৰ চুবুৰীয়াৰ প্ৰতি সৎ হ'বলৈ নিৰ্দেশ দি আল্লাহে কৈছে—

'আত্মীয়-প্ৰতিবেশী আৰু অন্যান্য প্ৰতিবেশীৰ প্ৰতি সৎ হোৱা।' (আল কোৰান)

ধৰ্ম-সম্প্ৰদায় তথা যি ভাষা-ভাষীৰে নহওক নবী কৰিম (ছঃ)-এ কৈছে—

'যি ব্যক্তিয়ে নিজে পেট ভৰাই খায় আৰু তেওঁৰ নিকটতম প্ৰতিবেশীক লঘোনে ৰাখে, তেওঁ কেতিয়াও মুছলমান নহয়।' (মিশ্চকোত)

বহুতে ভবাৰ দৰে হজৰত মহম্মদ (ছঃ)-এ অকল ধৰ্ম প্ৰচাৰ কৰি ধৰ্মৰ প্ৰসাৰত গুৰুত্ব দিয়া নাছিল। আল্লাহৰ শেষ নবীজনে ইয়াৰ লগে লগে মানুহৰ দায়িত্ব আৰু কৰ্তব্য সন্দৰ্ভতো সোঁৱৰাই দিছিল। নিজে পেট পূৰাই খাই সমীপৰ চুবুৰীয়াজন লঘোনে থকা বিষয় সন্দৰ্ভত ইমান কঠোৰ নিৰ্দেশনা দি তেওঁ দাঙি ধৰিছিল নিজৰ মানৱীয়তা। শান্তিৰ সলনি যাতে বিশৃংখলৰ সৃষ্টি নহয় আৰু চুবুৰীয়াৰ প্ৰতি দায়িত্ব সোঁৱৰাই আল্লাহৰ প্ৰিয় নবীয়ে কৈছে—

১) 'যি ব্যক্তিয়ে দুৰ্দশাগ্ৰস্ত ব্যক্তিক সান্ত্বনা দিয়ে তেওঁক দুৰ্দশাগ্ৰস্ত ব্যক্তিৰ সম-পৰিমাণে পুৰস্কৃত কৰা হ'ব।' (তিৰমিজী)

২) 'যি ব্যক্তিয়ে আল্লাহ আৰু আখিৰাতত বিশ্বাস কৰে তেওঁৰ কৰ্তব্য হ'ব প্ৰতিবেশীক সন্মান কৰা।' (বুখাৰী)

৩) 'যি ব্যক্তিয়ে আল্লাহ আৰু তেওঁৰ ৰছুলক ভাল পাব বিচাৰে আৰু তেওঁলোকৰ ভালপোৱাটো পোৱাৰ ইচ্ছা কৰে, তেওঁ যেন সদায় সত্য কথা কয়, গচ্ছিত বা জমা ধন ঘূৰাই দিয়ে আৰু প্ৰতিবেশীৰ উপহাৰ কৰে।' (মিশ্চকোত)

আনহাতে, নিজৰ পৰিয়ালৰ ভ্ৰাতৃৰ লগত সম্বন্ধ অটুট ৰাখিবলৈ সোঁৱৰাই দি কৈছে—

'যি ব্যক্তিয়ে এবছৰ পৰ্যন্ত তেওঁৰ ভায়েকৰ স'তে সম্পৰ্ক ছিন্ন কৰিছে, তেওঁ যেন তেওঁৰ ভায়েকক হত্যা কৰিছে। (আবুদাউদ)

'কোনো মুছলমানৰ পক্ষেই উচিত নহয় যে তেওঁ তেওঁৰ ভায়েকৰ স'তে তিনি ৰাতিৰ অধিক কথা-বাৰ্তা বন্ধ ৰাখে বা যেতিয়া দুয়ো বিবাদৰ স'তে সাক্ষাৎ হয়, তেতিয়া পৰস্পৰে বিপৰীত ফালে মুখ ফিৰাই ৰাখে, তেতিয়া তেওঁলোকৰ ভিতৰত সেই ব্যক্তি উত্তম— যিয়ে প্ৰথমে চালামি দি কথা কয়।' (নাচায়ী)

সেয়ে প্ৰতিক্ৰিয়াশীল হৈ অশান্তিৰ সৃষ্টি কৰাতকৈ ধৈৰ্য ধৰি ভাল আচৰণ আৰু বুজাবুজিৰ দ্বাৰা শান্তিৰ পদক্ষেপ লোৱাটো ইছলামৰ আহ্বান। মহান আল্লাহ আৰু হজৰত মহম্মদ (ছঃ)ৰ এই নিৰ্দেশনা মানি চলাটো প্ৰতিজন মুছলমানৰ কৰ্তব্য। ইয়াৰ ভৱিয়তে সাম্প্ৰতিক বিশ্বত মুছলমান ধৰ্ম বুলিলে সন্দেহ-ঘৃণাৰ দৃষ্টিৰে চোৱা আন ধৰ্মৰ লোকসকল জ্ঞাত হ'ব ইছলাম ধৰ্মত প্ৰকৃততে কি কোৱা হৈছে আৰু ইয়াক কেনেকুৱা অৰ্থত ব্যৱহাৰ কৰিব লাগে। তেতিয়া অন্ততঃ সমাজত দেখা দিয়া অসূয়া-অশান্তি, অপায়-অমংগল দূৰ হ'ব। আমি সকলোৱে প্ৰথিতযশা সাহিত্যিক চৈয়দ আব্দুল মালিককে কৈ যোৱা সেই বিখ্যাত অথচ অসমীয়া সমাজ ব্যৱস্থাৰ দাপোণ— 'মক্কাৰ মুছলমানজনতকৈ মোৰ কাষৰ হিন্দুজন বেছি আপোন' শীৰ্ষক সম্প্ৰীতিৰ বাণীযাৰ স্মৰণ কৰিলে সেয়া ইছলাম ধৰ্মত ওলাই পৰে।

*ফোন ঃ ৮৬৩৮৯১৯১৩৯*

**নতুন কৰ'নাৰ প্ৰজাতিত আক্ৰান্ত ব্যক্তিৰ শাৰীৰিক অৱস্থা তিনি-চাৰিদিনৰ ভিতৰতে যথেষ্ট অৱনতি ঘটে**

# ১৫ গুণ অধিক ভয়াৱহ, আতংক বিয়পালে কৰ'নাৰ অন্ধ্ৰ প্ৰজাতিয়ে

**নিউজ ব্যুৰ' নতুন দিল্লী, ৫ মে' ঃ** কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয় ঢৌৱে দেশবাসীক আতংকিত কৰি ৰখাৰ সময়তে এইবাৰ অন্ধ্ৰ প্ৰদেশত ধৰা পৰিল ক'ভিডৰ আন এক নতুন প্ৰজাতি। গৱেষকসকলৰ দাবী অনুসৰি অন্ধ্ৰ প্ৰদেশক কুৰ্নুলত ধৰা পৰা ক'ভিডৰ এই নতুন ষ্ট্ৰে'ন ১৫ গুণ অধিক ভয়াৱহ। এই নতুন কৰ'নাৰ প্ৰজাতিত সংক্ৰমিত হোৱা ৰোগীসকল মাত্ৰ তিনি-চাৰিদিনৰ ভিতৰতে গুৰুতৰ অসুস্থ হৈছে। চেলুলাৰ এণ্ড মলিকিউলাৰ বায়'ল'জী নামৰ প্ৰতিষ্ঠানে গৱেষণামূলক অধ্যয়ন চলাই ক'ভিডৰ এই নতুন প্ৰজাতিৰ



সন্ধান ভাৰতত লাভ কৰিলে। অন্ধ্ৰ প্ৰদেশত ধৰা পৰা এই নতুন কৰ'নাৰ প্ৰজাতিৰ নাম এন৪৪০কে ৰখা হৈছে। বৰ্তমান পৰ্যন্ত এই ভাইৰাছৰ সংক্ৰমণ অন্ধ্ৰ প্ৰদেশতে সীমিত আছে। এই ভাইৰাছৰ সংক্ৰমণ দেশৰ আন ৰাজ্যলৈ বিয়পিলে পৰিস্থিতি অতি ভয়াৱহ হ'ব পাৰে বুলি সকীয়নি দিলে স্বাস্থ্য গৱেষকে। বিশাখাপট্টনমত এই নতুন ষ্ট্ৰে'নত সংক্ৰমিত হোৱা বহু ৰোগীক চিনাক্ত কৰা হৈছে। স্বাস্থ্য গৱেষকে লাভ কৰা তথ্য অনুসৰি কৰ'নাৰ এই প্ৰজাতিত সংক্ৰমিত হোৱা লোকসকলৰ মাজত শাৰীৰিক সমস্যা থকাৰ লগতে এইসমূহ সমস্যা আন কৰ'না ৰোগীৰ তুলনাত পৃথক হোৱাটো প্ৰত্যক্ষ হৈছে। তদুপৰি আক্ৰান্ত ব্যক্তিৰ শাৰীৰিক অৱস্থা তিনি-চাৰিদিনৰ ভিতৰতে যথেষ্ট অৱনতি ঘটিছে। কেৰালাসহ দক্ষিণ ভাৰতত পূৰ্বে সংক্ৰমিত হোৱা ক'ভিডৰ আন দুটা প্ৰজাতিতকৈ এই নতুন ষ্ট্ৰে'নৰ সংক্ৰমণ অন্ধ্ৰ প্ৰদেশত দ্ৰুতগতিত হৈছে। অন্ধ্ৰ প্ৰদেশৰ ক'ভিড বিভাগৰ বিশেষ বিষয়া অধ্যাপক পি ভি সুধাকৰে এই সন্দৰ্ভত কয়, 'আমি প্ৰত্যক্ষ কৰা অনুসৰি এই নতুন ষ্ট্ৰে'ন যথেষ্ট দ্ৰুতগতিত সংক্ৰমিত হয় আৰু ৰোগীক গ্ৰাস কৰে। সাধাৰণতে কোনো কৰ'না ৰোগীক হাইপক্সিয়া বা ডিছনিয়াৰৰ দৰে গুৰুতৰ পৰ্যায়ত উপনীত হ'বলৈ কমেও এসপ্তাহ সময়ৰ প্ৰয়োজন হয়। কিন্তু নতুন ষ্ট্ৰে'নটোৰ ক্ষেত্ৰত ৰোগীয়ে মাত্ৰ তিনি-চাৰিদিনৰ ভিতৰতে এই পৰ্যায়ত উপনীত হৈছে।'

## ভাৰতলৈ সহায়ৰ হাত আগবঢ়াবলৈ অনুৰাগীক অনুৰোধ অভিনেত্ৰী জেনিফাৰৰ



**নিউজ ব্যুৰ', লছ এঞ্জেলছ, ৫ মে' ঃ** ভাৰতত কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৱে সৃষ্টি কৰা ভয়াৱহ পৰিস্থিতিৰ সন্দৰ্ভত উদ্বিগ্নতা প্ৰকাশ কৰিলে হলিউডৰ অভিনেত্ৰী জেনিফাৰ এনিষ্টনে। অভিনেত্ৰীগৰাকীয়ে নিজৰ ছ'চিয়েল মিডিয়াৰ একাউণ্টৰ জৰিয়তে বিশ্বজুৰি সকলো লোকক ভাৰতৰ ক'ভিড পৰিস্থিতিৰ প্ৰতি দৃষ্টি ৰাখিবলৈ অনুৰোধ জনাই বৰ্তমানৰ সময়ত সকলোকে সহায় কৰিবলৈ কয়। জেনিফাৰে ইনষ্টাগ্ৰামত ভাৰতৰ কৰ'নাৰ সংক্ৰমণৰ কথা উল্লেখ কৰি এইদৰে কয়, 'ভাৰতত কৰ'নাৰ সংক্ৰমণৰ এক ভয়ানক দ্বিতীয়টো ঢৌৱে ছানি ধৰিছে। বিগত পাঁচদিন ধৰি প্ৰতিদিনে নতুন সংক্ৰমণে অভিলেখ ৰচিছে। আপোনালোকে সহায় কৰিবলৈ কেৱল দান-বৰঙণি আগবঢ়োৱাই নহয়, বৰঞ্চ আপোনাৰ বাবে উপলব্ধ যিকোনো মঞ্চৰ জৰিয়তে সজাগতা সৃষ্টি কৰক।'

## কৰ'নাত সংক্ৰমিত হ'ল অভিনেত্ৰী দীপিকা পাডুকন



**নিউজ ব্যুৰ' মুম্বাই, ৫ মে' ঃ** বলিউডৰ অভিনেত্ৰী দীপিকা পাডুকন ক'ভিড-১৯ত আক্ৰান্ত হ'ল। উল্লেখ্য দীপিকাৰ পিতৃ তথা প্ৰাক্তন বেডমিণ্টন খেলুৱৈ প্ৰকাশ পাডুকন প্ৰথমে ক'ভিডত আক্ৰান্ত হৈ চিকিৎসাধীন হৈছিল। মঙলবাৰে বিয়লি বেলা দীপিকাও কৰ'নাত সংক্ৰমিত হোৱাৰ বাতৰি লাভ কৰা হ'ল। সম্প্ৰতি বাংগালুৰুত নিজৰ বাসগৃহত অভিনেত্ৰীগৰাকী নিভৃতবাসত আছে। দীপিকাৰ মাতৃ আৰু কনিষ্ঠা ভগ্নীৰ শৰীৰতো ক'ভিডৰ উপসৰ্গই দেখা দিছে। যোৱা মাহত দীপিকাই মুম্বাইৰ পৰা বাংগালুৰুৰ পিতৃগৃহলৈ আহিছিল। প্ৰকাশিত বাতৰি অনুসৰি ক'ভিডত সংক্ৰমিত হ'লেও দীপিকা সম্প্ৰতি সম্পূৰ্ণ সুস্থ আছে।

## পশ্চিমবংগত তৃণমূলৰ টিকটত জয় ৰিক্সাৱালাৰ

**নিউজ ব্যুৰ', কলকাতা, ৫ মে' ঃ** পশ্চিমবংগৰ সদ্য সমাপ্ত বিধানসভাৰ নিৰ্বাচনত এইবাৰ কে'বাজনো অতি দৰিদ্ৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিলে। এনে এজন অতি সাধাৰণ পৰিয়ালৰ পৰা বিধায়ক নিৰ্বাচিত হোৱা ব্যক্তি হৈছে মনোৰঞ্জন ব্যাপাৰী। তৃণমূল কংগ্ৰেছৰ টিকটত হাত ৰিক্সাচালক মনোৰঞ্জনে এইবাৰৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বিধানসভালৈ নিৰ্বাচিত হ'ল। মনোৰঞ্জনে শৈশৱতে এখন চাহৰ দোকানত কাম কৰিছিল। পাছত তেওঁ দাৰ্জিলিং, জলপাইগুৰি, গুৱাহাটী, লক্ষ্ণৌ আৰু বেনাৰসত শ্ৰমিক হিচাপে কাম কৰিছিল। মনোৰঞ্জনে ইয়াৰ পাছত কলকাতালৈ উভতি



গৈছিল আৰু ৰিক্সাচালক হিচাপে জীৱিকা অৰ্জন আৰম্ভ কৰিছিল। কলকাতাৰ যাদৱপুৰ ৰেলৱে ষ্টেচনৰ বাহিৰত তেওঁ হাত ৰিক্সা চলাইছিল। যোৱা শতিকাৰ ৭০ৰ দশকত পশ্চিমবংগত নক্সাল আন্দোলনৰ স'তেও মনোৰঞ্জন জড়িত হৈছিল আৰু ইয়াৰ বাবে তেওঁ ২৬ মাহ কাৰাগাৰত অতিবাহিত কৰিবলগা হৈছিল। এসময়ত বামপন্থী মনোৰঞ্জনে পাছত তৃণমূল কংগ্ৰেছত যোগদান কৰিছিল। এইবাৰৰ বিধানসভাৰ নিৰ্বাচনত মনোনয়নপত্ৰ দাখিল কৰিবলৈ মনোৰঞ্জনে ৰিক্সা চলাই গৈছিল আৰু তেওঁ নিৰ্বাচনৰ প্ৰচাৰো ৰিক্সা চলায়ে অব্যাহত ৰাখিছিল। বিধায়ক নিৰ্বাচিত হোৱাৰ পাছত আনন্দ প্ৰকাশ কৰি মনোৰঞ্জনে কয় যে তেওঁ যথাসম্ভৱ ৰাইজৰ সেৱাত নিজক নিয়োগ কৰিব।

## ব্ৰিটেইনত ৫০ উৰ্দ্ধ বয়সৰ সকলো লোকক দিয়া হ'ব প্ৰতিষেধকৰ তৃতীয় পালি



**নিউজ ব্যুৰ', লণ্ডন, ৫ মে' ঃ** কৰ'নাৰ প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত নতুন নীতি অৱলম্বন কৰিলে ব্ৰিটেইনে। এইবাৰ দেশখনে ৫০ উৰ্দ্ধৰ বয়সৰ সকলো লোকক কৰ'না প্ৰতিষেধকৰ তৃতীয়টো পালি প্ৰদান কৰিবলৈ সিদ্ধান্ত ল'লে। অহা ডিচেম্বৰৰ ভিতৰত কৰ'নাৰ সম্ভাব্য পুনৰ সংক্ৰমণৰ পৰা দেশবাসীক সুৰক্ষিত কৰিবলৈ এই পদক্ষেপ গ্ৰহণ কৰিব বৰিছ জনছনৰ প্ৰশাসনে। কৰ'নাৰ নতুন প্ৰজাতিৰ ভাইৰাছ প্ৰতিৰোধৰ ক্ষেত্ৰত বিশেষভাৱে কাৰ্যকৰী প্ৰমাণিত হোৱা ফাইজাৰ, এষ্ট্ৰাজেনেকা আৰু মডাৰ্নাৰ প্ৰতিষেধকৰ তৃতীয়টো পালি ৫০ উৰ্দ্ধৰ লোকসকলক প্ৰথমবাৰৰ বাবে ব্ৰিটেইনত প্ৰদান কৰা হ'ব। ব্ৰিটেইনত এতিয়ালৈকে তিনি কোটি ৪৬ লাখৰো অধিক লোকে ক'ভিডৰ প্ৰতিষেধক লাভ কৰিছে।

## অসাৰ ১৮ উৰ্দ্ধৰ প্ৰতিষেধক প্ৰদান অভিযান, মাত্ৰ নখন ৰাজ্যতহে হ'ল আৰম্ভ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ মে' ঃ** ১৮ৰ পৰা ৪৪ বছৰ বয়সৰ লোকসকলক ক'ভিডৰ প্ৰতিষেধক প্ৰদান অভিযান এই পৰ্যন্ত দেশৰ মাত্ৰ নখন ৰাজ্যত আৰম্ভ কৰা হৈছে। পহিলা মে'ৰ পৰা দেশত এই বয়সৰ সকলো লোকক ক'ভিড প্ৰতিষেধক প্ৰদান কৰা কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছিল। কিন্তু চৰকাৰী পৰিসংখ্যা অনুসৰি, দেশৰ মাত্ৰ নখন ৰাজ্যত প্ৰতিষেধক প্ৰদান আৰম্ভ কৰা হৈছে আৰু বাকী ২১ খন ৰাজ্যত এতিয়ালৈকে ১৮ উৰ্দ্ধৰ বয়সৰ লোকক প্ৰতিষেধক প্ৰদান কৰা হোৱা নাই। প্ৰতিষেধকৰ নাটনিৰ ফলতে এইসমূহ ৰাজ্যই ঘোষণা কৰা অনুসৰি ক'ভিডৰ টিকাকৰণ অভিযান চলাব পৰা নাই। ১৮-৪৪ বছৰ বয়সৰ লোকক দেশৰ ভিতৰতে সৰ্বাধিক এক লাখ আঠ হেজাৰ ১৯১ পালি প্ৰতিষেধক প্ৰদান কৰা হ'ল গুজৰাটত। ইয়াৰ পাছতে এই বয়সৰ লোকক সৰ্বাধিক পৰিমাণত প্ৰতিষেধক প্ৰদান কৰা হৈছে ৰাজস্থান, মহাৰাষ্ট্ৰ আৰু দিল্লী। তদুপৰি ওড়িছা, চত্তিছগড়, উত্তৰ প্ৰদেশ, জম্মু-কাশ্মীৰ আৰু কৰ্ণাটকতো ১৮-৪৪ বছৰ বয়সীয়া লোকক ইতিমধ্যে প্ৰতিষেধক প্ৰদান আৰম্ভ কৰা হৈছে।

# পহিলা আগষ্টলৈকে ভাৰতত ক'ভিডত মৃত্যু হ'ব ১০ লাখ লোকৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৫ মে' ঃ** আমেৰিকাস্থিত ইনষ্টিটিউট ফ'ৰ হেল্‌থ মেট্ৰিক্স এণ্ড ইভেলুৱেচন (আই এইচ এম ই)ৰ অনুমান অনুসৰি অচিৰে ভাৰতে ক'ভিড নিয়ন্ত্ৰণৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ নকৰিলে অহা পহিলা আগষ্টত দেশত ক'ভিডত ১০ লাখৰো অধিক লোকৰ মৃত্যু হোৱাৰ শংকা আছে। ইয়াৰ পূৰ্বে এই প্ৰতিষ্ঠানটোৱে এক আগষ্টলৈকে ভাৰতত ৯,৬০,০০০ লোকৰ ক'ভিডত মৃত্যু হ'ব বুলি পূৰ্বানুমান প্ৰকাশ কৰিছিল। আই এইচ এম ইয়ে লগতে কয় যে স্বাস্থ্য ব্যৱস্থা শক্তিশালী কৰাৰ বাবে ভাৰতত অচিৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ নকৰিলে পৰিস্থিতি আগন্তুক সময়ত অধিক জটিল হোৱাৰ শংকা আছে। তদুপৰি সামাজিক দূৰত্ব বিধি পালন, মাস্ক পৰিধানত কঠোৰতা অৱলম্বন কৰাটো ভাৰতৰ বাবে অতি জৰুৰী হৈছে। প্ৰতিষ্ঠানটোৰ পূৰ্বানুমান অনুসৰি বৰ্তমানে যি হাৰত ভাৰতত ক'ভিডত ৰোগীৰ মৃত্যু হ'বলৈ ধৰিছে, এই ধাৰা অব্যাহত থাকিলে অহা এক আগষ্টত দেশত ক'ভিডত মৃতকৰ সংখ্যা ১,০১৯,০০০ লৈ বৃদ্ধি পোৱাৰ শংকা আছে। তদুপৰি



সবাতোকৈ ভয়ংকৰ পৰিস্থিতিত ভাৰতত ক'ভিডত মৃতকৰ সংখ্যা ১২ লাখলৈকো বৃদ্ধি পাব পাৰে বুলি শংকা ব্যক্ত কৰিলে আই এইচ এম ইয়ে। সংস্থাটোৰ পূৰ্বানুমান অনুসৰি অহা ২০ মে'ত ভাৰতত ক'ভিডৰ মৃতকৰ সংখ্যাই সৰ্বকালৰ সৰ্বাধিক হোৱাৰ শংকা আছে। উক্ত দিনত ভাৰতত ১২ হেজাৰ লোকৰ কৰ'নাত মৃত্যু হ'ব পাৰে।

## প্ৰধানমন্ত্ৰীক পৰামৰ্শ সুব্ৰমণিয়ম স্বামীৰ ঃ কৰ'না যুঁজৰ দায়িত্ব গাডকাৰীক দিয়ক



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ মে' ঃ** দেশত ভয়াৱহ ৰূপ ধাৰণ কৰা ক'ভিড-১৯ৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌ প্ৰতিৰোধ কৰিবলৈ বিজেপিৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যসভাৰ সাংসদ সুব্ৰমণিয়ম স্বামীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পৰামৰ্শ দি কয় যে ক'ভিড প্ৰতিৰোধী যুঁজৰ মূল দায়িত্ব কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীক চৰকাৰে অৰ্পণ কৰা উচিত। ইয়াৰ কাৰণ ব্যাখ্যা কৰি স্বামীয়ে কয় যে ক'ভিড প্ৰতিৰোধৰ বাবে আন্তঃগাঁথনিৰ প্ৰয়োজন আৰু এই ক্ষেত্ৰত গাডকাৰীয়ে নিজৰ দক্ষতাৰ ইতিমধ্যে প্ৰমাণ দিছে। সামাজিক মাধ্যমৰ জৰিয়তে ৰাজ্যসভাৰ সাংসদজনে কয়, 'ভাৰতে এই মহামাৰীৰ বিৰুদ্ধে যুঁজত জয়লাভ কৰিব। এই যুঁজত যদিহে আমি কঠোৰ পদক্ষেপ গ্ৰহণ নকৰো, তেন্তে আমি তৃতীয়টো ঢৌৰ সন্মুখীন হ'ব লাগিব আৰু এনে পৰিস্থিতিত শিশুসকল অধিক প্ৰভাৱিত হোৱাৰ শংকা আছে। সেয়েহে মই মোদীক কৰ'না বিৰোধী যুঁজখনৰ দায়িত্ব গাডকাৰীক দিবলৈ অনুৰোধ জনাইছো। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ প্ৰতি আস্থা প্ৰদৰ্শন কৰাটো অৰ্থহীন।'

## কৰ'নাৰ উপসৰ্গ ঃ কাশ্মীৰৰ বিচ্ছিন্নতাবাদী নেতা অছৰফৰ মৃত্যু



**নিউজ ব্যুৰ', জম্মু, ৫ মে' ঃ** জন সুৰক্ষা আইনৰ অধীনত যোৱা বছৰত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা কাশ্মীৰৰ বিচ্ছিন্নতাবাদী নেতা অছৰফ চহৰাইৰ জম্মুৰ এখন চিকিৎসালয়ত মৃত্যু হ'ল। তহৰিক-এ-হুৰিয়টৰ মুৰব্বী চহৰাইৰ শৰীৰত কৰ'নাৰ উপসৰ্গই দেখা দিয়াত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। কিন্তু আৰ টি পৰীক্ষণত ফলাফল নিগেটিভ লাভ কৰা হৈছিল। ৭৭ বছৰীয়া চহৰাই হুৰিয়ট কনফাৰেন্সৰ বিচ্ছিন্নতাবাদী নেতা ছৈয়দ আলী শ্বাহ গিলানীৰ অতি ঘনিষ্ঠ আছিল।

## কৰ'নাত বলিউডৰ চলচ্চিত্ৰ সম্পাদক অজয় শৰ্মাৰ মৃত্যু



**নিউজ ব্যুৰ', মুম্বাই, ৫ মে' ঃ** দেশৰ আগশাৰীৰ চলচ্চিত্ৰ সম্পাদক অজয় শৰ্মা ক'ভিড-১৯ত মৃত্যু হ'ল। যোৱা নিশা দিল্লীৰ এখন চিকিৎসালয়ত জনপ্ৰিয় সম্পাদকজনে শেষ নিশ্বাস ত্যাগ কৰে। বিগত কিছুদিন ধৰি অজয় ক'ভিডত সংক্ৰমিত হৈ চিকিৎসাধীন হৈ আছিল। অজয়ে 'জগ্গা জাছুচ', 'লুডু', 'হাইজেক', 'প্যাৰ কা পঞ্চনামা', 'কাৰৱা', 'য়ে জৱানী হে দিৱানী', 'অগ্নিপথ', 'কাই পু ছে', 'লাইফ ইন এ মেট্ৰ', 'ডাৰ্টি পিকচাৰ্ছ'ৰ দৰে বলিউডৰ জনপ্ৰিয় ছবিৰ সম্পাদনা কৰিছিল।

# শিশুকো আক্ৰান্ত কৰিব কৰ'নাৰ তৃতীয়টো ঢৌৱে ঃ সকীয়নি বিশেষজ্ঞৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ মে' ঃ** কৰ'নাৰ দ্বিতীয় ঢৌৰ ত্ৰাস মাৰ নৌযাওঁতেই প্ৰকট হ'ল এই মাৰাত্মক ভাইৰাছৰ তৃতীয় সংক্ৰমণৰ সম্ভাৱনা। গৱেষকসকলে ইতিমধ্যে সকীয়নি দি কৈছে যে অহা জুন-জুলাইত ভাৰতত কৰ'নাৰ সংক্ৰমণৰ তৃতীয়টো ঢৌ সৃষ্টি হোৱাৰ শংকা আছে। এইবাৰ ক'ভিড বিশেষজ্ঞই শংকা প্ৰকাশ কৰি ক'লে যে ভাৰতত ক'ভিডৰ তৃতীয় সংক্ৰমণ ঘটিলে ই শিশুসকলক আক্ৰান্ত কৰাৰ যথেষ্ট



সম্ভাৱনা আছে। ক'ভিডৰ প্ৰথম সংক্ৰমণত শিশুসকল প্ৰভাৱিত হোৱা নাছিল। কিন্তু সংক্ৰমণৰ দ্বিতীয় ঢৌত ভাৰতত কিছুসংখ্যক শিশুৰ শৰীৰত ক'ভিড সংক্ৰমণ ধৰা পৰিছে। বিশেষজ্ঞৰ মতে, ক'ভিডৰ তৃতীয়টো সংক্ৰমণত ভাৰতত শিশুসকল অধিক প্ৰভাৱিত হোৱাৰ শংকা আছে। সেয়েহে চৰকাৰক এই ক্ষেত্ৰত সম্পূৰ্ণ সতৰ্ক আৰু সাজু হ'বলৈ পৰামৰ্শ দিলে স্বাস্থ্য গৱেষকে। প্ৰকাশিত বাতৰি অনুসৰি মহাৰাষ্ট্ৰ চৰকাৰে ইয়াৰ বাবে প্ৰস্তুতি পৰ্ব আৰম্ভ কৰিছে। বৃহনমুম্বাই পৌৰ নিগম (বি এম চি)-এ ইতিমধ্যে সম্ভাব্য তৃতীয় ঢৌৰ সংক্ৰমণত শিশুসকলক প্ৰয়োজনীয় স্বাস্থ্য সেৱা প্ৰদানৰ বাবে আন্তঃগাঁথনি নিৰ্মাণত গুৰুত্ব দিছে। বি এম চিৰ বিষয়াই প্ৰকাশ কৰা মতে, ১২ বছৰৰ কম বয়সৰ শিশুৰ বাবে ক'ভিড ৱাৰ্ডৰ ব্যৱস্থা কৰা হৈছে আৰু প্ৰাথমিকভাৱে ৭০০ শয্যা ৰখা হ'ব। তদুপৰি নৱজাতকৰ বাবেও বিশেষ ইউনিটৰ ব্যৱস্থা কৰা হ'ব।



## ক'ভিড পৰিস্থিতি অধিক জটিল, উত্তৰ প্ৰদেশত সোমবাৰলৈকে বৃদ্ধি তলাবন্ধ

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৫ মে' ঃ** উত্তৰ প্ৰদেশত ক'ভিড পৰিস্থিতি অধিক জটিল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি যোগী আদিত্যনাথৰ চৰকাৰে সোমবাৰলৈকে তলাবন্ধ বৃদ্ধি কৰিলে। ইয়াৰ পূৰ্বে ৰাজ্যখনত বৃহস্পতিবাৰৰ পুৱা সাত বজালৈকে তলাবন্ধ বলৱৎ কৰা হৈছিল। কিন্তু পৰিস্থিতি অধিক জটিল হোৱাত যোগী চৰকাৰে তলাবন্ধৰ ম্যাদ বৃদ্ধি কৰিবলৈ বাধ্য হ'ল। নতুনকৈ লোৱা সিদ্ধান্ত অনুসৰি অহা সোমবাৰৰ সাত বজালৈকে ৰাজ্যখনত তলাবন্ধ বাহাল থাকিব। ৰাজ্য চৰকাৰখনে মাস্ক পৰিধান নকৰা লোকক এহেজাৰ টকাৰ জৰিমনা বিহাৰ নিৰ্দেশ দিছে। একাধিকবাৰ এনে অপৰাধত লিপ্ত হোৱা ব্যক্তিক ১০ গুণ অধিক জৰিমনা বিহাৰো ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে।

## টুইটাৰৰ পৰা বহিষ্কৃত কংগনাক স্বাগতম জনালে স্বদেশী 'কু'ৱে

**নিউজ ব্যুৰ', মুম্বাই, ৫ মে' ঃ** মাইক্ৰ' ব্ল'গিং ছাইট টুইটাৰৰ পৰা বহিষ্কৃত হোৱা বলিউডৰ অভিনেত্ৰী কংগনা ৰণৌটক স্বদেশী এপ 'কু'ৱে স্বাগতম জনালে। ভাৰতত টুইটাৰৰ বিকল্প হিচাপে পৰিচিত হোৱা 'কু' এপে অভিনেত্ৰীগৰাকীক 'কু' ব্যৱহাৰ কৰিবলৈ অনুৰোধ জনাই কয় যে এই এপত তেওঁ নিজৰ ইচ্ছা অনুসৰি মতামত ব্যক্ত কৰিব পাৰিব। দেশীয় এই এপৰ প্ৰতিষ্ঠাপক অপ্ৰমেয় ৰাধাকৃষ্ণই বুধবাৰে কংগনাৰ এটা প'ষ্ট উল্লেখ কৰি কৈছিল, 'কু এপত কংগনাৰ প্ৰথম প'ষ্ট। তেওঁ ঠিকেই কৈছে। এই এপ তেওঁৰ নিজৰ ঘৰৰ দৰে, আন সকলোবোৰ যেন ভাড়াঘৰ।' উক্ত এপৰ আন এজন সহঃ প্ৰতিষ্ঠাপক ময়ংক বিৰাউটকায়ো কংগনাক স্বাগতম জনাই কয়, 'কংগনাজী, এইটো এপ আপোনাৰ নিজৰ ঘৰ, ইয়াত সসন্মানৰে আপুনি নিজৰ মতামত প্ৰকাশ কৰক।' উল্লেখ্য যে মঙলবাৰে টুইটাৰে কংগনাৰ একাউণ্ট স্থায়ীভাৱে নিষ্ক্ৰিয় কৰিছিল। টুইটাৰৰ নিয়ম বিধি উলংঘনৰ অভিযোগত অভিনেত্ৰীগৰাকীৰ একাউণ্ট এইদৰে টুইটাৰে বন্ধ কৰি দিছিল। ইয়াৰ পাছতে কংগনাই স্বদেশী এপ 'কু'ত নিজৰ প্ৰথমটো প'ষ্ট কৰিছিল।




## মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণৰ পাছতে মমতাক শুভেচ্ছা জনালে প্ৰধানমন্ত্ৰী মোদীয়ে



**নিউজ ব্যুৰ', কলকাতা, ৫ মে' ঃ** তৃতীয়বাৰৰ বাবে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ পাছতে মমতা বেনাৰ্জীক অভিনন্দন জনালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। বুধবাৰে পুৱাতে ৰাজভৱনত মমতাৰ শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হৈছিল আৰু ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে টুইট কৰি তেওঁক শুভেচ্ছা জ্ঞাপন কৰে। মমতাক উদ্দেশি নিজৰ সংক্ষিপ্ত টুইট বাৰ্তাত মোদীয়ে কয়, 'পশ্চিমবংগৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণৰ বাবে মমতা দিদিক অভিনন্দন।'

# ২৪ ঘণ্টাত বিশ্বত নতুনকৈ সংক্ৰমিত ৭.৭৫ লাখ লোক, মৃত্যু ১৩,৬৪৮ জনৰ

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৫ মে' ঃ** বিশ্বজুৰি বিভিন্ন দেশত কৰ'না আক্ৰান্ত ৰোগীৰ সংখ্যা প্ৰতিদিনে বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত বিশ্বত নতুনকৈ ৭.৭৫ লাখ কৰ'নাত আক্ৰান্ত হ'ল। বিগত ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত কৰ'নাত প্ৰাণ হেৰুৱালে ১৩,৬৪৮ জন লোকে। সৰ্বাধিক কৰ'না ৰোগীৰ মৃত্যু ভাৰত আৰু ব্ৰাজিলত হৈছে। যোৱা ২৪ ঘণ্টাত ভাৰতত ৩,৭৮৬ আৰু ব্ৰাজিলত ৩,০২৫ জন লোকে কৰ'নাত শেষ নিশ্বাস ত্যাগ কৰিলে। এই দুই দেশত কালি বিশ্বৰ প্ৰায় ৫০ শতাংশ ক'ভিড আক্ৰান্তৰ মৃত্যু হ'ল। ইফালে, ব্ৰাজিলতো দুদিন পাছত পুনৰ ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধি পালে। কালি দেশখনত ৬৯,৩৭৮ জন কৰ'না ৰোগীক চিনাক্ত কৰা হৈছিল। ইয়াৰ দুদিন পূৰ্বে ব্ৰাজিলত কৰ'নাৰ আক্ৰান্তৰ সংখ্যা ৩০ হেজাৰৰ ভিতৰত আছিল। আমেৰিকা আৰু ভাৰতৰ পাছত ব্ৰাজিলত বিশ্বৰ তৃতীয় সৰ্বাধিক সংখ্যক লোক ক'ভিড-১৯ত আক্ৰান্ত হৈছে। বিশ্বজুৰি এতিয়ালৈকে প্ৰায় ১৫.৪৯ কোটি লোক কৰ'নাত আক্ৰান্ত হৈছে। ইয়াৰে ৩২.৪১ লাখৰো অধিক লোকৰ এই ভাইৰাছত ইতিমধ্যে মৃত্যু হ'ল। ইফালে, কৰ'নাত আক্ৰান্ত হোৱা ১৩.২৪ জন



লোক সুস্থ হৈ উঠিছে। বৰ্তমানে বিশ্বত ১.৯৩ কোটি ক'ভিড আক্ৰান্ত চিকিৎসাধীন হৈ আছে। এইসকল ৰোগীৰ ১.৯১ কোটিৰ শৰীৰত কৰ'নাৰ সংক্ৰমণৰ লঘু লক্ষণ আৰু ১.১১ লাখ লোকৰ অৱস্থা সংকটজনক হৈ আছে।

## অক্সিজেনৰ অভাৱত তামিলনাডু-কৰ্ণাটকত ১৬ ক'ভিড ৰোগীৰ মৃত্যু



**নিউজ ব্যুৰ', চেন্নাই, ৫ মে' ঃ** তামিলনাডুৰ চেন্নাইত চৰকাৰী মেডিকেল কলেজ হাস্পতালত যোৱা নিশা ১১ জন কৰ'না ৰোগীৰ মৃত্যু হ'ল। উত্থাপিত অভিযোগ অনুসৰি অক্সিজেনৰ অভাৱত চিকিৎসালয়ত এই ৰোগীকেইজনে প্ৰাণ হেৰুৱাব লগা হ'ল। আনহাতে, কৰ্ণাটকৰ হুবলিত এখন স্থানীয় চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা পাঁচজন ক'ভিড ৰোগীৰ অক্সিজেনৰ অভাৱত মৃত্যু হ'ল। তামিলনাডুৰ স্বাস্থ্য বিভাগে ইতিমধ্যে এই ঘটনাৰ তদন্তৰ নিৰ্দেশ দিছে।






# পৰাজিত হ’লেও মৰিয়নি সমষ্টিবাসী ৰাইজক ধন্যবাদ ৰমণী তাঁতীৰ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৫ মে’ ঃ** মৰিয়নি সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি নিৰ্বাচনত পৰাজিত হোৱা বিজেপিৰ প্ৰাৰ্থী ৰমণী তাঁতীৰ নিজ পৰাজয় স্বীকাৰ কৰি লৈছে। কালি এক সংবাদমেল যোগে বিজেপিৰ প্ৰাৰ্থীজনে মৰিয়নি সমষ্টিবাসী ৰাইজৰ ৰায়দানক মানি লোৱা বুলি জানিবলৈ দিয়ে। মৰিয়নিৰ লোকনাথ ভৱনৰ সভাকক্ষত অনুষ্ঠিত সংবাদমেলত বিজেপিৰ প্ৰাৰ্থীজনে নিৰ্বাচনৰ সময়ত সহযোগিতা আগবঢ়োৱা দলীয় নেতা, কৰ্মীৰ লগতে মৰিয়নি সমষ্টিবাসী ৰাইজক ধন্যবাদ জ্ঞাপন কৰি কয় যে প্ৰথমবাৰৰ বাবে মৰিয়নি সমষ্টিত বিজেপিয়ে ৪৪ হেজাৰৰো অধিক ভোট লাভ কৰিবলৈ সক্ষম হৈছে। সেয়া দলটোৰ বাবে আটাইতকৈ ইতিবাচক দিশ বুলিও তেওঁ লগতে উল্লেখ কৰে। তেওঁ কয় যে ভৱিষ্যতে ই দলটোক সহায় কৰিব। সকলো জাতি-জনগোষ্ঠীৰ ৰাইজে সমানভাৱে বিজেপিক ভোটদান কৰা বুলিও তেওঁ লগতে মন্তব্য কৰে। আনহাতে, তিনিবাৰৰ বিধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰা এজন বিধায়কৰ বিৰুদ্ধে নিৰ্বাচনী যুঁজ দিয়াতো সিমান সহজ নহয় বুলিও তেওঁ উল্লেখ কৰি চতুৰ্থবাৰৰ বাবে বিধায়ক নিৰ্বাচিত হোৱা কংগ্ৰেছৰ ৰূপজ্যোতি কুৰ্মীক অভিনন্দন আৰু শুভকামনা জ্ঞাপন কৰি সমষ্টিটোৰ উন্নয়নৰ দিশত বিধায়ক কুৰ্মীয়ে বিশেষ গুৰুত্ব দিব বুলি আশা প্ৰকাশ কৰে। এইবাৰ নিৰ্বাচনত সমষ্টিত উন্নয়নক অন্যতম ইচ্ছু হিচাপে লোৱা বুলি উল্লেখ কৰি তেওঁ সমষ্টিটোৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত পুনৰ নিৰ্বাচিত বিধায়কজনক গুৰুত্বপূৰ্ণ ভূমিকা ল’বলৈও আহ্বান জনায়। বিজেপিৰ নেতাজনে লগতে পৰাজিত হ’লেও তেওঁ মৰিয়নি সমষ্টিবাসী ৰাইজৰ বাবে এজন সমাজকৰ্মী হিচাপে সেৱা আগবঢ়াই যাব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। মৰিয়নি সমষ্টিক সকলো দিশতে যাতে আগবঢ়াই নিব পৰা যায় সেই ক্ষেত্ৰত বিজেপিৰ লগতে ৰমণী তাঁতীয়ে বিশেষভাৱে আগভাগ ল’ব বুলিও উল্লেখ কৰে। মৰিয়নি সমষ্টিৰ উন্নয়নেই এতিয়া প্ৰধান লক্ষ্য বুলিও বিজেপিৰ নেতাজনে জানিবলৈ দিয়ে। আনহাতে, সমষ্টিটোত বিজেপিৰ হাতত থকা পঞ্চায়তসমূহত কম ভোট পোৱাৰ সম্পৰ্কত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত বিজেপি নেতাজনে কয় যে সেয়া দলীয় মজিয়াত পৰ্যালোচনা কৰা হ’ব। কিন্তু দলীয় কৰ্মীসকলে যিদৰে ৰাইজক আকৃষ্ট কৰিব পাৰিব লাগিছিল তাত বহুক্ষেত্ৰত ব্যৰ্থ হোৱা বুলিও তেওঁ স্বীকাৰ কৰে। ইফালে, কোনো ল’বীয়ে তেওঁক প্ৰাৰ্থিত্ব প্ৰদান কৰা নাছিল বুলি উল্লেখ কৰি কয় কোনো ল’বীৰ বাবে তেওঁ প্ৰাৰ্থিত্ব পোৱা নাছিল। দলৰ শীৰ্ষ নেতৃত্বই তেওঁৰ ওপৰত আস্থা ৰাখিছিল আৰু সেইবাবেই তেওঁক প্ৰাৰ্থিত্ব প্ৰদান কৰিছিল বুলি মন্তব্য কৰে। তাৰ বাবে তেওঁ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, নেডাৰ আহ্বায়ক ডঃ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাস, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আদিক তেওঁ ধন্যবাদ জ্ঞাপন কৰে। কিন্তু ক’ৰবাৰ ত্ৰুটি-বিচ্যুতি হোৱাৰ বাবেই তেওঁ সেই আস্থাক জয় লৈ ৰূপান্তৰিত কৰিব নোৱাৰিলে বুলি তেওঁ লগতে উল্লেখ কৰে। আনহাতে, নিৰ্বাচনৰ পূৰ্বে হঠাৎ দল সলনি কৰি পুনৰ বিজেপিলৈ উভতি অহা অলক কুমাৰ ঘোষৰ পুনৰ আগমনে তেওঁৰ ক্ষতি কৰাৰ বিপৰীতে তেওঁক সহায় কৰা বুলিহে মতপোষণ কৰে। এই সংবাদমেলত বিজেপি নেতাজনৰ লগতে দলৰ জ্যেষ্ঠা নেত্ৰী স্বপালী গোস্বামী, যোৰহাট জিলা বিজেপিৰ সাধাৰণ সম্পাদক পুলেন চুতীয়া, চেলেং মণ্ডল বিজেপিৰ সভাপতি গিৰীশ দাস, দক্ষিণ কাটনি গাঁও পঞ্চায়তৰ সভাপতি অলেন পাটনায়ক, মৰিয়নিৰ বিজেপি নেতা তথা মৰিয়নি চেম্বাৰ্ছ অৱ কমাৰ্চৰ সম্পাদক প্ৰদীপ দাস, মানৱ দাস আদিয়েও অংশগ্ৰহণ কৰে।

# বাগিচাত কৰ’না সংক্ৰমণ প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণৰ বাবে পৰিচালকক আহ্বান

**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ৫ মে’ ঃ** কৰ’না মহামাৰীৰ সংক্ৰমণৰ সময়ছোৱাত নাহৰকটীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত নাহৰকটীয়া, লেগেংৰীজান আৰু কলিয়াপানী চাহ বাগিচাৰ পৰিচালকক সাক্ষাৎ কৰি অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) নাহৰকটীয়া শাখাৰ সভাপতি বচন গোৱালা আৰু ভাৰপ্ৰাপ্ত সম্পাদক ইতন নায়কৰ স্বাক্ষৰিত এখন স্মাৰকপত্ৰ প্ৰদান কৰি কৰ্মৰত শ্ৰমিক, কৰ্মচাৰীসকলক কৰ’না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ মাস্ক, ছেনিটাইজাৰ, চাবোন, ঠায়ে ঠায়ে ডাষ্টবিন, হাত ধোৱাৰ ব্যৱস্থা, বাহিৰৰ পৰা অহা গাড়ীসমূহ চেনিটাইজাৰৰ ব্যৱস্থাৰ লগতে বন্ধ হৈ থকা বাগিচাৰ প্ৰাথমিক বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক অন্য কামত নিয়োজিত নকৰি শ্ৰমিকসকলৰ মাজত সজাগতাৰ লগতে ক’ভিড নীতি-নিৰ্দেশনা পৰিদৰ্শন কৰা কাৰ্যত নিয়োজিত কৰিবলৈ অনুৰোধ জনোৱা হয়। চাহ বাগিচাৰ শ্ৰমিকসকলৰ মাজতো সজাগতা অভিযান চলোৱা হয়। অভিযানত আটছা, কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য ললিত মাহালী, শাখাৰ উপ-সভাপতি টংকেশ্বৰ কুমাৰ, অমিত কন্দ, সহকাৰী সম্পাদক অজয় ৰাউতীয়া, সাংগঠনিক সম্পাদক বিষ্ণু গোৱালা, সদস্য অভিনাশ গোৱালা আৰু মনোজ পানিকা উপস্থিত থাকে। পত্ৰৰ প্ৰতিলিপি ডিব্ৰুগড় জিলা উপায়ুক্ত, নাহৰকটীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া আৰু শ্ৰম পৰিদৰ্শনকলৈ প্ৰেৰণ কৰে।

# ৰাজ্যিক লোক আদালত বাতিল

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ৫ মে’ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে হোজাই জিলাতো ক’ভিড-১৯ৰ ভয়াৱহতা বৃদ্ধি পাইছে। ক’ভিডৰ ভয়াৱহতাৰ বাবে হোজাইত অহা আঠ মে’ত অনুষ্ঠিত হ’বলগীয়া ৰাজ্যিক লোক আদালত স্থগিত ৰাখিছে হোজাই জিলা আইনসেৱা প্ৰাধিকৰণে। আজি হোজাই জিলা আইনসেৱা প্ৰাধিকৰণৰ সম্পাদক চালেহ আহমেদে এক বিজ্ঞপ্তি যোগে ক’ভিডৰ ক্ৰমৱৰ্ধমান সংক্ৰমণৰ বাবে আঠ মে’ৰ ৰাজ্যিক লোক আদালত পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত স্থগিত ৰখা বুলি জানিবলৈ দিয়ে।

# কৰ’না মহামাৰী ঃ ডুমডুমাত বিজেপিৰ সজাগতা অভিযান

**বিশেষ সংবাদদাতা**

**ডুমডুমা, ৫ মে’ ঃ** কৰ’না মহামাৰীয়ে সংহাৰী ৰূপ লোৱাৰ ঘটনাই তিনিচুকীয়া জিলাতো সাধাৰণ ৰাইজ শংকিত হৈ পৰিছে। এচাম লোকে কৰ’না সংক্ৰমণ ৰোধৰ নীতি-নিয়ম নমনা মহামাৰী কৰ’না সংক্ৰমিত ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ অভিলেখ তুলি জিলাখনৰ ডুমডুমা নগৰত আজি দুপৰীয়া বিজেপিৰ ডুমডুমা টাউন মণ্ডল কমিটীৰ সদস্যসকলে ৰাইজৰ মাজত সজাগতা অভিযান চলায়। বিজেপিৰ সদস্যসকলে হাতে হাতে বেনাৰ-প’ষ্টাৰ লৈ ডুমডুমা নগৰখনৰ মাজেৰে পদব্ৰজে কৰ’না মহামাৰীৰ সজাগতা সমদল উলিয়ায়। বিজেপিৰ সদস্যসকলে নগৰবাসীক কৰ’না সংক্ৰমণৰ পৰা নিজে বাচি থকাৰ লগতে আনকো ৰক্ষা কৰিবলৈ অনুৰোধ জনাই সামাজিক ব্যৱধান বৰ্তাই ৰখাৰ আহ্বান জনায়।

# ক’ভিড সন্দৰ্ভত বঙাইগাঁও শোধনাগাৰ কৰ্তৃপক্ষৰ নতুন নিৰ্দেশনা

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৫ মে’ ঃ** ক’ভিডৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য কৰি ভাৰতীয় তেল নিগমৰ বঙাইগাঁও শোধনাগাৰে নতুন নিৰ্দেশনা জাৰি কৰিছে শোধনাগাৰৰ কৰ্মচাৰী-শ্ৰমিক তথা তেওঁলোকৰ পৰিয়ালৰ সুৰক্ষাৰ বাবে। শোধনাগাৰ টাউনশ্বিপৰ মূল প্ৰৱেশদ্বাৰত ক’ভিড নীতি অনুসৰি হাত ধোৱাৰ লগতে মাস্ক পিন্ধা আদি নিশ্চিত কৰিব নিৰাপত্তাৰ নিয়োজিতসকলে। শোধনাগাৰ টাউনশ্বিপৰ আৱাসীসকলৰ মাজত সজাগতা সৃষ্টিৰ বাবে ক’ভিডৰ এই সময়ত কি কৰিব আৰু নকৰিব সেই সন্দৰ্ভত প্ৰচাৰ পত্ৰিকা বিতৰণ কৰা হৈছে। বাহিৰৰ পৰা অহা সকলো লোকেই ক’ভিড পৰীক্ষা কৰাটো বাধ্যতামূলক কৰিছে। ক’ভিড ধৰা নপৰিলেও এসপ্তাহ আছুতীয়াকৈ থাকিব লাগিব। ক’ভিড আক্ৰান্ত গৃহসমূহ প’ষ্টাৰ লগাই চিনাক্ত কৰা হৈছে। ক’ভিড ধৰা পৰা লোকসকলৰ বাবে শোধনাগাৰ কৰ্তৃপক্ষই বিশেষ গুৰুত্বসহকাৰে চিকিৎসাৰ ব্যৱস্থা কৰিছে। শোধনাগাৰ আৰু টাউনশ্বিপৰ প্ৰয়োজনীয় ঠাইত নিয়মিত বীজাণুমুক্ত কৰা হৈছে। জিলা প্ৰশাসন, জিলা স্বাস্থ্য বিভাগৰ সহযোগত নিয়মিত ক’ভিড সজাগতা আদি কৰি থকা হৈছে। শোধনাগাৰ পৰিচালন সঞ্চালক এছ পি বৰুৱাই আজি শোধনাগাৰৰ টাউনশ্বিপত থকা সকলো কৰ্মচাৰীক ক’ভিড বিধি, সজাগতা আৰু ইয়াৰ পৰা ৰক্ষাৰ বাবে বিশেষ সতৰ্ক কৰিছে। টাউনশ্বিপত কৰ্মৰ বাবে চুবুৰীয়া অঞ্চলৰ পৰা অহা শ্ৰমিকসকলক সকলো ধৰণৰ ক’ভিড পৰীক্ষা আৰু প্ৰতিষেধকৰ ব্যৱস্থা কৰা হৈছে বুলি শোধনাগাৰ কৰ্তৃপক্ষই এক বিবৃতিত প্ৰকাশ কৰে। ক’ভিড চিকিৎসাৰ বাবে ২০ খন বিছনাৰ স’তে চিকিৎসক আদিৰ ব্যৱস্থা কৰা কথাও জনায়। ক’ভিড পৰিস্থিতি চোৱাচিতাৰ বাবে শোধনাগাৰ কৰ্তৃপক্ষই নিজাববীয়া টাস্ক ফ’ৰ্চ গঠনৰ কথা জনায়।



মৰিয়ণিত দুই বজাৰ পৰা বন্ধ হ’ল ব্যৱসায়িক প্ৰতিষ্ঠান, বুধবাৰে।

# খহনীয়া প্ৰতিৰোধ, বাট-পথৰ উন্নয়ন, নিবনুৱা সমস্যা সমাধানৰ দাবী

## নন্দিতা দাস, শ্বেৰমান আলী, আশ্ৰাফুল হুছেইনৰ নতুন প্ৰত্যাহ্বান

**আলোপতি, ৫ মে’ ঃ** যোৱা দুই মে’ত ঘোষিত ২০২১ৰ বিধানসভা নিৰ্বাচনৰ ফলাফলে ৰাজ্যত দ্বিতীয়বাৰৰ বাবে বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰ গঠন হোৱাটো নিশ্চিত হৈ পৰাৰ লগে লগে চৰকাৰ গঠনৰ কুচকাৱাজ আৰম্ভ হোৱা পৰিলক্ষিত হৈছে। ৰাজ্যত মিত্ৰজোঁটৰ চৰকাৰ হোৱাৰ বিপৰীতে এইবাৰো বিৰোধীৰ আসনত বহিব লাগিব বকো-বাঘবৰ সমষ্টিৰ কংগ্ৰেছী বিধায়ক নন্দিতা দাস আৰু শ্বেৰমান আলী আহমেদৰ লগতে চেঙা সমষ্টিৰ এ আই ইউ ডি এফৰ বিধায়ক আশ্ৰাফুল হুছেইনে। কামৰূপ জিলাৰ বকো সংৰক্ষিত সমষ্টিত দ্বিতীয়বাৰৰ বাবে নন্দিতা দাস বৃহৎ ভোটৰ ব্যৱধানত বিধায়িকা নিৰ্বাচিত হৈছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতিস্থল বকো সমষ্টিৰ পৰা ৫২,৪৬৬টা ভোটত প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাসক পৰাস্ত কৰি শেষ হাঁহি মাৰিলেও সমষ্টিৰ চুকে-কোণে থকা সমস্যাসমূহ সমাধান কৰিবলৈ প্ৰত্যাহ্বানৰ সন্মুখীন হ’বলগীয়া হ’ব পাৰে। বিশেষকৈ সংখ্যালঘু অঞ্চলত বাট-পথৰ বিধ্বস্ত ৰূপ, ব্ৰহ্মপুত্ৰৰ খহনীয়াই জুৰুলা কৰা সমষ্টিবাসীক সকাহ দিব পাৰিবনে বুলি প্ৰশ্ন উত্থাপিত হৈছে। তদুপৰি শিক্ষা, স্বাস্থ্য সেৱাৰ ক্ষেত্ৰখনো সমস্যাৰে জৰ্জৰিত। একেদৰে বৰপেটাৰ বাঘবৰ সমষ্টিৰ পৰা একেৰাহে তৃতীয়বাৰৰ বাবে বিধায়ক নিৰ্বাচিত হৈ সমষ্টি উন্নয়নত শ্বেৰমান আলীয়ে কিদৰে ভূমিকা গ্ৰহণ কৰে সেয়াও চাবলগীয়া হ’ব। বিগত নিৰ্বাচনত এআইইউডিএফৰ প্ৰাৰ্থী ৰাজীৱ আহমেদক ১৩,৯৪২টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি বিধায়কৰূপে নিৰ্বাচিত হয় আহমেদ। বিগত কাৰ্যকালত সমষ্টিৰ ৰাস্তা-ঘাটৰ উন্নয়ন কৰিবলৈ সক্ষম হোৱা বিধায়কজনে খহনীয়া প্ৰতিৰোধৰ লগতে শিক্ষা, স্বাস্থ্য, নিবনুৱা সমস্যাৰ সমাধানৰ ক্ষেত্ৰত অধিক গুৰুত্বাৰোপ কৰাটো বিচাৰিছে সমষ্টিবাসীয়ে। কিয়নো স্বাধীনতাৰ পাছৰে পৰা খহনীয়াত সৰ্বস্বান্ত বাঘবৰ সমষ্টিৰ প্ৰায় ৮০ শতাংশ লোক অৰ্থনৈতিকভাৱে শক্তিশালী হ’ব পৰা নাই। খহনীয়াৰ স্থায়ী সমাধান হ’লেহে সমষ্টিবাসীৰ বিকাশ আৰু উন্নয়ন ক্ষিপ্ৰ হ’ব বুলি ধাৰণা কৰিছে সচেতন মহলে। ইপিনে, বৰপেটাৰ চেঙা সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে বিধায়ক নিৰ্বাচিত হৈ তুমুল প্ৰত্যাহ্বানৰ সন্মুখীন হ’ব যুৱ বিধায়ক আশ্ৰাফুল হুছেইন। কৃষক মুক্তি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ পৰা নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত এআইইউডিএফত যোগদান কৰি নিৰ্বাচনত অৱতীৰ্ণ হৈয়েই চেঙা সমষ্টিৰ চাৰিবাৰৰ বিধায়ক, প্ৰাক্তন মন্ত্ৰী তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা শুকুৰ আলীক পৰাজিত কৰা যুৱ বিধায়ক হুছেইন সমষ্টি উন্নয়নৰ ক্ষেত্ৰত ব্যাপক প্ৰত্যাহ্বানৰ সন্মুখীন হ’ব পাৰে। ২০টা বছৰ মন্ত্ৰী, বিধায়ক হোৱা শুকুৰ আলীয়ে সমষ্টি উন্নয়নত পিঠি দিয়া বাবেই সমস্যাৰে ভাৰাক্ৰান্ত হৈ পৰিছে চেঙা সমষ্টি। ৰাস্তা-ঘাট, শিক্ষা, স্বাস্থ্য, সৰ্বদিশতে চেঙা সমষ্টি জৰ্জৰিত। তদুপৰি সমষ্টিৰ বৃহৎ সংখ্যক লোক বছৰ বছৰ ধৰি খহনীয়াৰ স’তে যুঁজি যুঁজি সৰ্বস্বান্ত হৈছে। সৰ্বদিশতে জৰ্জৰিত চেঙাৰ ভোটাৰে বহু আশা-প্ৰত্যাশ্যাৰে হুছেইনক বিধায়ক নিৰ্বাচিত কৰে। প্ৰথমবাৰৰ বাবে বিধায়ক নিৰ্বাচিত হুছেইনে এই আশা পূৰণ কৰিব পাৰিবনে সেয়া সময়হে ক’ব।

# ডিমৌত আটছাৰ ক’ভিড সজাগতা শিবিৰ



**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ৫ মে’ ঃ** ৰাজ্যত দ্ৰুতগতিত সংক্ৰমণ ঘটিছে ক’ভিড ১৯ৰ দ্বিতীয় ঢৌৰ। জনসাধাৰণক সতৰ্ক আৰু সজাগ কৰিবলৈ ঠায়ে ঠায়ে বিভিন্ন ধৰণেৰে আয়োজন কৰা হৈছে সজাগতা শিবিৰ। ডিমৌও ইয়াৰ ব্যতিক্ৰম নহয়। ডিমৌত অসম চাহ-জনজাতি ছাত্ৰ সন্থা ডিমৌ শাখাৰ উদ্যোগত আৰু চিকিৎসা বিভাগৰ যৌথ সহযোগত ডিমৌ প্ৰাথমিক স্বাস্থ্য খণ্ডৰ অন্তৰ্গত বিভিন্ন চাহ-বাগিচাসমূহত মহামাৰী ক’ভিড দ্বিতীয় ঢৌৰ দ্ৰুতগতিত সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি আৰু প্ৰতিষেধক সম্পৰ্কত চাহ-শ্ৰমিক ৰাইজক সজাগ আৰু সচেতন কৰাৰ লক্ষ্যৰে আয়োজন কৰা হৈছে স্বাস্থ্য সজাগতা শিবিৰ। ইতিমধ্যে আটছাৰ ডিমৌ আঞ্চলিকৰ সদস্যসকল আৰু চিকিৎসা বিভাগৰ যৌথ সহযোগত ডিমৌ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত বহুকেইখন বাগিচাত এনেধৰণৰ শিবিৰ অনুষ্ঠিত হয়। আজি ডিমৌ সমীপৰ খঙীয়া চাহ বাগিচাতো অনুষ্ঠিত কৰে ক’ভিড সম্পৰ্কীয় স্বাস্থ্য সজাগতা শিবিৰ। আনহাতে, ইয়াৰ পাছতেই আৰু সাতখনকৈ বাগিচাত এনেধৰণৰ স্বাস্থ্য সজাগতা শিবিৰ অনুষ্ঠিত কৰিব বুলি প্ৰকাশ কৰিছে আটছা ডিমৌ আঞ্চলিকৰ সম্পাদক বিশ্বনাথ নাগে। আজিৰ শিবিৰ অনুষ্ঠানত অসম চাহ জনজাতি ছাত্ৰ সন্থা ডিমৌ আঞ্চলিকৰ উপ-সভাপতি ৰাজীৱ ভূএঞা, চিকিৎসা বিভাগৰ এমপিডব্লিউ জয়ন্ত মাধৱ গগৈ, অসম চাহ মজদুৰ সংঘৰ বিষয়ববীয়া আৰু কৰ্মচাৰীসকলকে আদি কৰি বাগিচাৰ শ্ৰমিকসকল উপস্থিত থাকে।

# টিহু মহকুমা গাঁওবুঢ়া সমিতিৰ বিজয়ী প্ৰাৰ্থীলৈ অভিনন্দন জ্ঞাপন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ৫ মে’ ঃ** বিধানসভা নিৰ্বাচনত ৪২ নম্বৰ পাটাছাৰকুছি বিধানসভা সমষ্টিত মিত্ৰজোঁটৰ বিজেপি প্ৰাৰ্থী তথা ৰাজ্যিক বিজেপিৰ সভাপতি ৰণজিৎ কুমাৰ দাসৰ লগতে ৬২ নম্বৰ বৰমা বিধানসভা সমষ্টিৰ মিত্ৰজোঁটৰ ইউপিপিএলৰ ভূপেন বড়ো বিজয়ী হোৱাত পাটাছাৰকুছি আৰু বৰমা সমষ্টিৰ অন্তৰ্গত টিহু মহকুমা গাঁওবুঢ়া সমিতিয়ে দুয়োজনকে অভিনন্দন জ্ঞাপন কৰিছে। সমিতিৰ সভাপতি বাপন কলিতা, সম্পাদক চম্পক বৈশ্যই এক বিবৃতিত দুয়োজন নেতাকে অভিনন্দন জনাইছে।

# দোতমা বিপিএফৰ কাৰ্যালয়ত বিজয় উল্লাস

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ৫ মে’ ঃ** যোৱা দুই মে’ত ঘোষণা কৰা অসম বিধানসভা নিৰ্বাচনৰ ফলাফলত পশ্চিম কোকৰাঝাৰ বিধানসভা সমষ্টিত বিপিএফৰ প্ৰাৰ্থী ৰবিৰাম নাৰ্জাৰী বিপুল ভোটত জয়ী হোৱাৰ বাবে কোকৰাঝাৰ জিলাৰ অন্তৰ্গত দোতমাত বিপিএফৰ কাৰ্যালয়ত বিজয় উল্লাস কৰে বিপিএফৰ কৰ্মকৰ্তাসকলে। বিজয় উল্লাসত উপস্থিত থাকে আঠ নম্বৰ দোতমা সমষ্টিৰ বিপিএফৰ এমচিএলএ প্ৰকাশ বসুমতাৰী, দহিৎ ব্ৰহ্মৰ লগতে বিপিএফৰ বিভিন্ন পৰ্যায়ৰ কৰ্মকৰ্তাসকল। অনুষ্ঠানত উপস্থিত হৈ দোতমা সমষ্টিৰ এমচিএলএ প্ৰকাশ বসুমতাৰীয়ে সাংবাদিকৰ আগত কয় যে ৰবিৰাম নাৰ্জাৰী জয়ী হোৱা বাবে আমি আনন্দিত। নাৰ্জাৰীৰ জয়ৰ বাবে পশ্চিম কোকৰাঝাৰ বিধানসভা সমষ্টিৰ ৰাইজক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। গণতন্ত্ৰত ৰাইজে ৰজা গতিকে ৰাইজে প্ৰমাণ কৰি দিলে যে টকা-পইচাৰে ভোট কিনিব নোৱাৰি। তেওঁ লগতে কয় যে আমি অসমত চৰকাৰ গঠন কৰিব পৰা নাই, কিন্তু বিৰোধী হিচাপে যিমান কাম কৰিব লাগে ৰাইজৰ হকে কৰি যাম।

# কৃষ্ণাইত দুধনৈৰ নৱনিৰ্বাচিত বিধায়ক স্বৰ্গীয়াৰীক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ৫ মে’ ঃ** বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ দুদিন পাছতে কালি কৃষ্ণাইত আহি পদাৰ্পণ কৰে দুধনৈ (জনজাতি) বিধানসভা সমষ্টিৰ কংগ্ৰেছী বিধায়ক যাদৱ স্বৰ্গীয়াৰী। আবেলি প্ৰায় পাঁচ বজাত কৃষ্ণাইত আহি উপস্থিত হয় নৱনিৰ্বাচিত বিধায়ক স্বৰ্গীয়াৰী। কৃষ্ণাইত আহি উপস্থিত হোৱাৰ পাছতে কংগ্ৰেছৰ স্থানীয় নেতা-কৰ্মীসকলে কৰ’না প্ৰট’কল অনুসৰি কৃষ্ণাই ব্লক কংগ্ৰেছ কমিটীৰ কাৰ্যালয়ত সম্বৰ্ধনা জনায়। উল্লেখ্য যে এইবেলি বিধানসভা নিৰ্বাচনত স্বৰ্গীয়াৰীয়ে মুঠ ৯৩২টা ভোটৰ ব্যৱধানত পৰাজিত কৰে বিজেপিৰ প্ৰাৰ্থী শ্যামজিৎ ৰাভাক। প্ৰণিধানযোগ্য যে কংগ্ৰেছ মহাজোঁটৰ প্ৰাৰ্থী স্বৰ্গীয়াৰীয়ে ৭৭,৩৮৪টা ভোট লাভ কৰাৰ বিপৰীতে বিজেপিৰ প্ৰাৰ্থী ৰাভাই লাভ কৰে ৭৬,৪৫২টা ভোট।

# শান্তি-সম্প্ৰীতিৰ নিদৰ্শন দেখুৱাইছে তিতাবৰত

**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ৫ মে’ ঃ** বিধানসভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পাছত তিতাবৰত সকলো-সংগঠনৰ কৰ্মী-সমৰ্থকৰ মাজত শান্তি-সম্প্ৰীতিৰ বাতাবৰণ পৰিলক্ষিত হোৱাটো তিতাবৰবাসীৰ ৰাজনৈতিক উদাৰতাৰ পৰিচায়ক বিবেচিত হৈছে। তিতাবৰ সমষ্টিৰ পৰা ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী ভাস্কৰজ্যোতি বৰুৱা নিৰ্বাচিত হৈছে। প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ উত্তৰসূৰী হিচাপে বৰুৱাই কংগ্ৰেছৰ মৰ্যাদা ৰক্ষা কৰিবলৈ সক্ষম হোৱাটো তাৎপৰ্যপূৰ্ণ। বিজেপিয়ে তিতাবৰ সমষ্টি কংগ্ৰেছৰ পৰা কাঢ়ি আনিবলৈ আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছিল। ৰাজনীতিৰ ‘চাণক্য’ খ্যাত প্ৰভাৱশালী মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিজেপিৰ অসমৰ ৰাজ্যিক সভাপতি ৰঞ্জিত দাস, বিজেপি ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা প্ৰমুখ্যে হেভিৱেট নেতাই তিতাবৰ সমষ্টিৰ অলিয়ে-গলিয়ে বহু নিৰ্বাচনী সভাত বিজেপি প্ৰাৰ্থী হেমন্ত কলিতাৰ হৈ প্ৰচাৰ চলায়। কিন্তু তৰুণ গগৈৰ প্ৰতি থকা আস্থা আৰু মৰমে তিতাবৰত কংগ্ৰেছৰ প্ৰাৰ্থী বৰুৱাক বিজয়ী কৰাত ইতিবাচক প্ৰভাৱ পেলায়। আনহাতে, স্থানীয় প্ৰাৰ্থী হোৱাৰ বাবে কংগ্ৰেছ কৰ্মীসকলৰ ত্যাগ সফল হ’ল। তথাপি তিতাবৰত ৰাজনৈতিক কৰ্মসূচীৰ স্বাভাৱিক আনুগত্য প্ৰকাশ পাইছে। আনহাতে, কংগ্ৰেছৰ পৰাও বিধায়ক নিৰ্বাচিত হোৱাৰ কাৰণ নোহোৱা নহয়। কিন্তু তিতাবৰ সমষ্টিৰ ৰাইজে উদাৰতাৰ পৰিচয় দাঙি ধৰিলে। তিতাবৰ সমষ্টিৰ ৰাইজে ৰাজনৈতিক কাজিয়া-পেছালত জড়িত নহৈ সম্প্ৰীতি আৰু ৰাজনৈতিক মূল্যবোধৰ পৰিচয় দাঙি ধৰিছে। কোনো অসাধু নাই, উদাৰ মনৰ তিতাবৰবাসীৰ ৰাজনৈতিক সাধুতাই আগন্তুক দিনত তিতাবৰ সমষ্টিৰ উন্নয়ন আৰু বিকাশৰ স্বাৰ্থৰ হকে সহায়ক হ’ব বুলি সচেতন নাগৰিকসকলে বিবেচনা কৰিছে।

# ভৱানীপুৰ সমষ্টিৰ ৰাইজে ভাল পায় বাবে জয়ী ঃ তালুকদাৰ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৫ মে’ ঃ** বহু অপেক্ষাৰ অন্তত ভৱানীপুৰ সমষ্টিত জয়ী লাভ কৰিলে ফণীধৰ তালুকদাৰে। বিগত দুটাকৈ বিধানসভা নিৰ্বাচনত নিৰ্দলীয়ভাৱে অৱতীৰ্ণ হৈ পৰাজয় বৰণ কৰা তালুকদাৰে এইবাৰ সমষ্টিটোৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰঞ্জিত ডেকাক পৰাজিত কৰি দিশপুৰ দখল কৰিবলৈ সক্ষম হয়। কালি পুৱা গুণমুগ্ধ, সমৰ্থকে তালুকদাৰৰ বাসগৃহত সমাগম হয়। তেওঁ কয়, ‘মই আজি বাৰুকৈয়ে আনন্দিত। মোৰ সমষ্টিত মোক সকলোৱে প্ৰাণভৰি ভাল পায়। মোক উৎসাহ দি মোক জয়ী কৰালে ৰাইজে। তাৰ বাবে মই আনন্দিত, মই ৰাইজৰ ওচৰত ঋণী। ফণীধৰ তালুকদাৰে কয়, জয়ী হোৱাৰ মূল কাৰণ হ’ল ফণী তালুকদাৰ নামটো আৰু ফণী তালুকদাৰক ৰাইজে গ্ৰহণযোগ্য ব্যক্তি বুলি ভাবি দুই বাৰ স্বীকৃতি দিছিল আৰু দুই বাৰতে অলপ অলপ ভোটৰ ব্যৱধানত পৰাস্ত হ’বলগীয়া হৈছিলো যদিও দ্বিতীয় স্থানত আছিলো। তৃতীয়বাৰৰ কাৰণে সমষ্টিৰ মানুহখিনিয়ে বিপুলভাৱে ভোট দি মোক জয়ী কৰি ৰাইজৰ হকে কাম কৰিবলৈ সুবিধা কৰি দিলে।’

# বান-খহনীয়াৰ পৰা পৰিত্ৰাণৰ আশা দক্ষিণ অভয়াপুৰীবাসীৰ

## উন্নয়নত গুৰুত্বৰ আহ্বান নৱনিৰ্বাচিত বিধায়ক প্ৰদীপ সৰকাৰক

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৫ মে’ ঃ** বঙাইগাঁও জিলাৰ দক্ষিণ অভয়াপুৰী বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰি ৰাজ্যৰ ৰাজনীতিত আধিপত্য বিস্তাৰ কৰা প্ৰাক্তন মন্ত্ৰী প্ৰয়াত চন্দন সৰকাৰৰ পুত্ৰ প্ৰদীপ সৰকাৰে কালি ঘোষিত ফলাফল অনুসৰি প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী মিত্ৰজোঁট অগপৰ পূৰ্ণেন্দু বণিক্যতকৈ ৪৭ হেজাৰ ২১১ টা ভোটৰ ব্যৱধানত বিধায়কৰূপে নিৰ্বাচিত হয়। মহাজোঁট কংগ্ৰেছৰ প্ৰদীপ সৰকাৰে এক লাখ ১২ হেজাৰ ৩৪১ টা, অগপৰ পূৰ্ণেন্দু বণিক্যই ৬৫ হেজাৰ ১৩০ টা, নিৰ্দলীয় কৌশিকৰঞ্জন দাসে ২০৯০, ৰমনাথ মণ্ডলে ২৪৬৯ টা ভোট লাভ কৰাৰ বিপৰীতে ন’টাত ভোট পৰে ১৬১৭ টা ভোট। উল্লেখ্য যে বৰপেটা লোকসভা সমষ্টিৰ যুৱ কংগ্ৰেছৰ সভাপতিৰূপে নিৰ্বাচিত হৈ সংসদীয় ৰাজনীতিত খোজ পেলোৱা সৰকাৰে পিতৃৰ মৃত্যুৰ পাছত প্ৰদেশ কংগ্ৰেছৰ সম্পাদকৰূপে নিৰ্বাচিত হয়। মাত্ৰ কেইটামান ভোটৰ ব্যৱধানত বিগত বিধানসভা নিৰ্বাচনত অনুসূচিত জাতিৰ বাবে সংৰক্ষিত বিধানসভা সমষ্টিটোত চন্দন কুমাৰ সৰকাৰে এআইইউডিএফৰ অনন্ত মালোৰ হাতত পৰাস্ত হয় যদিও এইবেলি মহাজোঁটে বাট মুকলি কৰে প্ৰয়াত চন্দন সৰকাৰৰ পুত্ৰৰ। সংখ্যালঘু ভোটাৰে আধিপত্য বিস্তাৰ কৰা সমষ্টিটোত কংগ্ৰেছৰ প্ৰাৰ্থী হৈ কংগ্ৰেছ-এআইইউডিএফৰ ভোট লাভ কৰি জয়লাভ কৰে। বিধায়কৰূপে নিৰ্বাচিত হোৱাৰ পাছত সাংবাদিকৰ স’তে হোৱা মত বিনিময়ত পিতৃ চন্দন সৰকাৰক সুঁৱৰি প্ৰদীপ সৰকাৰে কয় যে সমষ্টিটোত কংগ্ৰেছৰ দিনতেই উন্নয়নমূলক কাম হৈছিল। পিতৃয়ে আধৰুৱা কৰি থৈ যোৱা উন্নয়মূলক কামত চকু দিব বুলি তেওঁ সদৰী কৰে। তেনেদৰে সংখ্যালঘু ভোটাৰৰ আধিপত্য থকা উত্তৰ অভয়াপুৰী বিধানসভা সমষ্টিত প্ৰাৰ্থিত্ব লাভৰ ক্ষেত্ৰত তিনিবাৰৰ বিধায়ক তথা সংখ্যালঘু নেতা আব্দুল হাইনাগৰীক আঁতৰ কৰাৰ পাছত মহাজোঁট কংগ্ৰেছৰ প্ৰাৰ্থী হৈ প্ৰথমবাৰতেই সফলতা লাভ কৰে আব্দুল বাতেন খণ্ডকাৰে। খণ্ডকাৰে তিনিবাৰৰ বিধায়ক তথা মিত্ৰজোঁট অগপৰ প্ৰাৰ্থী ভূপেন ৰায়ক ৩৩ হেজাৰ ৬১ টা, ভোটৰ ব্যৱধানত পৰাজিত কৰি বিধায়কৰূপে নিৰ্বাচিত হয়। খণ্ডকাৰে ৯২ হেজাৰ ৬৯৮ টা, অগপৰ ভূপেনৰায়ে ৫৯ হেজাৰ ৬৩৭ টা, তৃণমূল কংগ্ৰেছৰ আশ্ৰাফুল ইছলামে এক হেজাৰ ৫৪৫ টা, অসম জাতীয় পৰিষদৰ অজন্তা বৰুৱাই এক হেজাৰ ১৭৩ টা, জনতা দল (ইউনাইটেড)ৰ শ্যামৰাজ ৰাভাই ৩৪৫ টা, নিৰ্দলীয় জাহিদুল ইছলাম, শ্বেখ আব্দুলাই ক্ৰমে ৪০৬ টা আৰু ৮০৮ টা ভোট লাভ কৰাৰ বিপৰীতে ন’টাত পৰে এহেজাৰ ১৫ টা ভোট। এনে অৱস্থাত তিনি প্ৰাৰ্থীয়ে ন’টাতকৈ কম ভোট লাভ কৰে। উল্লেখ্য যে বিগত নিৰ্বাচনত সমষ্টিত এআইইউডিএফৰ প্ৰাৰ্থী হৈ নিৰ্বাচনত অৱতীৰ্ণ হৈছিল যদিও কংগ্ৰেছ প্ৰাৰ্থী আব্দুল হাইনাগৰীৰ হাতত পৰাস্ত হৈছিল। মন কৰিবলগীয়া যে সমষ্টি দুটাত ভোটদানৰ ক্ষেত্ৰত ধৰ্মীয় মেৰুকৰণ হোৱা বুলি চৰ্চিত হৈছে ৰাইজৰ মাজত। উল্লেখ্য যে আই, মানাহ নৈৰ বান আৰু খহনীয়াই তাণ্ডৱ চলাই আহিছে। এনে অৱস্থাত নৈপৰীয়া সমষ্টিটোৱে দুৰ্যোগৰ সন্মুখীন হৈ আহিছে প্ৰতিবছৰে। যাতায়াৰ কোনো সুব্যৱস্থা নথকা, উচ্চ শিক্ষানুষ্ঠানৰ অভাৱ আদিৰ বাবে সমষ্টিটো অন্যান্য সমষ্টিতকৈ বহুগুণে পিছপৰি আছে। কৃষি প্ৰধান সমষ্টিটো কোনো এজন বিধায়কে উন্নয়ন সাধিব পৰা নাই। এনে ক্ষেত্ৰত নৱনিৰ্বাচিত বিধায়কজনৰ পৰা বহু আশা কৰিছে ৰাইজে।

# গাড়ী চুৰিত জড়িতক গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৫ মে’ ঃ** নগাঁও আৰক্ষীয়ে মেঘালয় আৰক্ষীৰ সহযোগত এটা কুখ্যাত গাড়ী চোৰৰ চক্ৰক গ্ৰেপ্তাৰ কৰে। ধৃত চোৰৰ চক্ৰটোৰ সদস্যকেইজন হ’ল মেঘালয়ৰ ভল্লছ ফাৰা আৰু ছে লাৰা আৰু নগাঁৰৰ গাড়ীচালক ইকৰাল হুছেইন। আৰক্ষী সূত্ৰই উল্লেখ কৰা মতে ২৯ এপ্ৰিলত মেঘালয়ৰ গাড়ী চোৰ চক্ৰৰ লগত জড়িত উক্ত লোক দুজনে নগাঁৰৰ গাড়ীচালক ইকৰাল হুছেইনৰ পৰা এ এছ-০৭ কিউ-৩২৯৯ নম্বৰৰ ছুইফট ডিজায়াৰ গাড়ীখন নগাঁৰৰ বৰঘাটৰ পৰা মেঘালয়লৈ ভাড়া কৰি নিছিল। গাড়ী চালক ইকৰাল সেইদিনা ঘৰলৈ ঘূৰি নহাত আৰু তেওঁৰ ম’বাইলৰ চুইচ বন্ধ থকাত চালকজনৰ পিতৃয়ে নগাঁও সদৰ থানাত এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত নগাঁৰৰ আৰক্ষীয়ে ৮৮০/২০২১ নম্বৰৰ গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখে। এই গোচৰৰ আঁত ধৰিয়েই নগাঁও আৰক্ষীয়ে মেঘালয়ৰ নংপোৰ পৰা গাড়ী চোৰৰ চক্ৰটোক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাৰ লগতে গাড়ীখনো উদ্ধাৰ কৰে। কালি তিনিওকে আদালতত হাজিৰ কৰাৰ পাছত আদালতে মেঘালয়ৰ গাড়ী চোৰৰ লগত জড়িত লোক দুজনক কাৰাগাৰলৈ প্ৰেৰণ কৰে।

# জয়ন্ত মল্ল বৰুৱাক মন্ত্ৰিত্ব প্ৰদানৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৫ মে’ ঃ** নলবাৰী সদৰ বিধানসভা সমষ্টিৰ পৰা দ্বিতীয়বাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত জয়ন্ত মল্ল বৰুৱাক অসম বিধানসভাৰ কেবিনেট মন্ত্ৰীসভাত অন্তৰ্ভুক্তিৰ দাবী উত্থাপিত হৈছে। এই ক্ষেত্ৰত নলবাৰী জিলা বিজেপি, ভাৰতীয় জনতা যুৱ মৰ্চা, মহিলা মৰ্চা, এছ টি মৰ্চা, অ’বিচি মৰ্চা, কিষাণ মৰ্চা আদিৰ উপৰি নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, বড়িগোগ বনভাগ মণ্ডল বিজেপি, পূব নলবাৰী মণ্ডল বিজেপি, টাউন মণ্ডল বিজেপি, নলবাৰী জিলা এছটি মৰ্চা, নলবাৰী যুৱ মৰ্চা, মহিলা মৰ্চা, বড়িগোগ বনভাগ মহিলা মৰ্চা, বড়িগোগ বনভাগ মণ্ডল যুৱ মৰ্চা, বড়িগোগ বনভাগ অ’বিচি মৰ্চা, বড়িগোগ বনভাগ আঞ্চলিক পঞ্চায়ত ঘগ্ৰাপাৰ হৰি মন্দিৰ সমিতি, ঘগ্ৰাপাৰ বজাৰ সমিতি, বনভাগ বহুমুখী সমবায় সমিতি, দলুৱা হৰিমন্দিৰ সমিতি, বড়িগোগ বনভাগ জ্যেষ্ঠ নাগৰিক সমিতি, খাতিকুছি হৰিমন্দিৰ-বজাৰ সমিতিকে ধৰি সমষ্টিৰ বিভিন্ন শ্ৰেণীৰ ৰাইজ তথা দল-সংগঠনে নলবাৰী সদৰ সমষ্টিটোৰ সামগ্ৰিক উন্নয়নৰ বাবেই জয়ন্ত মল্ল বৰুৱাক মন্ত্ৰিত্ব প্ৰদানৰ দাবী জনাইছে শীৰ্ষ নেতৃত্বৰ ওচৰত।

# বঢ়মপুৰ-বটদ্ৰৱা-ৰহাৰ নতুন মুখৰ জনপ্ৰতিনিধিয়ে পূৰণ কৰি পাৰিবনে ৰাইজৰ প্ৰত্যাশা

**বিশেষ সংবাদদাতা**

**নগাঁও, ৫ মে’ ঃ** সদ্য সমাপ্ত বিধানসভা নিৰ্বাচনত নগাঁও জিলাৰ আঠটা বিধানসভা সমষ্টিৰ ভিতৰত তিনিটা সমষ্টিৰ পৰা এইবাৰ তিনিজনকৈ নতুন মুখৰ জনপ্ৰতিনিধি নিৰ্বাচিত হৈছে। জিলাখনৰ বঢ়মপুৰ সমষ্টিৰ পৰা বিজেপিৰ জিতু গোস্বামী, বটদ্ৰৱা সমষ্টিৰ পৰা কংগ্ৰেছৰ শিবামণি বৰা আৰু ৰহা সমষ্টিৰ পৰা কংগ্ৰেছৰ শশীকান্ত দাস পোনপ্ৰথমবাৰৰ বাবে বিধানসভালৈ নিৰ্বাচিত হৈছে। ইয়াৰে দুজন বিৰোধীৰ আসনত বহিবলগা হোৱাৰ বিপৰীতে বঢ়মপুৰৰ পৰা নিৰ্বাচিত গোস্বামী শাসক দলৰ পক্ষত থাকিব। বিভিন্ন বিতৰ্কৰ আৱৰ্তত থকা বিশেষকৈ এটা ৰাষ্ট্ৰীয়কৃত বেংকে ধৰুৱা ঘোষণা কৰা গোস্বামীয়ে প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ উত্তৰসূৰীৰূপে সমষ্টিটোত আগন্তুক পাঁচটা বছৰত কি কাম কৰিব তাৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ থাকিব। ইপিনে, খণ্ড উন্নয়ন বিষয়াৰ দৰে লোভনীয় চাকৰিৰ পৰা স্বেচ্ছামূলক অৱসৰ লৈ ৰাজনীতিত জঁপিয়াই পৰি আঙুৰলতা ডেকাক পৰাজিত কৰি বটদ্ৰৱা সমষ্টিৰ পৰা বিধায়কৰূপে নিৰ্বাচিত হোৱা শিবামণি বৰাই গুৰুজনাৰ পৱিত্ৰ জন্মভূমিত উন্নয়নৰ ক্ষেত্ৰত কেনে ধৰণৰ ভুমিকা গ্ৰহণ কৰিব সেই বিষয়টোত সমগ্ৰ ৰাজ্যবাসীৰ চোকা দৃষ্টি থাকিব। বিশেষকৈ ১৮০ কোটি টকীয়া বটদ্ৰৱা প্ৰকল্পৰ আঁচনি ৰূপায়ণ, শ্ৰীশ্ৰীবটদ্ৰৱা থানৰ সামগ্ৰিক উন্নয়নৰ লগতে এতিয়াও বেদখলকাৰীৰ হাতত থকা বটদ্ৰৱা থানৰ বৃহৎ ভূমি উদ্ধাৰৰ ক্ষেত্ৰত কি ভুমিকা গ্ৰহণ কৰে সেইটো স্বাভাৱিকতে লক্ষ্যণীয় হ’ব। অৱশ্যে বিৰোধী দলৰ এগৰাকী বিধায়কৰূপে তেওঁৰ সন্মুখত তীব্ৰ প্ৰত্যাহ্বান থাকিব। এই প্ৰত্যাহ্বান নেওচি সমষ্টি উন্নয়নত মনোনিৱেশ কৰি ৰাইজৰ প্ৰত্যাশা তেওঁ কেনেকৈ পূৰণ কৰিব পাৰে সেইটো লক্ষ্যণীয় হ’ব। তদুপৰি সমষ্টি উন্নয়নৰ ধাৰাবাহিকতা ৰক্ষাত নৱাগতা শিবামণি বৰা কিমান সফল হয় সেইটো নিঃসন্দেহে সকলোৰে চৰ্চাত থাকিব। আনহাতে, অনুসূচিত জাতিৰ বাবে সংৰক্ষিত ৰহা সমষ্টিৰ পৰা পোনপ্ৰথমবাৰৰ বাবে বিধানসভাৰ মজিয়ালৈ নিৰ্বাচিত হোৱা কংগ্ৰেছী বিধায়ক শশীকান্ত দাসৰ কাম-কাজৰ ওপৰতো ৰহাবাসীয়ে চোকা দৃষ্টি ৰাখিব। এসময়ত নগাঁও মহকুমা অনুসূচিত জাতি কল্যাণ ব’ৰ্ডৰ অধ্যক্ষ হৈ থকাৰ সময়ত বিভিন্ন বিতৰ্কৰ আৱৰ্তত সোমাই পৰা দাসে যদিও ভৱিষ্যত ৰাজনীতিৰ কথা চিন্তা নকৰি পুনৰ একেটা ভুলকে কৰিবলৈ আগবাঢ়ে তেন্তে নিঃসন্দেহে তেওঁৰ ভৱিষ্যত ৰাজনীতিৰ কেৰিয়াৰলৈ আহিব পাৰে তীব্ৰ প্ৰত্যাহ্বান। বিৰোধী দলৰ বিধায়কৰূপে তেওঁৰ সন্মুখতো নানা ধৰণৰ প্ৰতিবন্ধকতা থাকিব। সমষ্টিৰ চৰকাৰী কাম-কাজত তেওঁক উপেক্ষা কৰি হয়তো অগপ-বিজেপি নেতাৰ অবাঞ্চিত হস্তক্ষেপ থাকিব। ইয়াৰ মাজত তেওঁ সমষ্টিবাসীৰ প্ৰত্যাশা কেনেকৈ পূৰণ কৰে সেয়া বিচাৰ্যৰ বিষয়।

# কৃষ্ণাইত শাল গছৰ কুণ্ডাভৰ্তি বাহন জব্দ



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ৫ মে’ ঃ** চোৰাং কাঠ ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে গোৱালপাৰা জিলাৰ কৃষ্ণাই আঞ্চলিক বন বিভাগে। ইতিমধ্যে বহু চোৰাং কাঠ তথা অবৈধ মিল জব্দ কৰা বন বিভাগে যোৱা নিশাও শালগছৰ কুণ্ডাভৰ্তি এ এছ-১৮ চি-৭৭৩৯ নম্বৰৰ টাটা এ চি এছ বাহন এখন জব্দ কৰে। এক বিশেষ সূত্ৰৰ পম খেদি বৰঝাৰ পাহিদলৰ পৰা জব্দ কৰা শালগছৰ কুণ্ডাখিনিৰ মূল্য প্ৰায় ৮০ হেজাৰ টকা হ’ব।

# চাহ শ্ৰমিকক মাস্ক-ছেনিটাইজাৰ-গ্ল’ভছ প্ৰদানৰ দাবী আটছাৰ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৫ মে’ ঃ** সমগ্ৰ দেশৰ লগতে অসমতো ক’ভিড-১৯ মহামাৰীয়ে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। শেহতীয়াকৈ এই ৰোগত বহু হেজাৰ লোক আক্ৰান্ত হোৱাৰ লগতে অনেক ইতিমধ্যে মৃত্যুৰ মুখত পৰিছে। কৰ’না মহামাৰী ৰোধৰ বাবে চৰকাৰে কিছু নীতি-নিৰ্দেশনা জাৰি কৰিছে যদিও চাহ বাগিচাৰ ক্ষেত্ৰত চৰকাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ মৰিয়নি শাখাই। উদ্যোগৰ লগতে চাহ বাগিচাসমূহক কিছু ৰেহাই দিয়াৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে ঠিকেই কিন্তু চৰকাৰে লাখ লাখ চাহ শ্ৰমিকৰ জীৱনৰ নিৰাপত্তাৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্ট নীতি-নিৰ্দেশনা দিয়া নাই। তাৰেই সুযোগ লৈ চাহ বাগিচাসমূহৰ পৰিচালক আৰু কৰ্তৃপক্ষক চাহ শ্ৰমিকসকলক লৈ উদাসীন হোৱা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত আটছাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মংগল গৰাইট, মৰিয়নি শাখাৰ সভাপতি বন্ধন গোৱালা আৰু সম্পাদক দীনেশ চাহুৰে চাহ শ্ৰমিকসকলক মাস্ক, ছেনিটাইজাৰ, গ্লোভছ আদিৰ লগতে কামৰ সময়ত হাত ধোৱা পানী, চাবোন আদিৰ যোগান ধৰিবৰ বাবে বাগিচা কৰ্তৃপক্ষক আহ্বান জনাইছে। আটছাৰ নেতাকেইজনে কয় যে চাহ বাগিচাৰ লাইনসমূহ অন্যতম ঘন জনবসতিপূৰ্ণ ঠাই হোৱা হেতুকে ক’ভিড-১৯ ভাইৰাছ অধিক সংক্ৰমিত হোৱাৰ আশংকা থাকে। তদুপৰি কোনো নিৰাপত্তামূলক ব্যৱস্থা গ্ৰহণ কৰা দেখা নাযায়। যাৰ ফলত চাহ বাগিচাসমূহ অন্যতম স্পৰ্শকাতৰ অঞ্চল হিচাপে চিহ্নিত হৈছে। সেয়েহে সময় থাকোতেই চাহ শ্ৰমিকসকলৰ জীৱনৰ নিৰাপত্তাক লৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সকলো পক্ষৰ প্ৰতি আটছাই আহ্বান জনাইছে। আনহাতে, আটছাই চাহ শ্ৰমিকৰ জীৱনক লৈ হেতালি নেখেলিবলৈ বাগিচা পৰিচালক তথা বাগিচাসমূহৰ কৰ্তৃপক্ষক সকীয়াই দিছে।

# কঠিয়াতলিত স্বাস্থ্যকেন্দ্ৰ-বেংক-বজাৰত ক’ভিডৰ নীতি-নিয়ম ধোঁৱাচাঙত

**অগ্ৰদূত বাৰ্তা**

**কঠিয়াতলি, ৫ মে’ ঃ** ৰাজ্যখনৰ বিভিন্ন ঠাইত ক’ভিড মহামাৰীয়ে সংহাৰ ৰূপ ধাৰণ কৰাত ৰাজ্য চৰকাৰৰ আৰু স্বাস্থ্য বিভাগে ক’ভিড মহামাৰীৰ গণ সংক্ৰমণ ৰোধ কৰাৰ চেষ্টাৰে ৰাজ্যত নতুন নতুন নিয়ম নীতি প্ৰৱৰ্তন কৰিছে যদিও একাংশ অবিবেচক লোকে এনে নীতি-নিয়মক আওকাণ কৰিছে। নগাঁও জিলাৰ কঠিয়াতলি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি ক’ভিডৰ প্ৰতিষেধক ল’বলৈ অহা লোকে ভিৰ কৰে। চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়াত ধন উলিয়াবলৈ অহা লোকৰো নাই সামাজিক দূৰত্ব। আজিৰ অৰ্ধসপ্তাহিক বুধবৰীয়া বজাৰতো সহস্ৰাধিক লোকে ভিৰ কৰে। এইসকল অবিবেচক লোকে ক’ভিড প্ৰট’কলৰ সকলো নীতি-নিয়ম ভৰিৰে মোহাৰি অঞ্চলটোলৈ সংকট কঢ়িয়াই অনা পৰিলক্ষিত হৈছে। সকলো দেখি শুনিও স্থানীয় আৰক্ষী প্ৰশাসনে নীৰৱ ভূমিকা লোৱা বুলি অভিযোগ উঠিছে। কিন্তু আৰক্ষীৰ সূত্ৰে উল্লেখ কৰা মতে, আৰক্ষীৰ সংখ্যা তেনেই তাকৰ হোৱাত সকলো দিশ চম্ভালিবলৈ কঠিন হৈ পৰিছে। উল্লেখ্য যে নগাঁও জিলাত ক’ভিডৰ সংক্ৰমণ দ্ৰুত গতিত বৃদ্ধি পোৱাৰ লগতে ছয়জন লোকৰ মৃত্যুও হৈছে। ইয়াৰ সমান্তৰালকৈ কঠিয়াতলি অঞ্চলতো এই মহামাৰীৰে সংক্ৰমণ হৈ আক্ৰান্তৰ সংখ্যা ২৩ হৈছে। এনে অৱস্থা অব্যাহত থাকিলে অচিৰেই গণ সংক্ৰমণ হৈ আক্ৰান্তৰ সংখ্যা অধিক বৃদ্ধি পোৱাৰ আশংকা ঘনীভূত হৈ পৰিছে। জিলা প্ৰশাসনক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে আহ্বান জনাইছে।




# হালাকুৰা-ছাগলীয়াত দুই বজাতে বন্ধ দোকান-পোহাৰ

**বক্সিৰহাট, ৫ মে’ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে নামনি অসমৰ ধুবুৰী জিলাতো কৰ’না ভাইৰাছে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। অসম চৰকাৰ আৰু স্বাস্থ্য বিভাগে আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ জাৰি কৰা এছ অ পি ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিতো বলবৎ হৈছে। আজি দুপৰীয়া দুই বজাৰ লগে লগে ছাগলীয়া-হালাকুৰা, আগমণি, গোলকগঞ্জৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ হৈ পৰে। ব্যৱসায়ীসকলে স্বতঃস্ফূৰ্তভাৱে নিজ নিজ ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ কৰে ক’ভিড প্ৰ’টকল মানি নিৰ্দিষ্ট সময়ৰ ভিতৰত। অৱশ্যে দুই-এখন দোকান আৰক্ষীয়ে বন্ধ কৰি দিয়ে।

# সত্ৰীয়া সংস্কৃতিৰ সেৱক লংকেশ্বৰ তালুকদাৰৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**সৰ্থেবাৰী, ৫ মে’ ঃ** সত্ৰীয়া সংস্কৃতিৰ সেৱক, ঘোষানামৰ বিশিষ্ট পাঠক তথা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী লংকেশ্বৰ তালুকদাৰ (৮২)ৰ কালি সন্ধিয়া সাত বজাত বাৰ্ধক্যজনিত কাৰণত নিজ বাসভৱনত মৃত্যু হয়। কাঁহ শিল্প নগৰী সৰ্থেবাৰীৰ নিকটৱৰ্তী কাৰাকুছি গাঁৱৰ দুখীয়া পৰিয়ালত ১৯৩৯ত জন্মগ্ৰহণ কৰা তালুকদাৰ সৰুৰে পৰা সত্ৰীয়া সংস্কৃতিৰ প্ৰতি আগ্ৰহী আছিল। ছাত্ৰাৱস্থাতে গাঁৱৰ ভকতসকলৰ লগত নাম-কীৰ্তনত ভাগ লোৱা তালুকদাৰ পৰৱৰ্তী সময়ত ঘোষানামৰ এজন বিশিষ্ট পাঠক হিচাপে সমগ্ৰ অঞ্চলতে পৰিচিত হৈ পৰে। সৰ্থেবাৰীৰ উপৰি অসমৰ বিভিন্ন স্থানত তেওঁ পৰিৱেশন কৰা ঘোষানামৰ সুললিত কণ্ঠ আৰু সুমধুৰ স্বৰে শ্ৰোতা-দৰ্শকক বাৰুকৈয়ে আপ্লুত কৰে। ঘোষানামৰ উপৰি তেওঁ বৰগীতৰো এজন ভাল শিল্পী আছিল। কাৰাকুছি শ্ৰীশ্ৰীমাধৱদেৱৰ পাদশিলা সত্ৰৰ কে’বাবছৰ ধৰি তেওঁ গায়ন-বায়ন দায়িত্বটো আছিল। তদুপৰি মৃত্যুৰ সময়লৈকে তেওঁ কাৰাকুছি গাঁৱৰ মাজৰ খেলৰ গোমস্থা পদত অধিষ্ঠিত হৈ আছিল। ২০০১ত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা তালুকদাৰে মৃত্যুৰ সময়ত পত্নী, তিনিজন পুত্ৰ, তিনিগৰাকী কন্যা এৰি যায়।

# পলাশবাৰীৰ দখলাত নৈত জাঁপ দিয়া যুৱতীৰ মতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ৫ মে’ ঃ** পলাশবাৰীৰ দখলা বণিয়াপাৰাত সোমবাৰে নিশা ন বজাত ব্ৰহ্মপুত্ৰ নৈৰ বুকুত জাঁপ দিয়া যুৱতীৰ মৃতদেহ অৱশেষত তিনিদিন পাছত আজি উদ্ধাৰ হয়। স্থানীয় লোকৰ সমুখতে নৈত জাঁপ দিয়া যুৱতীগৰাকীক বিজয়নগৰ আৰক্ষীয়ে ডুবাৰু বাহিনীৰ জৰিয়তে উদ্ধাৰৰ অভিযান চলাই। ওচৰৰে সত্ৰপাৰা গাঁৱৰ যুৱতীগৰাকীৰ মৃতদেহ স্থানীয় লোকে আজি ঘটনাস্থলীৰ পৰা এক কিলোমিটাৰ দূৰত্বত পানীত ওপঙি উটি গৈ থকা প্ৰত্যক্ষ কৰে। পাছত নদী আৰক্ষী আৰু বিজয়নগৰ আৰক্ষীয়ে ডুবাৰু বাহিনীৰ জৰিয়তে মৃতদেহটো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কিহৰ বাবে এগৰাকী যুৱতীয়ে এইদৰে আত্মহত্যাৰ দৰে পথ বাছি ল’লে তাক লৈ সৃষ্টি হৈছে ৰহস্যৰ।

# সমাজকৰ্মী সুৰেন পাঠকৰ মৃত্যু

**আলোপতি, ৫ মে’ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰাৰ পিজুপাৰা গাঁৱৰ সমাজকৰ্মী সুৰেন পাঠক (৯৫)ৰ মৃত্যুত শোকৰ ছাঁ পৰিছে বৃহত্তৰ নগৰবেৰা অঞ্চলত। পিজুপাৰাৰ লগতে বৃহত্তৰ নগৰবেৰা অঞ্চলৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ লগত জড়িত আছিল পাঠক। নগৰবেৰা আঞ্চলিক মৌজা কমিটী আৰু নগৰবেৰা বজাৰ কমিটীৰ লগতো সক্ৰিয়ভাৱে জড়িত আছিল পাঠক। বৃহত্তৰ নগৰবেৰা অঞ্চলৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে প্ৰতিটো উন্নয়নমূলক কামৰ লগত জড়িত আছিল যদিও কোনোদিনে কোনো পদবী গ্ৰহণ নকৰি সমাজত এক আদৰ্শ দাঙি ধৰিবলৈ সক্ষম হৈছিল। বাৰ্ধক্যজনিত কাৰণত আজি নিজ গৃহতে শেষ নিশ্বাস ত্যাগ কৰা পাঠকে মৃত্যুৰ সময়ত বহু আত্মীয়-স্বজনক এৰি যায়। সমাজকৰ্মীজনৰ দেহাৱসানৰ প্ৰতি সন্মান জনাই আজি দিনৰ ১১ বজাৰ পৰা আবেলি দুই বজালৈ নগৰবেৰা বজাৰ বন্ধ ঘোষণা কৰে বজাৰ কমিটী আৰু মৌজা কমিটীয়ে। বিশিষ্ট সমাজসেৱকজনৰ মৃত্যুত নগৰবেৰা আঞ্চলিক মৌজা কমিটীৰ সভাপতি-সম্পাদক ক্ৰমে উদয় শংকৰ মেধি আৰু ভৱেশ তালুকদাৰ, নগৰবেৰা বজাৰ কমিটী, পশ্চিম কামৰূপ ছাত্ৰ সন্থা, নগৰবেৰা সাংবাদিক সন্থাৰ লগতে বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

# কৃষ্ণাইত ক’ভিড নিয়ম ভংগকাৰী ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ৫ মে’ ঃ** আজি পুৱা পাঁচ বজাৰ পৰা কাৰ্যকৰী হোৱাকৈ জাৰি কৰা ৰাজ্য চৰকাৰৰ ক’ভিড সম্বন্ধীয় এছঅ’পি ভংগকৰাৰ অপৰাধত আজি গোৱালপাৰা জিলাৰ কৃষ্ণাইত তিনিখন কাপোৰৰ দোকান ছীল কৰে জিলা প্ৰশাসনে। ইয়াৰ বিপৰীতে আন পাঁচখন দোকানৰ পৰা আদায় কৰে নগদ ধনৰ জৰিমনা। জিলা দণ্ডাধীশ ৰুণাল নাথৰ নেতৃত্বত স্থানীয় আৰক্ষী প্ৰশাসনৰ দল এটাই দিনৰ দুই বজাত সমগ্ৰ কৃষ্ণাই বজাৰৰ লগতে বুধবৰীয়া সাপ্তাহিক বজাৰতো এইদৰে অভিযান চলায়। সাপ্তাহিক বজাৰ পৰিচালনা সমিতিক অতি শীঘ্ৰে ১২ জনীয়া ভলণ্টিয়াৰৰ তালিকা এখন বনাবলৈ নিৰ্দেশ দি প্ৰশাসনে এইসকল লোকৰ দ্বাৰা সাপ্তাহিক বজাৰ যাতে দুই বজাৰ ভিতৰত বন্ধ কৰা হয় তাৰ বাবে ব্যৱসায়ীক তাগিদা দিবলৈ আহ্বান জনায়। অন্যথা অহা সপ্তাহৰ পৰা বজাৰ বন্ধ কৰি দিবলৈ বাধ্য হ’ব বুলি জনায় দণ্ডাধীশে।

# অৱসৰপ্ৰাপ্ত শিক্ষক ছবিৰাম বসুমতাৰীৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**শিঙৰী, ৫ মে’ ঃ** ঢেকিয়াজুলি নগৰৰ নিকটৱৰ্তী চিৰাজুলি পথাৰ গাঁও নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী, ক্ৰীড়া সংগঠক ছবিৰাম বসুমতাৰী (৮৫)ৰ কালি বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত মৃত্যু হয়। তেওঁ ঢেকিয়াজুলি উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক আছিল। ঢেকিয়াজুলি উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰা বসুমতাৰীয়ে পাছত ঢেকিয়াজুলি উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত যোগদান কৰে। বিদ্যালয়খনত বহুদিন শিক্ষকতা কৰি ১৯৯৭ত সহকাৰী প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। তেওঁ আদৰ্শ শিক্ষক আৰু এজন ক্ৰীড়া সংগঠক হিচাপেও সমাজত পৰিচিত আছিল। তেওঁৰ বিয়োগত ঢেকিয়াজুলি অঞ্চলত শোকৰ ছাঁ পৰিছে। ঢেকিয়াজুলিৰ বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠান আৰু সংস্থা-সংগঠনৰ নেতৃবৃন্দই তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে। তেওঁৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ পাছতে গুণমুগ্ধসকল চিৰাজুলি পথাৰ অৱস্থিত বাসগৃহত উপস্থিত হৈ পৰিয়ালৰ শোকৰ সমভাগী হয়। তেওঁৰ বিয়োগত ঢেকিয়াজুলি উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক বীৰেণ শইকীয়া, সহকাৰী প্ৰধান শিক্ষক গৌতম ৰাজবংশীৰ লগতে সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে গভীৰ শোক প্ৰকাশ কৰে। ঢেকিয়াজুলি জ্যেষ্ঠ নাগৰিক সন্থা, ঢেকিয়াজুলি মহকুমা নাগৰিক মঞ্চ, ঢেকিয়াজুলি শাখা লেখিকা সমাৰোহ সমিতি আৰু ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থা আৰু নিখিল বড়ো ছাত্ৰ সন্থাৰ ঢেকিয়াজুলি আঞ্চলিক সমিতিয়ে তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে। তেওঁ মৃত্যুৰ সময়ত পত্নীসহ দুজন পুত্ৰ আৰু এগৰাকী জীয়াৰীৰ লগতে বহু আত্মীয়ক ইহসংসাৰত এৰি যায়।

# কাকীত সোণালী উদ্যোগ সমিতিৰ বৃক্ষৰোপণ




**অগ্ৰদূত বাৰ্তা**

**কাকী, ৫ মে’ ঃ** হোজাই জিলাৰ স্বেচ্ছাসেৱী সংগঠন ‘সোণালী উদ্যোগ সমিতি’ৰ উদ্যোগত তথা যুৱক সংঘৰ সহযোগত প্ৰাকৃতিক পৰিৱেশ সুস্থ কৰি ৰখাৰ বাবে দুই নম্বৰ কাকী মুদৈয়নীত আজি গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে ভাৰত চৰকাৰৰ পৰিৱেশ-বন-জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয় আৰু অসম বিজ্ঞান প্ৰযুক্তি-পৰিৱেশ পৰিষদৰ অধীনত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইপিনে, গছপুলি ৰোপণ কাৰ্যসূচীৰ স’তে সংগতি ৰাখি সম্পূৰ্ণ ক’ভিড প্ৰট’কল মানি এখন মুকলি সভা অনুষ্ঠিত হয়। বেচৰকাৰী সংস্থাটোৰ সাধাৰণ সম্পাদক হিৰণ্য বৰাই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে দুই নম্বৰ কাকী বিষ্ণুৰাভা কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ নিৰঞ্জন বৰাই।

# গৌৰীসাগৰত বেদখলৰ কবলত ৰাজমন্ত্ৰী বৰগোহাঁই বংশধৰৰ মৈদাম



**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ৫ মে’ ঃ** আহোম স্বৰ্গদেউসকলৰ গৌৰৱোজ্জ্বল ছশ বছৰীয়া ৰাজত্ব কালৰ অন্যতম সাক্ষী ৰাজমন্ত্ৰী বৰগোহাঁই বংশধৰৰ মৈদাম হৈছে শিৱসাগৰ জিলাৰ অন্যতম প্ৰাচীন তথা ঐতিহাসিক সমল। ঐতিহাসিক প্ৰাচীন সমলেৰে ভৰপূৰ শিৱসাগৰ জিলাৰ ঐতিহাসিক চাৰিং আৰু গৌৰীসাগৰৰ সীমান্তৱৰ্তী সোণতলীছিগাৰ ৩৭ নম্বৰ ঘাইপথৰ পূব দিশত দীৰ্ঘদিনে অৱহেলা অনাদৰত জহি খহি যোৱা অৱস্থাত অতিত স্মৃতি বহন কৰি আহিছে যদিও পলমকৈ একাংশ বেদখলকাৰীয়ে সম্পদকেইটাৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই আনিছে। বুৰঞ্জীবিদসকলৰ মতে, চাৰিং হাতীঘূলিৰ পূব প্ৰান্তত ফুকনফদীয়া খণ্ডৰ কৃষিভূমিত পূৰ্বতে ১১ টা বৰগোহাঁই বংশধৰৰ মৈদামে আহোমৰ ছশ বছৰীয়া ৰাজত্বকালৰ সোণোৱালী স্বাক্ষৰ বহন কৰি আহিছিল। কিন্তু সংৰক্ষণৰ অভাৱত অধিকাংশ মৈদাম জহি-খহি গৈ কৃষি ভূমিৰ স’তে বিলীন হৈ পৰিল। বৰ্তমান চাৰিটা মৈদামৰ অস্তিত্ব আছেগৈ যদিও কে’বাটাও মৈদামৰ ওপৰতে ঘৰ-বাৰী সজাৰ প্ৰক্ৰিয়া আৰম্ভ চলাই আছে একাধিক বেদখলকাৰীয়ে। এই ঘটনাই সচেতন মহলৰ চকু কঁপালত তুলিছে। উল্লেখ্য যে আহোম স্বৰ্গদেউসকলৰ শাসনকালত নামদাং ফুকনফদীয়াৰ বৰগোহাঁইসকল ৰাজমন্ত্ৰী আছিল। সেই সূত্ৰে জকাইচুক পথাৰৰ পূব কোণত হাতীঘূলি আলিমূৰৰ তিনিশ মিটাৰ দূৰত্বত খন্দোৱা এটা পুখুৰীৰ স’তে এটা বৰগোহাঁই মৈদামো আছিল। সেই ঐতিহাসিক মৈদামটো এতিয়া অস্তিত্ব নাইকিয়া হৈ পৰিলেও পুখুৰীটোৰ চিন-মোকাম অলপ হ’লেও আছেগৈ। অৱশ্যে পুখুৰীটো এতিয়া চ’তপুখুৰী বা চতুৰ পুখুৰী হিচাপেহে জনাজাত। উল্লেখ্য যে একাংশ বেদখলকাৰীয়ে ইয়াৰ পৰা কিছু নিলগৰ ফুকনফদীয়া বেজগাঁৱৰ পশ্চিমে ঐতিহাসিক মাছখোৱা গড়ৰৰ কাষত অৱস্থিত বৰগোঁহাই বংশধৰৰ চাৰিটাকৈ মৈদামৰ কাষতে নতুনকৈ বাৰী আৰু বৃহৎ অট্টালিকা সাজি একাধিক মৈদাম নিজৰ সীমাৰ ভিতৰত সোমোৱাই প্ৰশাসন তথা পুৰাতত্ত্ব বিভাগৰ নীতি-নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন কৰিছে। অথচ আশ্চৰ্যজনকভাৱে নিৰ্বিকাৰ জিলা প্ৰশাসন আৰু আৰক্ষী বিভাগ। বিভাগীয় নিয়ম মতে, ঐতিহাসিক সম্পদসমূহৰ দুশ মিটাৰ দূৰত্বৰ ভিতৰত কোনো বেদখল আৰু ঘৰ-দুৱাৰ সাজিব নোৱাৰে। কিন্তু সেই নিয়ম উলংঘা কৰি এনেবোৰ ঐতিহাসিক সম্পদৰ ওপৰতে ঘৰ-বাৰী সাজি কিদৰে বীৰত্ব প্ৰদৰ্শন কৰিবলৈ সাহস পাইছে বে-দখলকাৰীয়ে। সাম্প্ৰতিক প্ৰেক্ষাপটত ই এক গুৰুতৰ বিষয় হিচাপে চিহ্নিত হৈছে সচেতন মহলৰ বাবে।

## ফলমূল-শাক-পাচলি খাই তহিলং

# ফৰকাটিং তিৰুৱালত কেৰ্কেটুৱাৰ উপদ্ৰৱত অতিষ্ঠ ৰাইজ

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ৫ মে’ ঃ** গোলাঘাট জিলাৰ ফৰকাটিং তিৰুৱাল গাঁৱত কেৰ্কেটুৱাৰ উপদ্ৰৱে ৰাইজক অতিষ্ঠ কৰিছে। গাঁওখনৰ ৰাইজে উল্লেখ্য কৰা মতে, অঞ্চলটোত জাক জাক কেৰ্কেটুৱাই দীৰ্ঘদিনৰ পৰা ৰাইজৰ বাৰীৰ তামোল, নাৰিকল, আম, কঁঠাল, কল আদি ফলমূলৰ লগতে লাও, কোমোৰা, ভোল, জিকা, কুন্দুলি, দাংবদি আদি শাক-পাচলিৰ উপৰি ভঁৰালৰ ধান পৰ্যন্ত খাই ৰাইজৰ বৃহৎ ক্ষতিসাধন কৰি আহিছে। অঞ্চলটোৰ ৰাইজৰ বাৰীৰ শ শ তামোল গছৰ কলিতেই তামোলসমূহ কেৰ্কেটুৱাই খাই তহিলং কৰি অহাৰ লগতে নাৰিকলসমূহো খাই পেলোৱাত ৰাইজে কেৱল উদং তামোল-নাৰিকলৰ গছসমূহকে চাই থাকিব লগা হৈছে। অঞ্চলটোত বৰ্তমান কোনো ৰাইজৰ বাৰীতে এটাও তামোল বা নাৰিকল পাবলৈ নোহোৱা অৱস্থা হৈছে। বহু ৰাইজে কেটেপা, ধেনু, ফৰ্মুটি, শিল আদি মাৰি কেৰ্কেটুৱা নিধন বা খেদি পঠাবলৈ চেষ্টা কৰি আহিছে যদিও সফল হ’ব পৰা নাই বা এটাও কেৰ্কেটুৱা নিধন কৰিবলৈ সক্ষম হোৱা নাই। উপায়ান্তৰ হৈ ৰাইজে বাৰীৰ ফলমূল, শাক-পাচলি কেৰ্কেটুৱাক এৰি দিয়াৰ বাহিৰে একো উপায় বিচাৰি পোৱা নাই।

## নগৰবেৰাত বিজেপি কৰ্মীৰ প্ৰতিবাদ

# পশ্চিমবংগত ৰাজনৈতিক হিংসা




**আলোপতি, ৫ মে’ ঃ** চুবুৰীয়া ৰাজ্য পশ্চিমবংগত নিৰ্বাচনী হিংসাৰ বলি হোৱা বিজেপি কৰ্মীৰ ওপৰত নিৰ্যাতন বন্ধ কৰাৰ দাবীত আজি কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাত অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে স্থানীয় বিজেপি কাৰ্যকৰ্তাসকলে। নগৰবেৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদত নগৰবেৰা মণ্ডল বিজেপিৰ কৰ্মীসকলে অৱস্থান ধৰ্মঘট পালন কৰাৰ লগতে প্ৰতিবাদ সাব্যস্ত কৰে। বিজেপি কাৰ্যকৰ্তাসকলে ‘পশ্চিমংগত বিজেপি কৰ্মীৰ ওপৰত চলা নিৰ্যাতন বন্ধ কৰক’, তৃণমূল কংগ্ৰেছ হায় হায়, বিজেপি জিন্দাবাদ’ আদি ধ্বনি দি প্ৰতিবাদ সাব্যস্ত কৰে। ক’ভিড নিয়মৰ বাবে ২০ গৰাকী বিজেপি কাৰ্যকৰ্তাই নগৰবেৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদত প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে চক্ৰ বিষয়া বনশ্ৰী মালাকাৰৰ জৰিয়তে ভাৰতৰ ৰাষ্ট্ৰপতি লৈ এখন স্মাৰকপত্ৰও প্ৰেৰণ কৰি দোষীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনায়। উল্লেখ্য যে নিৰ্বাচনী হিংসাৰ বলি হৈ কোচবিহাৰৰ বহু সংখ্যক পৰিয়াল নিৰাপত্তাহীনতাত ভুগি ইতিমধ্যে অসমত প্ৰৱেশ কৰিছে।

# কলিয়াবৰৰ বাগৰি আৰক্ষীৰ জালত দুই ড্ৰাগছ সৰবৰাহকাৰী



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ৫ মে’ ঃ** কলিয়াবৰৰ বিভিন্ন স্থানৰ অলিয়োগলিয়ে, কিছু পৰিত্যক্ত স্থানত সঘনে উদ্ধাৰ হৈ আহিছে ড্ৰাগছ সেৱনত ব্যৱহৃত চিৰিঞ্জ, কাগজৰ লগতে বিভিন্ন সামগ্ৰী। ইয়াৰ মাজতে কলিয়াবৰত আজি আৰক্ষীৰ জালত পৰে দুজন ড্ৰাগছ সৰবৰাহকাৰী হেৰ’ইনসহ দুই সৰবৰাহকাৰী। জখলাবন্ধা আৰক্ষী নিৰেশৰ অন্তৰ্গত বাগৰি টহলদাৰী আৰক্ষী চকীৰ আৰক্ষীয়ে। বাগৰিৰ হাৰমতীৰ পৰা দুজন ড্ৰাগছ সৰবৰাহকাৰীক হেৰ’ইনসহ গ্ৰেপ্তাৰ কৰে। সৰমৰাহকাৰী এজনৰ পৰা দুই পেকেট হেৰ’ইন জব্দ কৰে আৰক্ষীয়ে। ড্ৰাগছ সৰবৰাহৰে জড়িত আব্দুল আলী আৰু ইছমাইল আলী নামৰ দুজন সৰবৰাহকাৰীক সোধ-পোছৰ লগতে তদন্ত আৰম্ভ কৰিছে জখলাবন্ধা আৰক্ষীয়ে।

# সমাজসেৱিকা বসুমতী মেনাৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**চামতা, ৫ মে’ ঃ** নলবাৰী জিলাৰ বেলশৰৰ বয়োজ্যেষ্ঠা সমাজসেৱিকা, নামতী বসুমতী মেনা (৯০)ৰ কালি বিয়লি বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। বেলশৰৰ পশ্চিম মেনাপাৰাৰ মুক্তি-যুঁজাৰু প্ৰয়াত ৰঘুনাথ মেনাৰ পত্নী তথা অঞ্চলটোৰ সকলোৰে প্ৰিয় সৰবৰহী মহিলা বসুমতীয়ে শেহতীয়াকৈ বেলশৰ শিঙিমাৰা নিবাসী সৰু জী-জোঁৱাইৰ বাসগৃহত থাকিব লৈছিল। কালি ৫-৩০ বজাত তেওঁৰ বিয়োগ ঘটে। আজি পুৱা ১১ বজাত নামতীগৰাকীৰ নশ্বৰদেহ বেলশৰ পশ্চিম মেনাপাৰাৰ ঘৰলৈ আনি অঞ্চলবাসীয়ে শেষ শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত তেওঁ তিনিগৰাকী কন্যাক এৰি যায়। তেওঁৰ মৃত্যুত বেলশৰ অসমজ্যোতি সংঘ, পশ্চিম মেনাপাৰা-নপাৰা নামঘৰ প্ৰমুখ্যে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান, ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে।

## জনশূন্য হৈ পৰিল বাট-পথ

# গোৱালপাৰাত দিনৰ দুই বজাৰ লগে লগে বন্ধ হ’ল দোকান-পোহাৰ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৫ মে’ ঃ** অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ নিৰ্দেশনা মতে আজি দিনৰ দুই বজাৰ পৰা দোকান-পোহাৰ, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু কাৰ্যালয়সমূহ বন্ধ হৈ পৰাত একপ্ৰকাৰ জনশূন্য হৈ পৰে গোৱালপাৰা চহৰৰ বাট-পথ। নৈশ সান্ধ্য আইন সন্দৰ্ভতো গোৱালপাৰা জিলা প্ৰশাসনে এক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ইপিনে, সাধাৰণ ৰাইজক সজাগ কৰাৰ বাবে গোৱালপাৰা আৰক্ষীয়ে মাইকযোগে ক’ভিড-১৯ৰ ভয়াৱহতা সম্পৰ্কে সজাগতা কৰাৰ লগতে দোকান-পোহাৰ বন্ধ ৰখাৰ আহ্বান জনায়। সামাজিক দূৰত্ব বজাই ৰখা, চাবোনেৰে ঘনে ঘনে হাত ধোৱা, মাস্ক পৰিধান কৰা আদি নীতি-নিয়মসমূহ বাধ্যতামূলক বুলি আৰক্ষীয়ে ৰাইজক অৱগত কৰে।




## লুলু আৰু জুজু হাঁহি-ধেমালি

জুজু ঃ দাদা, ‘কণি’ মানে কি?
লুলু ঃ ‘কণি’ মানে অকণমান বা সৰু। যেনে কণিধান, কণি কচু ইত্যাদি।
জুজু ঃ ঠিক আছে। তেনে কি ‘কণি’ ঘূৰি ফুৰে?
লুলু ঃ কিয়, ওকণি।
জুজু ঃ কি কণিয়ে লৰচৰ নকৰে?
লুলু ঃ ঢাকনি।
জুজু ঃ কি কণি পাৰ হ’ব নোৱাৰি?
লুলু ঃ চাকণি।
জুজু ঃ কি কণি জ্বৰ হোৱাৰ চিন?
লুলু ঃ কেঁকনি।
জুজু ঃ কি কণি খাবলৈ বেয়া?
লুলু ঃ বকনি।
জুজু ঃ কি কণিৰ আগত বিদ্যা?
লুলু ঃ চেকনি।
জুজু ঃ কি কণিৰ ওপৰত শাক থাকে?
লুলু ঃ শাকণি।
জুজু ঃ ঘাঁ হ’লে কি কণি দিয়ে?
লুলু ঃ পকণি।
জুজু ঃ ঘাঁ পকিলে কি কণি দিয়ে?
লুলু ঃ শুকনি। বচ নকৰিবি আৰু নাকনি-কাণনি।

(সু-মো-ম)

## শুকান মৰম

**প্ৰদীপ নাৰায়ণ ভট্ট**

**মোহনপুৰ** গাঁৱৰ গোপাল গায়নৰ নাম নুশুনা মানুহ বহুত কম আছে গোপাল গায়ন ধনে-জনে চহকী লোক। তেওঁ কে’বাপুৰা জমীৰ গৰাকী। সোণৰ আ-অলংকাৰো বাকচ ভৰি আছে। লোকে কোৱা শুনিছো, তেওঁৰ ঘৰত হেনো মহাৰাণীৰ টকা আছে। কোনো কোনোৱে গায়নক দেৱতাৰ টকা পোৱা বুলি কয়। আমি হ’লে বিশ্বাস নকৰো। আমাৰ মতে গায়ন উপাৰ্জনৰ জোখাৰে ধনী। যি লাগে সকলো তেওঁৰ ঘৰত আছে। যেনে-গোহালিত গৰু, পুখুৰীত মাছ, বাৰীত তামোল-পাণ সকলো। আমি দেখা কথা, গায়নৰ বাৰীৰ কঁঠাল, আমবোৰ পকি সৰি যায়। বান্দৰ কেৰ্কেটুৱাই সঘনে আহ-যাহ কৰে। ৰাতিপুৱাৰ সময়ত বায়নৰ ঘৰত মানুহৰ অভাৱ নাথাকে। সেইবোৰ চাহ-জলপান খোৱা মানুহ। বহুতৰ বাবে বায়নৰ ঘৰখন ঘৰ নহয় এখন অনাথ আশ্ৰম। সহায় বিচাৰি অহা মানুহৰ অভাৱ নাই। গায়নে কিন্তু কাৰো পৰা বিনিময় নিবিচাৰে। পাৰিলে সহায় কৰে, নোৱাৰিলে নাই। অৱশ্যে কোনেও সেইখন ঘৰত নিৰাশ হ’ব নালাগে। কেতিয়া, কাক, কিমান টকাৰে সহায় কৰিলে, সেয়াও তেওঁ হিচাপ নাৰাখে। গোপালৰ কোনো কথাত তেওঁৰ পত্নী-পুত্ৰই মাত নামাতে আৰু প্ৰতিবাদ কৰাৰ প্ৰয়োজন বোধ নকৰে। একমাত্ৰ জীয়ৰী উৰ্মিলাই মাজে মাজে পিতৃক সোঁৱৰাই যে অপাত্ৰক দান কৰা আৰু ভোক নথকাক ভাত দিয়া একেই কথা। দুয়োটাৰ মূল্য নাই। দেউতাকে সেইবোৰ কথাৰ অৰ্থ নুবুজে। তেওঁৰ মতে, মানৱ সেৱাই পৰম ধৰ্ম। সময় সদায় একে নাথাকে। সময়ে আমাক ক’ৰবাৰ পৰা ক’ৰবালৈ লৈ যায়। এদিন গোপাল বায়নো সময়ৰ নিষ্ঠুৰতাৰ হাতত চিকাৰ হ’বলৈ বাধ্য হ’ল। ভাগ্যখন সদায় নিজৰ নিজৰ। আমি কৰ্মফল এদিন ভোগ কৰিবই লাগিব। কোনেও কৰ্মফলৰ পৰা হাত সাৰিব নোৱাৰে। গোপাল গায়নৰো একে অৱস্থা হ’ল। তেওঁ টান নৰিয়াত পৰি অশেষ কষ্টত দিনবোৰ পাৰ কৰিবলৈ ধৰিলে। কোনো ডাক্তৰ কবিৰাজৰ ঔষধে কাম নিদিয়া হ’ল। গায়নৰ বাবে প্ৰতিটো ক্ষণ এবছৰৰ দৰে হৈ উঠিল সময়বোৰ যেন নাযায় নুপুৰায়। মনৰ বিষাদ-বেদনাবোৰ ক’বলৈও যেন কাষত মানুহ নাই। কোনেও তেওঁৰ ওচৰত বেছি সময় বহি থাকিব নিবিচাৰে। কিন্তু আচৰিত কথা! চোতাল ভৰি থকা বায়নৰ ঘৰখন আজি চোতাল শূন্য হৈ পৰিল। এতিয়া যেন কাৰো নিবলৈ আৰু পাবলৈ নাই। এটা সময়ত বায়নক শ্ৰদ্ধা আৰু মৰমেৰে উপচায় দিয়া মানুহবোৰ আজি



ক’ত লুকাল? বায়নে নিজকে প্ৰশ্ন কৰিছে। বুকুত মূৰ থৈ মৰম কৰা আপোন ঘৈণীজনীৰ বাবেও বায়ন আজি বায়ু নথকা ফাটি-ফুটি যোৱা বেলুনটো হৈ পৰিল। স্বাৰ্থপৰ মানুহবোৰৰ বিচিত্ৰ চৰিত্ৰই বায়নক ভাবিবলৈ বাধ্য কৰালে। আজি তেওঁৰ নিজৰ ওপৰতে ঘৃণা উপজিছে। বহুদিন আগতে তেওঁৰ জীয়ৰী উৰ্মিলাই কোৱা কথা এটা বায়নৰ মনত পৰিল। তাই কৈছিল, ‘দেউতা, এই যে মানুহবোৰ, যিসকলে আপোনাক ভালপোৱা, মৰম কৰাৰ অভিনয় কৰিছে, আচলতে সেই সকলো মৰম আচলতে শুকান মৰম। তাত ৰস-জীপ্ নাই। সেই কথা আপুনি সময়ত বুজিব।’ সঁচাই আজি উৰ্মিলাই কোৱা কথাই সত্যত পৰিণত হ’ল। আজি বিপদৰ দিনত তেওঁৰ খবৰ লওঁতা নাই। কি হৈছে বুলি সোধোতা নাই। এদিন গোপাল বায়ন এই সংসাৰৰ পৰা গুচি গ’ল। মৃত্যুৰ সময়ত বায়নে উৰ্মিলাৰ মূৰত তেওঁ দুৰ্বল হাতখন থৈ এটা কথাই কৈ গ’ল, ‘উৰ্মিলা, তুমি মোক সঁচা কথাই কৈছিলা। সেই স্বাৰ্থপৰ মানুহবোৰৰ মৰমৰ কোনো ৰস-জীপ্ নাছিল। সেই মৰম আছিল শুকান মৰম, স্বাৰ্থপৰৰ স্বাৰ্থসিদ্ধিৰ ছলনা। সঁচাই লোকৰ মিছা অভিনয়ত ভোল যাব নালাগে।



*প্ৰাকৃতিষ কাকতি, মহৰ্ষি বিদ্যামন্দিৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, গুৱাহাটী।*

## উচিত প্ৰত্যুত্তৰ



**ইংৰাজ** সাহিত্যিক চাৰ্লছ ডিকেন্সৰ খ্যাতি সমগ্ৰ ইংলণ্ডত বিয়পি পৰাৰ সময়ৰ কথা। ডিকেন্সৰ কথা শুনি শুনি এদিন মহাৰাণী ভিক্টোৰিয়াই তেওঁক নিজৰ মহললৈ মতাই নিলে। ডিকেন্স গৈ উপস্থিত হোৱাত মহাৰাণীয়ে তেওঁক এটা কাহিনী শুনাবলৈ অনুৰোধ কৰিলে। ডিকেন্স আছিল অতি স্বাভিমানী তথা তীক্ষ্ণ বুদ্ধিসম্পন্ন ব্যক্তি। মহাৰাণীৰ কথাতে তেওঁ ধৰিব পাৰিলে যে সেয়া আচলতে অনুৰোধ নহয়, নিৰ্দেশহে। ইয়াৰ উপৰি মহাৰাণীৰ মহললৈ মাতি আনি এইদৰে কাহিনী শুনাবলৈ কোৱা কথাটোত তেওঁ অপমানবোধ কৰিলে। ডিকেন্সে যথাসম্ভৱ বিনয়েৰে ক’লে, ‘মহাৰাণী! মই এতিয়ালৈকে ৰাজমহলত শুনাবলৈ যোগ্যতা থকা কোনো কাহিনী ৰচনা কৰিব পৰা নাই। যদি কেতিয়াবা তাৰ যোগ্য হওঁ, তেন্তে আপোনাক নিশ্চয় শুনাম। মই কেৱল সাধাৰণ মানুহক লৈহে কাহিনী লিখো।’ ডিকেন্সৰ উত্তৰ শুনি মহাৰাণীয়ে ক’লে, ‘ঠিক আছে। আপুনি মোক তেনেকুৱা কাহিনী এটাকে শুনাওক।’ ডিকেন্সো এৰি দিয়া ভকত নহয়। তেওঁ পুনৰ বিনয়েৰে ক’লে, ‘মহাৰাণী! মোৰ কাহিনীয়ে তেতিয়াহে আপোনাক আনন্দ দিব, যেতিয়া আপুনি সাধাৰণ মানুহৰ মাজত বহি কাহিনী শুনিব।’ এনে প্ৰত্যুত্তৰেৰে মহাৰাণীক নিমাত কৰিলে ডিকেন্সে। কাৰণ এগৰাকী মহাৰাণীয়ে কেতিয়াও সাধাৰণ মানুহৰ মাজত বহি কাহিনী শুনিব নোৱাৰে। কথাটো বুজি মহাৰাণীয়েও ডিকেন্সক দুনাই জোৰ নকৰিলে।

## বিপন্নপ্ৰায় কণ্টকৰাম

**বুধিয়ক** কণ্টকৰামৰ সাধুটো নিশ্চয় শুনিছা! অসুস্থ পিতৃ-মাতৃৰ বাবে অতি বুদ্ধিৰে নিজৰ পিঠিৰ কাঁইট ব্যৱহাৰ কৰি আপেল কঢ়িয়াই নিছিল কণ্টকৰাম নামৰ কেটেলা পহুটোৱে। সাধুত অতি বুধিয়ক বুলি উল্লেখ কৰিলেও এইবিধ দুৰ্লভ প্ৰাণী প্ৰকৃততে বৰ নিৰ্জু। অতি জোঙা কাঁইটবোৰৰ বাবে দেখিলে ভয় লাগিলেও ইহঁত আচলতে একেবাৰে হিংস্ৰ নহয় আৰু অতি ভয়াতুৰ প্ৰাণী।

দেখাত কাঁইটীয়া শহা পহুৰ দৰে কেটেলা পহুৰ ইংৰাজী নাম হ’ল Indian crested porcupine। বৈজ্ঞানিক নাম Hystrix indica। নেজৰ পৰা নাক পৰ্যন্ত ইহঁতৰ দৈৰ্ঘ্য সচৰাচৰ ৮৫ৰ পৰা ৯০ ছেণ্টিমিটাৰ। গাৰ ৰং ধূসৰ ক’লা। মূৰ আৰু নাকৰ নোমবোৰ অতি কঠিন। মুখ আৰু ডিঙিৰ বাহিৰে কেটেলা পহুৰ সমগ্ৰ শৰীৰ যাঠিৰ দৰে অতি জোঙা কাঁইটেৰে ঢকা থাকে। অৱশ্যে এই কাঁইটবোৰ আক্ৰমণৰ বাবে নহয়। বৰঞ্চ আত্মৰক্ষাৰ বাবেহে ব্যৱহাৰ কৰে। ভয় খালেই কেটেলা পহুৰ কাঁইটবোৰ থিয় হৈ যায়। ফলত যিকোনো হিংস্ৰ প্ৰাণীয়ে ইহঁতক আক্ৰমণ কৰিবলৈ সচৰাচৰ ভয়



কৰে। অতি কমেইহে কেটেলা পহু আন প্ৰাণীৰ চিকাৰ হয়। তথাপি কেটেলা পহু সম্প্ৰতি বিপদাপন্ন প্ৰাণীৰ তালিকাত অন্তৰ্ভুক্ত হৈছে। ইয়াৰ প্ৰধান কাৰণ অৱশ্যে মানুহহে। কেটেলা পহুৰ মাংস সোৱাদযুক্ত হোৱাৰ লগতে ইহঁতে প্ৰায়েই মানুহৰ পাচলিৰ খেতি খাই নষ্ট কৰাৰ কাৰণে এইবিধ নিৰ্জু প্ৰাণীক হত্যা কৰা হয়। কেটেলা পহুৰ নাকটো অতি স্পৰ্শকাতৰ। নাকত সামান্য আঘাত পালেই সি অজ্ঞান হৈ পৰে বাবে কেটেলা পহুক চিকাৰ কৰিবলৈকো সহজ। ইয়াৰ উপৰি বহুতে কাঁইটৰ ওপৰত কলগছৰ টুকুৰা পেলাই চিকাৰ কৰে। কলগছ কাঁইটত লাগি ধৰিলে কেটেলা পহু বাগৰি পৰে আৰু মাৰিবলৈ সহজ হয়। কাঁইটবোৰ থিয় হ’লে কেটেলা পহুক পদুম ফুলৰ দৰে লাগে আৰু আকাৰত দ্বিগুণ দেখি। এডাল কাঁইটৰ দৈৰ্ঘ্য ২০ৰ পৰা ২২ ছেণ্টিমিটাৰ। সমগ্ৰ শৰীৰত প্ৰায় ২৫ হেজাৰ তীক্ষ্ণ কাঁইট থাকে। কাঁইটৰ আগবোৰ পাছফাললৈ পৰি থকা। কাঁইটৰ আগভাগ কিন্তু বিষাক্ত। মানুহ বা আন প্ৰাণীৰ গাত বিন্ধিলে পাছলৈ পচিব পাৰে। কেটেলা পহুৱে গাঁতত বাস কৰে। ইহঁত তৃণভোজী আৰু নিশাচৰ প্ৰাণী। নিজৰ গাঁত নিজেই খান্দি লয়। মাইকী কেটেলা পহুৱে এবাৰত ২-৩টা পোৱালি জন্ম দিয়ে। জন্মৰ সময়ত পোৱালিৰ গাত কাঁইট নাথাকে আৰু বয়স বঢ়াৰ লগে লগে কাঁইটো ওলাবলৈ ধৰে। কেটেলা পহু স্তন্যপায়ী প্ৰাণী।

## ‘কিউ’ৰ পাছত ‘ইউ’ কিয়?

ইংৰাজী বৰ্ণমালাৰ দুটা অন্যতম বৰ্ণ হ’ল ‘Q’ আৰু ‘U’। তোমালোকে এটা কথা লক্ষ্য কৰিবাচোন, যিবোৰ ইংৰাজী শব্দ ‘কিউ’ (Q) বৰ্ণটোৰে আৰম্ভ হয়, সেইবোৰত ‘কিউ’ বৰ্ণৰ পাছতে থাকে ‘ইউ’ (U) বৰ্ণ। যেনে— Quick, Quiet, Queen, Quack, Qualify, Quarter ইত্যাদি। ইংৰাজী অভিধানখন চালেই কথাটো ধৰিব পাৰিবা।




কিন্তু ‘কিউ’ৰ পাছত সদায় বাৰু ‘ইউ’ আহে কিয়? নিশ্চিতভাৱে ই জানিবলগীয়া কথা।

‘কিউ’ বৰ্ণটো মূলতঃ ফৰাচী। অৰ্থাৎ ফৰাচী অভিধানৰ পৰা ইংৰাজী ভাষালৈ ‘কিউ’ আখৰটোৰ আগমন ঘটিছে। নৰমেনসকলে সেই বৰ্ণটো ইংৰাজী বৰ্ণমালালৈ আনিলে। ১০৬৬ত ইংলণ্ডত নৰমেন সাম্ৰাজ্য আৰম্ভ হোৱাৰ আগলৈকে ইংৰাজসকলৰ মাজত ‘কিউ’ বৰ্ণৰ কোনো অস্তিত্বই নাছিল। নৰমেন ভাষাবিদসকলে ফৰাচীসকলৰ অনুকৰণত ইংৰাজী বানানত কেতবোৰ পৰিৱৰ্তন আনে। ফৰাচীসকলে কে (K)ৰ পৰিৱৰ্তে ইউ (Q) ব্যৱহাৰ কৰিছিল। লেতিনসকলে ইংৰাজী ভাষাত ‘কে ডব্লিউ’ (Kw)ৰ পৰিৱৰ্তে ‘কিউ ইউ’ (Qu) ব্যৱহাৰ কৰিছিল। সেই সূত্ৰ ব্যৱহাৰ কৰিয়েই নৰমেনসকলে ইংৰাজী বৰ্ণমালাত ‘কিউ’ বৰ্ণটো অন্তৰ্ভুক্ত কৰাৰ উপৰি ‘কে’ বৰ্ণৰে আৰম্ভ হ’বলগীয়া কেতবোৰ শব্দৰ বানান ‘কিউ’ৰে আৰম্ভ কৰিলে। সেইদৰে ‘কিউ’ৰে আৰম্ভ হোৱা শব্দবোৰৰ বানানত লেতিন ভাষা অনুযায়ী ‘কিউ’ৰ পাছতে ‘ইউ’ ব্যৱহাৰ কৰিবলৈ ল’লে।



## প্ৰাকৃতিক ভাস্কৰ্যৰ দেশ

**এজন** ভাস্কৰ্য শিল্পীয়ে নিজৰ মনত সৃষ্টি হোৱা ভাববোৰ প্ৰকাশ কৰে তেওঁ গঢ়ি তোলা শিল্পকৰ্মৰে। কেতিয়াবা প্ৰাকৃতিকভাৱে পোৱা কিছুমান সমল সংগ্ৰহ কৰিও ভাস্কৰ্য শিল্পীয়ে নতুন ৰূপ দিয়ে। কিন্তু প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা ভাস্কৰ্যৰ বিশাল ভাণ্ডাৰ দেখিছানে? তেনে এক প্ৰাকৃতিক ভাস্কৰ্যৰ ভাণ্ডাৰ দেখিবলৈ পোৱা যায় নিউ মেক্সিকোৰ উত্তৰ-পশ্চিমৰ ধুধু মৰুভূমিত। অতিশয় আজৰ ঠাইখিনিৰ যিফালেই চোৱা যায়, সেইফালেই দেখা যাব বিচিত্ৰ আৰু অবিশ্বাস্য দৃশ্য। সেই ঠাইত উপস্থিত হ’লে এনে লাগিব যেন পৃথিৱী নহয়, বৰঞ্চ আন কোনো গ্ৰহতহে আছে। এই বিচিত্ৰ স্থানৰ নাম হ’ল বিষ্টি বেডলেণ্ডছ। সমগ্ৰ অঞ্চলটোতে সিঁচৰিত হৈ আছে শিল আৰু মাটিৰ বিৰল প্ৰাকৃতিক শিল্পকৰ্ম। যেন কোনো দক্ষ ভাস্কৰ্য শিল্পীয়েহে সেই ভাস্কৰ্যবোৰ অতি সযতনে গঢ়ি থৈছে। লাখ লাখ বছৰ ধৰি বতাহ আৰু পানীয়ে সেই স্থানৰ মাটি আৰু শিল ক্ষয় কৰি থকাৰ ফলতে আজিৰ এনে আজৰ দৃশ্যৰ জন্ম হৈছে। পাহাৰৰ চূড়া, পিৰামিড, বিয়পি থকা সৰু জোপোহা বন আৰু মাশ্বৰুম আদিয়ে শিলবোৰক অতি আচহুৱা ৰূপ প্ৰদান কৰিছে। সেয়া যেন এক কল্পনাৰহে ৰাজ্য। অদ্ভুত গঠনৰ বাবেই সেই স্থানৰ নাম হৈছে ‘ক্ৰেকড্ এগ’, ‘বিষ্টি উইংছ’, ‘ৰক গাৰ্ডেন’ আদি।

যুগ যুগ ধৰি মানুহৰ অগোচৰে থকা এই স্থান প্ৰকৃততে আছিল কোনো প্ৰাচীন সাগৰৰ পাৰত সৃষ্টি হোৱা ব-দ্বীপ। সেয়াও প্ৰায় সাত কোটি বছৰৰ আগৰ কথা। বিজ্ঞানীসকলৰ মতে, ক্ৰমান্বয়ে পানী আঁতৰি যোৱাৰ ফলত ঠাইখিনি গছ-গছনিৰে ভৰি পৰে আৰু পৰিণত হয় বিভিন্ন প্ৰাগ্ঐতিহাসিক প্ৰাণীৰ বিচৰণভূমিত। এটা সময়ত পানী সম্পূৰ্ণৰূপে শুকাই যোৱাত সমগ্ৰ ঠাইখিনিত ৰৈ যায় বিচিত্ৰ আকৃতিৰ শিলবোৰ। লগতে বালি শিল, বোকা শিল আৰু কয়লাৰ দৰে পদাৰ্থ। অৱশ্যে প্ৰাচীন অগ্নিকাণ্ডত অধিকাংশ কয়লা ভস্মীভূত হয়। দিনৰ পাছত দিন ধৰি সেই ঠাইৰ শিল আৰু মাটি ক্ষয় গৈ গৈ সৃষ্টি হয়গৈ আজিৰ বিচিত্ৰ ৰূপৰ শিলবোৰ। ছহেজাৰ বছৰৰ পূৰ্বে বৰফৰ যুগৰ সমাপ্তি ঘটাৰ পাছত বৰফখণ্ড গলি সৃষ্টি হোৱা পানীৰ ফলত শিল আৰু মাটিৰ তলত সোমাই থকা জীৱাস্ম আৰু কাঠৰ ধ্বংসাৱশেষবোৰ বাহিৰলৈ ওলাই আহে। এই ঠাইৰ এটা উল্লেখনীয় অংশ হ’ল ‘এগ ফেক্টৰী’। সেই ঠাইখিনিত বিয়পি আছে কণীৰ আকাৰৰ কিছুমান বস্তু, যিবোৰ সৃষ্টি হৈছে মাটি ক্ষয় আৰু খনিজ পদাৰ্থ গোট মৰাৰ ফলত। একপ্ৰকাৰে সমগ্ৰ স্থানটোকে বিচিত্ৰ প্ৰাকৃতিক ভাস্কৰ্যৰ সংৰক্ষণাগাৰ বুলি ক’ব পাৰি।

## ছাবমেৰিণ যাদুঘৰ



**যাদুঘৰ** বা মিউজিয়াম তোমালোকে নিশ্চয় দেখিছা! হৰেক ৰকমৰ ঐতিহাসিক সমল সংৰক্ষিত কৰি ৰখা হয় যাদুঘৰত। এনে কিছুমান যাদুঘৰ আছে, যিবোৰ কোনো নিৰ্দিষ্ট বিষয়বস্তুক কেন্দ্ৰ কৰি নিৰ্মিত। অন্ধ্ৰপ্ৰদেশত আছে এক বিশেষ ধৰণৰ যাদুঘৰ। সেয়া হ’ল আই এন এছ ছাবমেৰিণ যাদুঘৰ। এখন সঁচা ছাবমেৰিণৰ ভিতৰত এই যাদুঘৰটো নিৰ্মাণ কৰা হৈছে। ছাবমেৰিণ জানা নহয়! পানীৰ তলেদি যোৱা বিশেষকৈ সামৰিক ক্ষেত্ৰত নিয়োজিত এক বিশেষ প্ৰকাৰৰ জাহাজ। আমাৰ দেশত তৈয়াৰী চতুৰ্থখন ছাবমেৰিণৰ নাম আছিল আই এন এছ কুৰ্ছুৰা। এই ছাবমেৰিণখন সুদীৰ্ঘ ৩১ বছৰ সক্ৰিয় হৈ আছিল। তাৰ পাছত ছাবমেৰিণখন বিশাখাপট্টনমত যাদুঘৰ হিচাপে সংৰক্ষিত কৰাৰ সিদ্ধান্ত লয় চৰকাৰে। ছাবমেৰিণৰ ভিতৰত যাদুঘৰ নিৰ্মাণৰ পাছত ৰাইজৰ বাবে মুকলি কৰি দিয়া হয়। এই যাদুঘৰত আছে নৌ-সেনা আৰু ছাবমেৰিণ সম্পৰ্কীয় বিভিন্ন সামগ্ৰী। আই এন এছ কুৰ্ছুৰা হ’ল যাদুঘৰলৈ ৰূপান্তৰিত হোৱা এছিয়াৰ প্ৰথম আৰু বিশ্বৰ দ্বিতীয়খন ছাবমেৰিণ।

যাদুঘৰৰ প্ৰসংগত উত্থাপিত হৈছে যেতিয়া তোমালোকে হিমাচল প্ৰদেশত থকা আন এটা বিশেষ যাদুঘৰৰ বিষয়েও থোৰতে জানি থোৱা উচিত। হিমাচল প্ৰদেশৰ ছিৰমাউৰ জিলাত আছে ফচিল মিউজিয়াম বা জীৱাস্ম যাদুঘৰ। ই এটা বিৰল যাদুঘৰ। উক্ত স্থানত আৱিষ্কাৰ হোৱা বিভিন্ন স্তন্যপায়ী জীৱৰ জীৱাস্মবোৰ এই যাদুঘৰত সযতনে সংৰক্ষিত কৰি ৰখা হৈছে।

## জানানে??

⇨ গণিত শাস্ত্ৰৰ ‘পাই’ ষষ্ঠ শতাব্দীত ভাৰতীয় গণিতজ্ঞ বুধায়নে উদ্ভাৱন কৰিছিল।

⇨ বিশ্বৰ সবাতোকৈ গধূৰ ধাতু হ’ল অ’স্মিয়ম। দুই ফুট ওখ, বহল আৰু দীঘল অ’স্মিয়ম এটুকুৰাৰ ওজন এটা ডাঙৰ হাতীৰ সমান।

⇨ বেনাৰস হ’ল বিশ্বৰ একমাত্ৰ প্ৰাচীন নগৰ, যি আজি পৰ্যন্ত প্ৰকৃত প্ৰাচীনতম স্থানতে আছে।

⇨ ভাৰতত প্ৰথম উপনিৱেশ প্ৰতিষ্ঠা কৰিছিল পৰ্তুগীজসকলে। ১৫৩০ পৰ্যন্ত ভাৰতত তেওঁলোকৰ ৰাজধানী আছিল বৰ্তমানৰ কেৰালা ৰাজ্যৰ চহৰ কোচি।

⇨ সমগ্ৰ ভাৰতত প্ৰায় তিনি হেজাৰৰ অধিক প্ৰজাতিৰ অৰ্কিড পোৱা যায়। ইয়াৰে প্ৰায় ৬০০ৰ অধিক প্ৰজাতি একমাত্ৰ অৰুণাচল প্ৰদেশত পোৱা যায়।

## মহৎ লোকৰ বাণী

⇨ শিক্ষাই একমাত্ৰ উপায়, যি মানুহৰ জীৱনলৈ সুখ আৰু শান্তিৰ নিজৰা বোৱাই আনে। — এৰিষ্ট’ট’ল।

⇨ শিক্ষাৰ ঘাই শিপাডাল বৰ তিতা; কিন্তু ইয়াৰ ফল বৰ মিঠা। — এৰিষ্ট’ট’ল।

⇨ শিক্ষাৰ্থীৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য হ’ল প্ৰশ্ন সোধা। তেওঁলোকক প্ৰশ্ন সুধিবলৈ দিয়ক।
— ডঃ এ পি জে আব্দুল কালাম।

⇨ ভুল আঁতৰাই সত্যক প্ৰতিষ্ঠা কৰাটোৱেই শিক্ষাৰ মূল লক্ষ্য। — চক্ৰেটিছ।

⇨ শিক্ষক হৈছে এডাল মমবাতি; যি নিজে জ্বলি জ্বলি আনক পোহৰ দিয়ে। — প্লেটো।

## ভাল কাম কৰি ভাল মানুহ হওঁ আহা

**মধুছন্দা**

**অকণিহঁত** ‘ভাল কাম কৰি ভাল মানুহ হ’ম’ এই কথাষাৰ সদায় মনত ৰাখি ভাল কামবোৰ কৰি যাবা আৰু দেখিবা তোমালোক বিপদ-আপদৰ পৰা সদায় ৰক্ষা পৰি সৰু কালৰ পৰা ডাঙৰলৈকে গোটেই জীৱন হাঁহি-ধেমালি, সুখে-শান্তিৰে পাৰ কৰিব পাৰিবা। অৱশ্যে জীৱন-যাত্ৰাত নানা ধৰণৰ ঘাত-প্ৰতিঘাত থাকিবই। কাৰণ হাঁহি-কান্দোন, বাধা-বিঘিনি, ঘাত-প্ৰতিঘাত আদিবোৰৰ অবিহনে জীৱন কেতিয়াও সুন্দৰ হ’ব নোৱাৰে। সেই বুলি বেয়া কামবোৰ কৰি জীৱনটো তিল-তিলকৈ বেয়াৰ মাজলৈ ঠেলি দি গোটেই জীৱনটো নানা ধৰণৰ খেলি-মেলি, ভয়-শংকাৰ লগত যুঁজি অশান্তিকৰ জীৱন এটা পাৰ কৰাটো কম কষ্টকৰ জীৱন নে বাৰু? ইয়াৰ বিপৰীতে ভাল কামবোৰ কৰি যাওঁতে জীৱনলৈ অহা ঘাত-প্ৰতিঘাতবোৰে কেতিয়াবা জীৱনত অশান্তি দিলেও সেই অশান্তি লাহে লাহে জীৱনৰ পৰা বা মনৰ পৰা আঁতৰি গৈ সি হৈ পৰে এক মধুৰ স্মৃতি। গতিকে সৰু কালৰ পৰাই ভাল কামবোৰ কৰি ভাল কামৰ মিঠা ফল বুটলি নিজে খোৱাৰ লগতে তোমালোকৰ ভাল কামৰ মিঠা ফলৰ সোৱাদ আনকো দি পৰম আনন্দ লাভ কৰিব পাৰিলেই জীৱন সুন্দৰ হ’ব।



অকণিহঁত, তোমালোকে বা আমি কৰা ভাল কামবোৰে নিজৰ লগতে আনৰ জীৱনো সুখে-শান্তিৰে ভৰাই তোলাৰ লগতে সমাজৰ, দেশৰ আৰু পৃথিৱীখনৰো বিভিন্ন দিশ সুৱাসিত কৰি তোলাৰ লগতে প্ৰাকৃতিক পৰিৱেশো নিকা আৰু সুৱাসিত কৰি তুলি সকলোৰে বাবে শান্তি বিৰাজ কৰে। উদাহৰণস্বৰূপে তোমালোকে ৰোৱা গছ এজোপাই যোগান ধৰা অক্সিজেন গেছ তোমালোকে সেৱন কৰাৰ লগতে পৃথিৱীৰ চৌদিশে বিয়পি গৈ হেজাৰ-বিজাৰ মানুহ বা অন্যান্য প্ৰাণীয়েও সেৱন কৰি শান্তিৰে জীয়াই থাকে। ই এটা কম ভাল কাম নে বাৰু? তোমালোকে কৰা এনেধৰণৰ ভাল কামবোৰে তোমালোকে নজনাকৈয়ে পৃথিৱীখনৰ বিভিন্ন দিশ সুৱাসিত কৰি ৰাখি শান্তিৰ বতাহ প্ৰবাহিত কৰি থকাৰ কাৰণেই পৃথিৱীত শান্তি বিৰাজ হৈ আছে।

বাৰু যি কি নহওক, যোৱা সংখ্যাত তোমালোকে জানিবৰ কাৰণে শব্দ প্ৰদূষণৰ বিষয়ে বিভিন্ন অধ্যয়নৰ পৰা লাভ কৰা কিছু তথ্য উল্লেখ কৰিছিলা যাতে এই কথাবোৰ জানি-শুনি তোমালোকে সৰু কালৰ পৰাই সজাগ আৰু সচেতন হৈ অদৰকাৰী বা অপ্ৰয়োজনীয়ভাৱে মানুহে সৃষ্টি কৰা শব্দ প্ৰদূষণ কাৰ্যৰ পৰা বিৰত থাকি এখন প্ৰদূষণমুক্ত সুস্থ-সবল পৃথিৱী গঢ়ি তোলাত অৰিহণা যোগাব পাৰা। বহু লোক বা আমাৰ চৰকাৰেও এনেবোৰ কথাত গুৰুত্ব দিয়া নাই। নহ’লেনো নিৰ্বাচনী প্ৰচাৰৰ নামত অযথা কোলাহল সৃষ্টি কৰি শব্দ প্ৰদূষণ সৃষ্টি কৰেনে? এনে ধৰণৰ বহু অকাৰ্য আমাৰ সমাজত চলি আছে, তাৰে দুই এটা তোমালোকে জানিবৰ কাৰণে উল্লেখ কৰিছো যাতে তোমালোক সৰু কালৰ পৰাই এইবোৰ কথাৰ প্ৰতি সজাগ আৰু সচেতন হ’ব পৰা।

অকণিহঁত, এইখিনিতে তোমালোকে জানিবৰ কাৰণে শব্দ প্ৰাবল্য জোখ-মাপৰ বিষয়ে কিছু তথ্য প্ৰকাশ কৰা হৈছে। শব্দৰ প্ৰাবল্য জোখাৰ একক ডেছিবল, সংক্ষেপে ইয়াক ডি বি বুলি কোৱা হয়। মানুহৰ শ্ৰৱণেন্দ্ৰিয়ই শূন্যৰ পৰা ১৮০ ডেছিবল তীব্ৰতা অনুভৱ কৰিব পাৰে। কিন্তু ১৪০ ডেছিবল প্ৰাবল্যতকৈ অধিক শব্দৰ প্ৰাৱল্যৰ পৰিৱেশত একেলেথাৰিয়ে আধাঘণ্টা সময় থাকিলে মানুহৰ শ্ৰৱণ শক্তিৰ ক্ষতি হয়। মানুহৰ কাণৰ গ্ৰহণযোগ্য শব্দ প্ৰাবল্য হ’ল ৩০-৬০ ডেছিবল, য’ত মানুহৰ শ্ৰৱণ শক্তি ঠিক থাকে। উৰা জাহাজ এখনে মাটিৰ পৰা উৰণ আৰম্ভ কৰোতে ১২০ৰ পৰা ১৫০ ডেছিবল। পৰ্যন্ত শব্দৰ সৃষ্টি কৰে। ছুপাৰছনিক জেট বিমানৰ শব্দ প্ৰাবল্য ১৫০ ডেছিবল ‘সামৰিক যুঁজাৰু বিমানৰো শব্দ প্ৰাবল্য অতি বেছি। বিজুলী-ঢেৰেকনিৰ শব্দ প্ৰাবল্য ১২০-১৩০ ডেছিবল। শব্দ প্ৰাবল্য সহ্য কৰিব পৰা এটা নিৰ্দিষ্ট সীমা আছে। এজন সুস্থ মানুহে দীৰ্ঘ সময়ৰ বাবে ৯০ ডেছিবলতকৈ অধিক প্ৰাবল্যৰ পৰা কোলাহলত থাকিলে তেওঁৰ শ্ৰৱণ শক্তি নষ্ট হোৱাৰ উপৰি উচ্চ ৰক্তচাপ, স্নায়ুৰ দুৰ্বলতা, নিদ্ৰাহীনতা, হৃদযন্ত্ৰৰ বিস্তৃতি, মূৰ ঘূৰণি আদি ৰোগ হ’ব পাৰে। শব্দ প্ৰদূষণে তোমালোকৰ দৰে অকণিহঁতৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলায়। গৰ্ভৱতী নাৰীয়ে অধিক শব্দ প্ৰাৱল্যত বেছি সময় অতিবাহিত কৰিবলগীয়া হ’লে পেটত থকা সন্তানৰ ওপৰতো বিৰূপ প্ৰভাৱ পৰে। শব্দ প্ৰদূষণৰ কাৰণেই আমাৰ ভাৰতবৰ্ষৰ হেজাৰ হেজাৰ শিশু জন্মতে কলা হৈ আহে আৰু শিশুৱে ভুগিবলগীয়া হয়।

বিজ্ঞানীসকলে প্ৰকাশ কৰাৰ ওপৰত উল্লেখিত তথ্যখিনিৰ পৰা তোমালোকে গম পালা যে অন্যান্য প্ৰদূষণৰ দৰে শব্দ প্ৰদূষণো এক ভয়ংকৰ ৰাক্ষসৰ দৰে। গতিকে এই ভয়ানক প্ৰদূষণৰ পৰা ৰক্ষা পাবলৈ বা ৰোধ কৰিবলৈ সাধ্যানুসাৰে তোমালোকেও সজাগ আৰু সচেতন হৈ কিছু পদক্ষেপ গ্ৰহণ কৰিব লাগিব। আন একো কৰিব নোৱাৰিলেও জ্যেষ্ঠসকলক,, তোমালোকৰ লগৰসকলক ক’ব পৰা, বুজাব পৰা। আমাৰ সমাজত সততে ঘটি থকা ভয়ানক শব্দ প্ৰদূষণ সৃষ্টিত অৰিহণা যোগাই বিভিন্ন দিশত ক্ষতি সাধন কৰা দুই-এটা কথা তোমালোকৰ বাবে আগবঢ়াইছো।

বৰ্তমান সময়ত বিভিন্ন ধৰ্মীয় অনুষ্ঠান, সামাজিক-সাংস্কৃতিক আদি অনুষ্ঠানৰ উপৰি চৰকাৰী অনুষ্ঠান আদিত কাৰ্যসূচী ৰূপায়ণৰ নামত মাইক বজাই হৈ-চৈ কৰি কোলাহল সৃষ্টি কৰা কাৰ্যই সীমা চেৰাই গৈ বহুদূৰ অতিক্ৰম কৰা তোমালোকেও নিশ্চয় দেখিছা। উদাহৰণস্বৰূপে ধৰ্মীয় অনুষ্ঠান অখণ্ড ভাগৱত পাঠ, মহা-পালনাম, বিভিন্ন উৎসৱ-পাৰ্বণ, অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে অধিক শব্দত অদৰকাৰীভাৱে মাইক বজাই হৈ-চৈ কৰি অশান্তিৰ পৰিৱেশ সৃষ্টি কৰাৰ লগতে শব্দ-প্ৰদূষণ সৃষ্টিত বিশেষ অৰিহণা যোগাই আহিছে। বৰ্তমান নিৰ্বাচনী প্ৰচাৰেও কমখন অশান্তি আৰু প্ৰদূষণ সৃষ্টি কৰিছেনে? এনেবোৰ কথাত তোমালোক সৰু কালৰ পৰা সজাগ আৰু সচেতন হৈ কাম কৰিলেহে এইবোৰ ৰোধ কৰিব পৰা যাব। বহু জ্যেষ্ঠলোক, চৰকাৰ আৰু বিভাগবোৰে এইবোৰ কথালৈ মনেই নিদিয়ে। অৱশ্যে তোমালোক সৰু, তোমালোকে একো কৰিব নোৱাৰা। তথাপি যিখিনি পাৰা কৰিবলৈ চেষ্টা কৰিবাচোন। আহা আমি সকলোৱে এনেধৰণৰ ভাল কামবোৰ কৰি অসুস্থ পৃথিৱী সুস্থ কৰি তোলাত অৰিহণা যোগাওঁ।

*ফোন ঃ ৯৮৫৪৯৮৩৮২৭*






### প্ৰথমবাৰৰ বাবে গৌৰৱময় সফলতা অৰ্জন ঃ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচতো পৰাস্ত ফ্ৰান্সৰ ক্লাব পি এছ জি

# চেম্পিয়নছ লীগৰ ফাইনেলত মানচেষ্টাৰ চিটী



**লণ্ডন, ৫ মে' ঃ** ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ চিটীয়ে ইতিহাস গঢ়ি পোন প্ৰথমবাৰৰ বাবে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে। যোৱানিশা অনুষ্ঠিত হোৱা মেচত দলে ফ্ৰান্সৰ ক্লাব পি এছ জিক পৰাস্ত কৰি এই গৌৰৱময় সফলতা অৰ্জন কৰে। উল্লেখ্য যে চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত যোৱানিশা মানচেষ্টাৰ চিটী মুখামুখি হয় পি এছ জিৰ। মেচখনত মানচেষ্টাৰ চিটীয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ফ্ৰান্সৰ ক্লাব পি এছ জিক। অৱশ্যে মানচেষ্টাৰ চিটীৰ সামগ্ৰিক জয়ৰ ব্যৱধান হ'ল 4-1। ইয়াৰপূৰ্বে পেৰিছত অনুষ্ঠিত হোৱা প্ৰথম লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল পি এছ জিক। উল্লেখ্য যে প্ৰথম লেগৰ মেচত জয়লাভ কৰি সুবিধাজনক স্থিতিত আছিল মানচেষ্টাৰ চিটী। যোৱানিশা ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে আত্মবিশ্বাসৰে খেলি পুনৰ জয়ৰ সফলতা লাভ কৰে। দলৰ হৈ দুয়োটা গ'ল কৰে ৰিয়াদ মেহৰাজে। খেলৰ 11 মিনিটত মেহৰাজে প্ৰথমটো গ'ল কৰি বিৰতিলৈ মানচেষ্টাৰ চিটীক 1-0 ত আগুৱাই ৰাখে। আনহাতে, 63 মিনিটত মেহৰাজে দ্বিতীয়টো গ'ল কৰি মানচেষ্টাৰ চিটীৰ 2-0 ৰ বিজয় নিশ্চিত কৰে। উল্লেখ্য যে প্ৰথম লেগৰ মেচতো চিটীৰ হৈ বিজয়সুচক গ'লটো কৰিছিল মেহৰাজে। ইফালে, খেলৰ 69 মিনিটত ৰঙা কাৰ্ড পাই পি এছ জিৰ ডি মাৰিয়াই। স্মৰ্তব্য যে প্ৰথমে গ'ল হজম কৰাৰ পাছতো শক্তিশালী প্ৰদৰ্শনৰে সফল প্ৰত্যাৱৰ্তন কৰি মানচেষ্টাৰ চিটীয়ে চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত জয়লাভ কৰিছিল। প্ৰথম লেগৰ মেচৰ 15 মিনিটতে মাৰ্কুনহোছে গ'ল কৰি প্ৰথমে পি এছ জিক অগ্ৰগতি দিছিল। দলে এই অগ্ৰগতি 64 মিনিটলৈ ধৰি ৰাখে যদিও পৰৱৰ্তী সাত মিনিটত মানচেষ্টাৰ চিটীয়ে দুটা গ'ল কৰি মেচত জয় অৰ্জন কৰে। 64 মিনিটত চিটীৰ হৈ দ্য ব্ৰুনিয়ে প্ৰথমে গ'ল কৰি মেচত 1-1 ত সমতা স্থাপন কৰাৰ পাছত 71 মিনিটত মাহৰেজে চিটীৰ হৈ বিজয়সুচক গ'লটো দিছিল।



## ২৯ মে'ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল

**লণ্ডন, ৫ মে' ঃ** চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন অহা 29 মে'ত ইষ্টানবুলত অনুষ্ঠিত হ'ব। উল্লেখ্য যে ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ চিটীয়ে প্ৰথমটো দল ৰূপে ইতিমধ্যে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে। এতিয়া ফাইনেলত মানচেষ্টাৰ চিটীয়ে ৰিয়াল মাদ্ৰিদ আৰু চেলছিৰ বিজয়ীৰ বিৰুদ্ধে খেলিব। উল্লেখ্য যে ইতিহাস গঢ়ি পোন প্ৰথমবাৰৰ বাবে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ চিটী। উল্লেখ্য যে চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ফ্ৰান্সৰ ক্লাব পি এছ জিক। অৱশ্যে মানচেষ্টাৰ চিটীৰ সামগ্ৰিক জয়ৰ ব্যৱধান হ'ল 4-1। ইয়াৰপূৰ্বে পেৰিছত অনুষ্ঠিত হোৱা প্ৰথম লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল পি এছ জিক।

### ইউৰোপা লীগ ফুটবল

## ভিল্লা ৰিয়ালৰ বিৰুদ্ধে জয়ৰ আশা আৰ্ছেনালৰ

**লণ্ডন, ৫ মে' ঃ** ইউৰোপা লীগ ফুটবলৰ ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত পৰাস্ত হ'লেও ইংলণ্ডৰ ক্লাব আৰ্ছেনালে দ্বিতীয় লেগৰ মেচত জয়ৰ আশা কৰিছে। কাইলৈ অনুষ্ঠিত হ'বলগা মেচত আৰ্ছেনালে খেলিব স্পেনিছ ক্লাব ভিল্লা ৰিয়ালৰ বিৰুদ্ধে। আৰ্ছেনালৰ বাবে এই মেচ মৰণপন। উল্লেখ্য যে স্পেনিছ ক্লাব ভিল্লা ৰিয়ালে চলিত ইউৰোপা লীগ ফুটবলৰ ছেমিফাইনেল প্ৰথম লেগৰ মেচ জয়লাভ কৰিছে। যোৱা সপ্তাহত অনুষ্ঠিত হোৱা মেচত ভিল্লাৰিয়াল মুখামুখি হয় আৰ্ছেনালৰ। মেচখনত স্পেনিছ ক্লাব ভিল্লা ৰিয়ালে 2-1 গ'লৰ ব্যৱধানত জয়লাভ কৰে। এতিয়া কাইলৈৰ দ্বিতীয় লেগৰ মেচত ইংলণ্ডৰ ক্লাব আৰ্ছেনালে প্ৰত্যাৱৰ্তন কৰিব পাৰিব নে নাই সেয়া গুৰুত্বপূৰ্ণ হ'ব। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত আৰ্ছেনাল মুখামুখি হৈছিল শ্লাভিয়াৰ। মেচখনত আৰ্ছেনালে 4-0 গ'লৰ ব্যৱধানত জয়ী হৈ সামগ্ৰিকভাবে 5-1 গ'লত বিজয়ৰে ছেমিফাইলেত স্থান নিশ্চিত কৰিছিল। উল্লেখ্য যে প্ৰথম লেগৰ মেচত উভয় দলে 1-1 গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল। ইউৰোপা লীগৰ আন এখন কোৱাৰ্টাৰ ফাইনেলত স্পেইনৰ ক্লাব ভিল্লাৰিয়ালে খেলে ডিনামো জাগ্ৰেবৰ বিৰুদ্ধে। দ্বিতীয় লেগৰ মেচখনত ভিল্লাৰিয়ালে 2-1 গ'লৰ ব্যৱধানত জয়লাভ কৰে। উল্লেখ্য যে প্ৰথম লেগৰ মেচত ভিল্লাৰিয়ালে একমাত্ৰ গ'লত জয় অৰ্জন কৰিছিল আৰু সামগ্ৰিকভাবে 3-1 গ'লৰ ব্যৱধানত বিজয়ী হৈ অন্তিম চাৰিত প্ৰৱেশ কৰিছিল।

## সন্তোষ ট্ৰফীত অসমক প্ৰতিনিধিত্ব কৰা ৰাষ্ট্ৰীয় খেলুৱৈ মনেশ্বৰ ব্ৰহ্মৰ মৃত্যুত শোক



**গুৱাহাটী, ৫ মে' ঃ** অসমৰ প্ৰাক্তন ৰাষ্ট্ৰীয় ফুটবল খেলুৱৈ মনেশ্বৰ ব্ৰহ্মৰ আজি বৰমাৰ নিজ বাস গৃহত পৰলোকপ্ৰাপ্তি হয়। উল্লেখ্য যে দীৰ্ঘ দিনীয়া অসুস্থতাৰ পাছত আজি 57 বছৰ বয়সত স্বৰ্গগামী হয় ব্ৰহ্ম। অসম দলৰ হৈ প্ৰয়াত ব্ৰহ্মই ছিনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতা সন্তোষ ট্ৰফীত প্ৰতিনিধিত্ব কৰিছিল। আনহাতে, অসম পুলিচ দলৰ হৈ 1987-2000 লৈ খেলা ব্ৰহ্ম নেতৃত্বৰ দায়িত্বতো আছিল। উল্লেখ্য যে ব্ৰহ্ম আছিল অসম আৰক্ষীৰ কৰ্মৰত বিষয়া। ব্ৰহ্মৰ মৃত্যুত শোকপ্ৰকাশ কৰিছে অসম ফুটবল সন্থাই। অসম ফুটবল সন্থাৰ সম্পাদক হেমেন্দ্ৰ নাথ ব্ৰহ্মই প্ৰয়াত ব্ৰহ্মৰ মৃত্যু ৰাজ্যৰ বাবে অপুৰণীয় ক্ষতি বুলি বুলি কোৱাৰ লগতে শোক প্ৰকাশ কৰে।

## ১১ বছৰ পাছত পুনৰ চেম্পিয়নছ লীগৰ ফাইনেলত গুৰ্ডিঅ'লাৰ দল



**লণ্ডন, ৫ মে' ঃ** মানচেষ্টাৰ চিটীক প্ৰথমবাৰৰ বাবে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰি অনন্য গৌৰৱ দিলে দলৰ মেনেজাৰ পেপ গুৰ্ডিঅ'লাই। উল্লেখ্য যে গুৰ্ডিঅ'লাৰ বাবেও এয়া অনন্য সফলতা। ইয়াৰপূৰ্বে 2010 ত গুৰ্ডিঅ'লাৰ অধীনত খেলি বাৰ্চিলোনা চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছিল। উল্লেখ্য যে এইবাৰ চিটীৰ জয়যাত্ৰা ৰূপকথাৰ দৰেই। চলিত ইংলিছ প্ৰিমিয়াৰ লীগৰ খিতাপ জয়ৰ দিশে আগবাঢ়িছে মানচেষ্টাৰ চিটী। শীৰ্ষত থকা চিটীয়ে অন্তিম মেচত 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ক্ৰিষ্টল পেলেছক। উল্লেখ্য যে মানচেষ্টাৰ চিটীয়ে 34 খন মেচত 80 পইণ্ট লাভ কৰিছে। দলে 13 পইণ্টৰ অগ্ৰগতি লাভ কৰি খিতাপ জয়ৰ কাষলৈ আগবাঢ়িছে। পূৰ্ব চেম্পিয়ন মানচেষ্টাৰ চিটীয়ে ই পি এলৰ আনএখন মেচত 2-1 গ'লৰ ব্যৱধানত জয়ী হৈছিল এষ্টন ভিলাৰ বিৰুদ্ধে। উল্লেখ্য যে মানচেষ্টাৰ চিটীয়ে চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলৰ উভয় মেচত জয়ী হৈ খিতাপৰ যুঁজলৈ অগ্ৰসৰ হৈছে। ইয়াৰপূৰ্বে চিটীয়ে চেম্পিয়নছ লীগ ফুটবলৰ কোৱাৰ্টাৰ ফাইনেলৰ উভয় লেগৰ মেচত জয়ী হৈছিল ব'ৰুছিয়া ড'ৰ্টমুণ্ডৰ বিৰুদ্ধে। উল্লেখ্য যে মানচেষ্টাৰ চিটীয়ে চলিত সপ্তাহতে আন এটা সফলতা লাভ কৰিবলৈ সক্ষম হয়। দলে লীগ কাপৰ ফাইনেলত একমাত্ৰ গ'লত ট'টেনহামক পৰাস্ত কৰি চতুৰ্থবাৰৰ বাবে খিতাপ লাভ কৰিছে।



## প্ৰথম লেগৰ পৰাজয়ে পি এছ জিৰ ব্যৰ্থতাৰ কাৰণ



**পেৰিছ, ৫ মে' ঃ** বিগত বৰ্ষৰ চেম্পিয়ন বেয়াৰ্ণ মিউনিখক কোৱাৰ্টাৰ ফাইনেলত হৰুৱাই চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল পি এছ জি। কিন্তু ছেমিফাইনেলৰ প্ৰথম আৰু দ্বিতীয় লেগৰ মেচত ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ চিটীৰ বিৰুদ্ধে পৰাস্ত হৈ যাত্ৰা সামৰিলে ফ্ৰান্সৰ ক্লাব পি এছ জিয়ে উল্লেখ্য যে চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত যোৱানিশা মানচেষ্টাৰ চিটীৰ মুখামুখি হয় পি এছ জি। মেচখনত মানচেষ্টাৰ চিটীয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ফ্ৰান্সৰ ক্লাব পি এছ জিক। অৱশ্যে মানচেষ্টাৰ চিটীৰ সামগ্ৰিক জয়ৰ ব্যৱধান হ'ল 4-1। ইয়াৰপূৰ্বে পেৰিছত অনুষ্ঠিত হোৱা প্ৰথম লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল পি এছ জিক। উল্লেখ্য যে প্ৰথম লেগৰ মেচত জয়লাভ কৰি সুবিধাজনক স্থিতিত আছিল মানচেষ্টাৰ চিটী। বিপৰীতে দ্বিতীয় লেগৰ মেচ পি এছ জিৰ বাবে মৰণপণ আছিল যদিও দলে প্ৰত্যাশিত খেল খেলিবলৈ সক্ষম নহ'ল। অৱশ্যে দ্বিতীয় লেগত পি এছ জিৰ ইতিহাস সুখৰো নহয়। ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত পি এছ জিক জাৰ্মানীৰ বেয়াৰ্ণ মিউনিখে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল। অৱশ্যে তাৰপাছতো বিগত বৰ্ষৰ চেম্পিয়ন বেয়াৰ্ণ মিউনিখক কোৱাৰ্টাৰ ফাইনেলত হৰুৱাই ছেমিফাইনেলত প্ৰৱেশ কৰিছিল পি এছ জি। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত পি এছ জিয়ে পৰাস্ত কৰিছিল বেয়াৰ্ণ মিউনিখক। ইফালে, ঘৰুৱা লীগতো পি এছ জি সম্প্ৰতি দ্বিতীয় স্থানত। ফৰাচী ফুটবল লীগৰ অন্তিম মেচত পি এছ জি আৰু লিলিয়ে জয়লাভ কৰে। এই জয়ৰে লিলিয়ে পইণ্ট তালিকাত নিজৰ শীৰ্ষস্থান অক্ষুন্ন ৰাখিছে। বিপৰীতে পি এছ জি আছে দ্বিতীয় স্থানত। লিলিয়ে 35 খন মেচৰ পৰা লাভ কৰিছে 76 পইণ্ট। আনহাতে, পি এছ জি 35 খন মেচৰ পৰা লাভ কৰিছে 75 পইণ্ট। ম'নাকোই 34 খন মেচৰ পৰা 71 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে।

### উভয় লেগৰ মেচতে বিজয়ী গ'ল

## চিটীৰ গৌৰৱময় সাফল্যৰ নায়ক ৰিয়াদ মেহৰাজ

**লণ্ডন, ৫ মে' ঃ** ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ চিটীয়ে ইতিহাস গঢ়ি পোন প্ৰথমবাৰৰ বাবে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে। চিটীক এই গৌৰৱময় সফলতা দিয়া নায়কজন হ'ল ৰিয়াদ মেহৰাজ। উল্লেখ্য যে চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলৰ প্ৰথম আৰু দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ চিটীৰ হৈ গ'ল দিয়ে ৰিয়াদ মেহৰাজ। উল্লেখ্য যে চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত যোৱানিশা মানচেষ্টাৰ চিটী মুখামুখি হয় পি এছ জিৰ। মেচখনত মানচেষ্টাৰ চিটীয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ফ্ৰান্সৰ ক্লাব পি এছ জিক। অৱশ্যে মানচেষ্টাৰ চিটীৰ সামগ্ৰিক জয়ৰ ব্যৱধান হ'ল 4-1। ইয়াৰপূৰ্বে পেৰিছত অনুষ্ঠিত হোৱা প্ৰথম লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল পি এছ জিক। যোৱানিশা ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে আত্মবিশ্বাসৰে খেলি পুনৰ জয়ৰ সফলতা লাভ কৰে। দলৰ হৈ দুয়োটা গ'ল কৰে ৰিয়াদ মেহৰাজে। খেলৰ 11 মিনিটত মেহৰাজে প্ৰথমটো গ'ল কৰি বিৰতিলৈ মানচেষ্টাৰ চিটীক 1-0 ত আগুৱাই ৰাখে। আনহাতে, 63 মিনিটত মেহৰাজে দ্বিতীয়টো গ'ল কৰি মানচেষ্টাৰ চিটীৰ 2-0 ৰ বিজয় নিশ্চিত কৰে। উল্লেখ্য যে প্ৰথম লেগৰ মেচতো চিটীৰ হৈ বিজয়সুচক গ'লটো কৰিছিল মেহৰাজে। প্ৰথম লেগৰ মেচৰ 15 মিনিটতে মাৰ্কুনহোছে গ'ল কৰি প্ৰথমে পি এছ জিক অগ্ৰগতি দিছিল। দলে এই অগ্ৰগতি 64 মিনিটলৈ ধৰি ৰাখে যদিও পৰৱৰ্তী সাত মিনিটত মানচেষ্টাৰ চিটীয়ে দুটা গ'ল কৰি মেচত জয় অৰ্জন কৰে। 64 মিনিটত চিটীৰ হৈ দ্য ব্ৰুনিয়ে প্ৰথমে গ'ল কৰি মেচত 1-1 ত সমতা স্থাপন কৰাৰ পাছত 71 মিনিটত মাহৰেজে চিটীৰ হৈ বিজয়সুচক গ'লটো দিছিল।



## স্বদেশলৈ ৰাওনা আই পি এলত খেলা ইংলণ্ডৰ আঠগৰাকী ক্ৰিকেটাৰ



**নতুন দিল্লী,, ৫ মে' ঃ** আই পি এল খেলা ইংলণ্ডৰ আঠগৰাকী ক্ৰিকেটাৰ আজি স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰিছে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে কৰ'নাৰ বাবে চলিত আই পি এল বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে। সেয়ে আজি দুপৰীয়াই বিশেষ বিমানৰে স্বদেশলৈ ৰাওনা হয় আই পি এলত খেলা ইংলণ্ডৰ আঠগৰাকী ক্ৰিকেটাৰ। উল্লেখ্য যে আই পি এল চলি থকা সময়তে চাৰিজন ক্ৰিকেটাৰ কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত বি চি চি আয়ে সভা আয়োজন কৰি অনিৰ্দিষ্ট সময়লৈ আই পি এল বন্ধ ৰখাৰ সিদ্ধান্ত লয়। বি চি চি আয়ে লগতে জনাই যে সকলো ক্ৰিকেটাৰক সুকলমে নিজৰ নিজৰ ঘৰলৈ প্ৰেৰণ কৰাৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণ কৰিব ব'ৰ্ডে। আনহাতে, দেশত পৰিৱেশ স্বাভাৱিক নহোৱা প্ৰয্যন্ত আই পি এল আয়োজন কৰা নহয়। 'খেলতকৈ খেলুৱৈৰ সুৰক্ষা আমাৰ বাবে প্ৰধান দায়িত্ব। আমি কোনো কাৰণতে তাৰ পৰা আঁতৰি নাহো। এইসময়ত ভাৰতত ক্ৰিকেট চলাই ৰখাটো কোনো কাৰণতে সম্ভৱ নহয়। সেয়ে আই পি এল বাতিল কৰা হৈছে।' কালি এই মন্তব্য কৰিছিল বি চি চি আৰ সচিব জয় শ্বাহে।

## আজি ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ ইউনাইটেড-ৰোমা



**লণ্ডন, ৫ মে' ঃ** চলিত ইউৰোপা লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচ কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে মানচেষ্টাৰ ইউনাইটেডে খেলিব ৰোমাৰ বিৰুদ্ধে। ইয়াৰপূৰ্বে ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত মানচেষ্টাৰ ইউনাইটেডে সহজে পৰাস্ত কৰে ৰোমাক। এখন একপক্ষীয় ছেমিফাইনেলত মানচেষ্টাৰ ইউনাইটেডে 6-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰোমাক। এই মেচৰ ফলাফলৰ পাছত মানচেষ্টাৰ ইউনাইটেডৰ ইউৰোপা লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশৰ আনুষ্ঠানিকতাহে বাকী। কাৰণ দ্বিতীয় লেগৰ মেচত ৰোমাই প্ৰত্যাৱৰ্তন কৰিলেও কমেও চাৰিটা গ'ল দিব লাগিব। প্ৰথম লেগৰ মেচত মানচেষ্টাৰ ইউনাইটেডৰ হৈ দুটাকৈ গ'ল দিয়ে ব্ৰুন ফাৰ্ণাণ্ডেজ আৰু কাভানিয়ে। উল্লেখ্য যে ইউৰোপা লীগৰ কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ ৰোমা আৰু এজাক্সৰ মেচখন 1-1 গ'লত ড্ৰ হয় যদিও সামগ্ৰিকভাবে 3-2 গ'লত জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল ৰোমা। প্ৰথম লেগৰ কোৱাৰ্টাৰ ফাইনেলত ৰোমাই 2-1 গ'লৰ ব্যৱধানত জয়লাভ কৰিছিল এজাক্সৰ বিৰুদ্ধে। ইফালে, কোৱাৰ্টাৰ ফাইনেলত ইংলিছ ক্লাব মানচেষ্টাৰ ইউনাইটেড মুখামুখি হৈছিল গ্ৰানাডাৰ। প্ৰথম লেগৰ মেচত 2-1 গ'লৰ ব্যৱধানত জয়লাভ কৰা মানচেষ্টাৰ ইউনাইটেডে দ্বিতীয় লেগৰ মেচখনত 2-0 গ'লৰ ব্যৱধানত জয়ী হৈ সামগ্ৰিকভাবে 4-1 গ'লৰ ব্যৱধানত বিজয় হৈ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল।

মাতৃ আৰু প্ৰতিটো সন্তান এই পৰ্যন্ত সম্পূৰ্ণ সুস্থ হৈ আছে। অৱশ্যে এতিয়াও তেওঁলোকক কিছু সপ্তাহলৈ হাস্পতালত পৰ্যবেক্ষণত ৰখা হ'ব। তাৰ পাছতহে ঘৰলৈ যোৱাৰ অনুমতি পাব।



## গৰ্ভত দেখা গৈছিল সাতটা ভ্ৰূণ ঃ ব্যৰ্থ হৈছিল পৰীক্ষাও

# একেলগে ন সন্তান জন্ম দিলে আফ্ৰিকাৰ মহিলাই



■ নিউজ ব্যুৰ'

**বামাকো (মালি), ৫ মে' ঃ** এটা, দুটা বা তিনিটা নহয়। একেলগে নটা সন্তান জন্ম দিলে পশ্চিম আফ্ৰিকাৰ এগৰাকী যুৱতীয়ে। এনে আশ্চৰ্যকৰ ঘটনা প্ৰত্যক্ষ কৰি সম্প্ৰতি সকলোৱেই আচম্বিত হৈ পৰিছে। সেই বাবেই এই মুহূৰ্তত উক্ত মহিলাগৰাকী হৈ পৰিছে গুগল ছাৰ্চৰ ট্ৰেণ্ডিংত। ইয়াৰ উপৰি আশ্চৰ্যকৰ বিষয়টো হৈছে, এই ন সন্তানক চিহ্নিত কৰাৰ ক্ষেত্ৰত চিকিৎসা বিজ্ঞানো ব্যৰ্থ হৈছিল। কিয়নো সেই যুৱতী অন্তঃসত্ত্বা হোৱাৰ পাছতে নিয়ম অনুসৰি কৰা ইউএছজিৰ সময়ত তেওঁৰ গৰ্ভত সাতটা ভ্ৰূণহে ধৰা পৰিছিল। প্ৰসৱৰ পাছত দেখা গ'ল সকলো সন্তানৰ অস্তিত্ব চিহ্নিত কৰাত আল্ট্ৰা ছাউণ্ডো ব্যৰ্থ হৈছিল। অৱশ্যে সাতটি সন্তান গৰ্ভত ধাৰণ কৰা বিষয়টোও নিশ্চিতৰূপে বিস্ময়কৰ তথা উদ্বেগৰ।

পশ্চিম আফ্ৰিকাৰ দৰিদ্ৰ দেশ মালিৰ বাসিন্দা ২৫ বছৰীয়া হালিমা ছিছৰ পৰিয়ালে সাত সন্তানৰ অস্তিত্ব ধৰা পৰাৰ পাছতে বুজি পাইছিল যে এনে অৱস্থাত তেওঁৰ চিকিৎসা কিছু ভাল স্থানত হোৱাৰ প্ৰয়োজন আছে। সেয়ে আল্ট্ৰা ছাউণ্ডৰ পাছতে যোৱা ৩০ মাৰ্চত তেওঁক মৰক্কোলৈ অনা হয়। তাতেই এই বিৰল মাতৃত্বৰ অনন্য স্বাদ লাভ কৰিলে যুৱতীগৰাকীয়ে। তেওঁ একেলগে জন্ম দিলে পাঁচ কন্যা আৰু চাৰি পুত্ৰ সন্তানক। সদ্য মাতৃত্বৰ স্বাদ পোৱা হালিমাই নিৰাপদে প্ৰসৱ হোৱাৰ বাবে চিকিৎসক আৰু হাস্পতালৰ অন্যান্য কৰ্মীসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

মালিৰ স্বাস্থ্যমন্ত্ৰী ফাণ্টা ছিবিয়ে এক সংবাদসংস্থাক জনাইছে যে মাতৃ আৰু প্ৰতিটো সন্তান এই পৰ্যন্ত সম্পূৰ্ণ সুস্থ হৈ আছে। অৱশ্যে এতিয়াও তেওঁলোকক কিছু সপ্তাহলৈ হাস্পতালত পৰ্যবেক্ষণত ৰখা হ'ব। তাৰ পাছতহে ঘৰলৈ যোৱাৰ অনুমতি পাব। এক সংবাদ মাধ্যমৰ প্ৰতিবেদন অনুসৰি আচলতে হালিমাৰ স্বাস্থ্যক কেন্দ্ৰ কৰি চিকিৎসকসকল এতিয়াও উদ্বেগৰ মাজত আছে। লগতে প্ৰতিটো নৱজাত শিশুৰ প্ৰাণৰক্ষাক কেন্দ্ৰ কৰিও তেওঁলোক সংশয়ত আছে। সেই বাবেই সম্প্ৰতি গভীৰ পৰ্যবেক্ষণত ৰখা হৈছে। উল্লেখ্য যে একেলগে তিনি-চাৰিটা সন্তান জন্ম দিয়াৰ উদাহৰণ বিৰল নহয়। কিন্তু নটা সন্তানৰ কথা বৰ বেছি প্ৰকাশলৈ অহা নাই। ১৯৭১ত অষ্ট্ৰেলিয়াৰ এগৰাকী মহিলাই নটা সন্তান জন্ম দিছিল যদিও পাছত প্ৰতিটো শিশুৰ মৃত্যু হয়। ১৯৯৯তো মালয়েছিয়াৰ এগৰাকী মহিলাই নটা সন্তান জন্ম দিছিল যদিও এটি শিশুকো চিকিৎসকে বচাব নোৱাৰিলে। সেয়ে এইবাৰ চিকিৎসকসকল যথেষ্ট সচেতন হৈছে। এই ক্ষেত্ৰত যাতে তেনে কোনো অঘটন নঘটে, সেয়া নিশ্চিত কৰিব বিচাৰিছে চিকিৎসকসকলে।

## দুয়োৰে চাৰে ১৪ হেজাৰ কোটিৰ সম্পত্তি ভাগক কেন্দ্ৰ কৰি জল্পনা



# ২৭ বছৰীয়া বৈবাহিক জীৱনৰ অন্ত পেলাই বিচ্ছেদ গেটছ দম্পতীৰ

■ নিউজ ব্যুৰ'

**নিউ য়ৰ্ক, ৫ মে' ঃ** ২৭ বছৰীয়া বৈবাহিক জীৱনৰ অন্ত পেলাই বিচ্ছেদ ঘটালে বিল গেটছ আৰু মেলিণ্ডা গেটছে। গেটছ ফাউণ্ডেচনৰ দুই মুৰব্বী বিল আৰু মেলিণ্ডাই পৰস্পৰৰ পৰা আঁতৰি যোৱা বিষয়টো একেলগে টুইটাৰত ঘোষণা কৰিছে। প্ৰায় তিনিটা দশকৰ দাম্পত্য জীৱনৰ অন্তত তেওঁলোকৰ এনে সিদ্ধান্তই স্বাভাৱিকতে সকলোকে অবাক কৰি তুলিছে। ইয়াৰ উপৰি আন এটা বিষয়ো সম্প্ৰতি বিশেষভাৱে চৰ্চা হৈছে। বিল আৰু মেলিণ্ডাৰ বিশাল সম্পত্তিৰ ভাগ কিদৰে হ'ব? তেওঁলোকৰ কোনে কিমান টকা পাব?

১৯৮৭ত প্ৰথম সাক্ষাৎ হৈছিল বিল আৰু মেলিণ্ডাৰ। বিলৰ মাইক্ৰ'ছ'ফ্ট কোম্পানীত সেই বছৰতে প্ৰ'ডাক্ট মেনেজাৰৰূপে যোগ দিছিল মেলিণ্ডাই। নিউ য়ৰ্কৰ এক বিজনেছ ডিনাৰত দুয়ো উপস্থিত আছিল। তেতিয়াই সাক্ষাৎ আৰু প্ৰেমৰ সূচনা। সাত বছৰৰ প্ৰেমৰ সম্পৰ্কৰ অৱসান ঘটাই ১৯৯৪ত তেওঁলোক বিবাহপাশত আবদ্ধ হয়। কিছু বছৰৰ পাছত দুয়ো একেলগে গেটছ ফাউণ্ডেচন প্ৰতিষ্ঠা কৰে। ২০০০ত প্ৰতিষ্ঠিত সেই সংস্থাই বিগত ২১ বছৰত বিভিন্ন দেশৰ স্বাস্থ্য ক্ষেত্ৰৰ উন্নতিৰ হকে কোটি কোটি ডলাৰ ব্যয় কৰিছে।

গেটছ দম্পতীৰ আছে তিনি সন্তান। তেওঁলোক দুয়ো যৌথভাৱে বিশাল অংকৰ সম্পত্তিৰ অধিকাৰী। বিচ্ছেদৰ পাছত সেই বিশাল সম্পত্তি দুয়োৰে মাজত কিদৰে ভাগ হ'ব বুলিয়ে সম্প্ৰতি চৰ্চা আৰম্ভ হৈছে। ফ'ৰ্বছ্‌ পত্ৰিকাৰ হিচাপ অনুসৰি বিল প্ৰায় চাৰে ১৩ হেজাৰ কোটি ডলাৰৰ অধিকাৰী। তেওঁ সম্প্ৰতি বিশ্বৰ চতুৰ্থ ধনী ব্যক্তি। এই সম্পত্তিৰ ভিতৰত আকৌ মেলিণ্ডাৰো অংশীদাৰী আছে। ২০০০ত বিল আৰু মেলিণ্ডা গেটছে মিলি বিল এণ্ড মেলিণ্ডা গেটছ্‌ ফাউণ্ডেচন প্ৰতিষ্ঠা কৰিছিল। নিজৰ সম্পত্তিৰ অধিকাংশই তেওঁলোকে এই সংস্থাত বিনিয়োগ কৰিছে। ২০২০ৰ হিচাপ অনুসৰি এই সংস্থাৰ মুঠ সম্পত্তিৰ পৰিমাণ আছিল পাঁচ হেজাৰ এশ কোটি ডলাৰ। যৌথভাৱে বিল আৰু মেলিণ্ডাৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ১৪ হেজাৰ ছশ কোটি ডলাৰ। বিচ্ছেদৰ পাছত এই বিশাল সম্পত্তি দুয়োৰে মাজত ভাগ কৰাটো বিশেষ সহজ নহ'ব বুলিয়ে তেওঁলোকৰ ঘনিষ্ঠ মহলে ধাৰণা কৰিছে। এই বিশাল সম্পত্তি তেওঁলোক দুয়োৰে মাজত কিদৰে ভাগ হ'ব, সেয়া এতিয়াও স্পষ্ট নহয়। যৌথ সম্পত্তিৰ উপৰি তেওঁলোকৰ নিজস্ব সম্পত্তিও আছে। ঘনিষ্ঠ মহলৰ মতে, কেৱল তেওঁলোকৰ যৌথ সম্পত্তিহে দুয়ো ভাগ কৰি ল'ব। ইয়াক কেন্দ্ৰ কৰি দুয়ো কিং কাণ্ট্ৰি ছুপিৰিয়ৰ ক'ৰ্টত আবেদনো জনাইছে। এজন আইনজীৱীয়ে জনোৱা মতে, যৌথ সম্পত্তি দুয়োৰে মাজত সমানে ভাগ হ'ব। অৱশ্যে তাৰ পৰিমাণ কিমান হ'ব সেয়া এতিয়াও স্পষ্ট হোৱা নাই।

# বাঁহৰ লাঠিৰে মালা পিন্ধালে দৰা-কইনাই

## সম্পূৰ্ণ ক'ভিড বিধিৰে বিয়া সম্পন্ন কৰি লাভ কৰিছে চৰ্চা



■ নিউজ ব্যুৰ'

**পাটনা, ৫ মে' ঃ** কৰ'নাৰ প্ৰকোপত সম্প্ৰতি দেশবাসীৰ থৰহৰি কম্পমান হৈছে। যিকোনো সামাজিক অনুষ্ঠান প্ৰায় সৰ্বত্ৰে বন্ধ কৰা হৈছে। সকলো ক্ষেত্ৰতে ক'ভিড বিধি বাধ্যতামূলক কৰা হৈছে। সংক্ৰমণৰ আশংকাত মানুহে ঘৰতে থাকিবলৈ আৰম্ভ কৰিছে। ইয়াৰ মাজতে সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে বিহাৰৰ বেগুচৰাই অঞ্চলৰ এখন বিবাহ। সামাজিক দূৰত্ব মানি দৰা-কইনাই মালা পৰিৱৰ্তন কৰা দৃশ্যই সম্প্ৰতি বিভিন্নজনৰ মাজত চৰ্চা লাভ কৰিছে।

চত্তিছগড়ৰ অতিৰিক্ত পৰিবহন আয়ুক্ত দীপাংশু কাব্ৰাই সম্প্ৰতি এই মজাৰ ভিডিঅ'টো টুইটাৰত শ্বেয়াৰ কৰাৰ লগে লগে ভাইৰেল হৈ পৰে। ভিডিঅ'ত দেখা গৈছে বিবাহ মণ্ডপত মুখত মাস্ক পৰিহিত দৰা আৰু কইনাৰ হাতত আছে বাঁহৰ লাঠি। সেই লাঠিৰ সাহায্যতে তেওঁলোকে পৰস্পৰৰ ডিঙিত মালা পিন্ধাই দিছে। মালা পিন্ধোৱাৰ এনে অভিনৱ পদ্ধতি দেখি বহুতেই মজা পাইছে।

কৰ'নাৰ পৰিস্থিতিত এনে অভিনৱ বিবাহ শেহতীয়াকৈ বহু দেখা গৈছে। কিছুদিনৰ পূৰ্বে দেখা গৈছিল দৰা-কইনাৰ লগতে পুৰোহিত তথা উপস্থিতসকলেও সম্পূৰ্ণ পিপিই কিট পৰিধান কৰি বিবাহ মণ্ডপত উপস্থিত আছিল। সেইবাৰ দৰা কৰ'নাত আক্ৰান্ত হোৱাৰ বাবেই সেই ব্যৱস্থা কৰা হৈছিল। কিন্তু এইটো ভিডিঅ' যেন তাতকৈও অবাক কৰা বিধৰ আছিল। কিয়নো এইবাৰ কাৰো কৰ'নাৰ সমস্যা নাছিল। সেইবাবেই ভিডিঅ'টো ভাইৰেল হোৱাত বেছি সময় নালাগিল। এই ভিডিঅ'টো প্ৰত্যক্ষ কৰি বহুতেই স্ফূৰ্তি পাইছে। এজন টুইটাৰ ব্যৱহাৰকাৰীয়ে নৱদম্পতীক 'খতৰোঁ কে খিলাড়ী' আখ্যা দিয়ে। অৱশ্যে কোনো কোনোৱে সমালোচনাও কৰিছে। কিছু সংখ্যকে লিখিছে যে এনে পৰিস্থিতিত এইদৰে 'ৰিস্ক' ন'লৈ বিয়াখন কিছুদিন পিছুৱাব পাৰিলেহেঁতেন। অৱশ্যে জনা গৈছে যে যোৱা সপ্তাহত বেগুচৰাইত হোৱা সেই বিবাহত ৫০জনৰো কম অতিথিৰ সমাগম হৈছিল। সকলো ক'ভিড বিধি পালন কৰি বিয়া সম্পন্ন হ'ব বুলি আগতেই স্থিৰ কৰা হৈছিল। অতিথি অধিক নহ'লেও ভিডিঅ' ভাইৰেল হৈ পৰাত নিশাৰ ভিতৰতে সেই নৱদম্পতী আৰু তেওঁলোকৰ মালা পৰিৱৰ্তন চৰ্চাৰ বিষয় হৈ পৰে।

অসম চৰকাৰ
ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

ক'ভিডৰ টীকাকৰণৰ দ্বাৰা ব্যক্তি আৰু সমাজৰ প্ৰতিৰোধ শক্তিৰ বৰ্দ্ধিতকৰণ

১৮-৪৪ বছৰ বয়সৰ লোকৰ বাবে ক'ভিড টীকাকৰণ ৭ মে', ২০২১ৰ পৰা আৰম্ভ কৰা হ'ব



গুৱাহাটী প্ৰেছ ক্লাবত কোভিড-১৯ টীকাকৰণ অভিযান

এই শ্ৰেণীৰ অধীনত বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ বাবে যোৱা ৫ মে', ২০২১ তাৰিখে জিএমচিএইচত আৰু সংবাদ মাধ্যমৰ লোকসকলৰ বাবে গুৱাহাটী প্ৰেছ ক্লাবত এক বিশেষ ক'ভিড টীকাকৰণ অভিযান অনুষ্ঠিত কৰা হৈছিল

- যোগ্য নাগৰিকসকলে কোউইন পৰ্টেলত নিজকে পঞ্জীয়ন কৰিব পাৰে
- কোউইন পৰ্টেলত এপইণ্টমেণ্ট বুকিং এতিয়া মুকলি কৰা হৈছে
- কেৱল cowin.gov.inৰ দ্বাৰা স্ব-পঞ্জীয়ন কৰা আৰু আৰোগ্য সেতু এপৰ জৰিয়তে আগতীয়া এপইণ্টমেণ্ট গ্ৰহণ কৰা সকলকহে প্ৰতিষেধক প্ৰদান কৰা হ'ব

১৮-৪৪ বছৰ বয়সৰ লোকৰ বাবে কোনো ৱাক ইনৰ অনুমতি প্ৰদান কৰা নহ'ব



গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত কোভিড-১৯ টীকাকৰণ অভিযান

১৮+ৰ বাবে পঞ্জীয়নৰ বাবে পদক্ষেপ আৰু কোউইন পৰ্টেলত এপইণ্টমেণ্ট গ্ৰহণ

- cowin.gov.in যাওক
- পৰ্টেলত নিজকে পঞ্জীয়ন কৰক
- টীকাকৰণৰ সাক্ষাৎকাৰ অনুসূচীত কৰক
- পঞ্জীভুক্ত ম'বাইল নম্বৰত সাক্ষাৎকাৰ বাৰ্তাৰ নিশ্চিতকৰণ পৰীক্ষা কৰক
- টীকাকৰণ কেন্দ্ৰলৈ পঞ্জীয়নৰ বাবে ব্যৱহৃত আপোনাৰ এপইণ্টমেণ্ট স্লিপ আৰু ফটো পৰিচয় পত্ৰ কঢ়িয়াই নিব

টীকাকৰণৰ কেন্দ্ৰসমূহ

ক'ভিড টীকাকৰণ বিভিন্ন নিৰ্বাচিত চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠান, মহাবিদ্যালয়, বিদ্যালয়, সমূহীয়া ভৱন আদিত উপলব্ধ হ'ব, যিবোৰৰ তালিকা কোউইন প'ৰ্টেলত উপলব্ধ।

যিকোনো ক'ভিড-১৯, প্লাজমা দান আৰু আন আন স্বাস্থ্য সম্পৰ্কীয় প্ৰশ্নসমূহৰ বাবে
১০৪ত ফোন কৰক

এম্বুলেন্স সেৱাৰ বাবে
১০৮ত ফোন কৰক

eSanjeevaniOPD
स्वस्थ भारत

যিকোনো ক'ভিড-১৯ সম্পৰ্কীয় চিকিৎসা পৰামৰ্শৰ বাবে গুগল প্লেৰ পৰা ইসঞ্জীৱনী অ'পিডি এপ ডাউনলোড কৰি চিকিৎসকৰ সৈতে যোগাযোগ কৰক

সময়: ৰাতিপুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ (গোটেই দিনটো)
ইয়াৰ উপৰিও আপুনি ১০৪ত ফোন কৰিব পাৰে

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com